অধ্যায় ৯ ঃ শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলা

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য

9.2 পৰিচয়

9.3 শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ ধাৰণা

- 9.3.1 শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ প্ৰকাৰ
- 9.3.2 শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ প্ৰয়োজন আৰু তাৎপৰ্য্য
- 9.3.3 শ্ৰৱণ-দৰ্শন আহিলাৰ প্ৰয়োগৰ নিৰ্দেশাত্মক নীতিসমূহ
- 9.3.4 শ্ৰৱণ-দৰ্শন আহিলাবোৰৰ সীমাবদ্ধতা

9.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

9.5 অধিক জানিবলৈ

9.6 অগ্ৰগতিৰ খতিয়ান

9.7 আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ ধাৰণা সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব
- শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ প্ৰয়োজন আৰু তাৎপৰ্য্য সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব
- শ্ৰৱণ-দৰ্শন আহিলাৰ বিভিন্ন প্ৰকাৰসমূহৰ শ্ৰেণীবিভাগ কৰিব পাৰিব
- শিক্ষণত শ্ৰৱণ-দৰ্শনৰ আহিলাসমূহ কেনেকৈ ব্যৱহাৰ কৰিব পাৰি তাৰ আলোচনা কৰিব পাৰিব
- শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাসমূহৰ সীমাবদ্ধতা সম্পৰ্কে জানিবলৈ সমৰ্থ হ'ব।

৯.২ পৰিচয়

আধুনিক শিক্ষা ব্যৱস্থাৰ অতি গুৰুত্বপূৰ্ণ বিকাশ হ'ল— শ্ৰৱণ-দৰ্শন আহিলাবোৰৰ বৰ্দ্ধিত হাৰত প্ৰয়োগকৰণ। এই কৌশলসমূহ প্ৰয়োগৰ যোগেদি, শিক্ষক এজনে শিক্ষাৰ্থীৰ ধাৰণাসমূহ স্পষ্ট কৰিব পাৰিব আৰু তাৰ জৰিয়তে শিশুসকলৰ কল্পনা শক্তি বৃদ্ধি কৰিব পাৰে। এই অধ্যায়টোৱে আমাক শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ ধাৰণা আৰু অৰ্থৰ বিষয়ে পৰিচয় কৰাই দিব, শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ প্ৰয়োজনীয়তা আৰু তাৎপৰ্য্যৰ বিষয়ে আলোচনা কৰা যাব, আকৌ লগতে শ্ৰৱণ-দৰ্শন আহিলাৰ নিৰ্দেশাত্মক নীতিসমূহ আৰু ইয়াৰ সীমাবদ্ধতাসমূহৰ বিষয়ে অৱগত কৰাব। এতিয়া এই অধ্যায়টো বিতংভাৱে আলোচনা কৰা হওক ।

৯.৩ শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ ধাৰণা

শ্ৰৱণ-দৰ্শন আহিলাবোৰ হৈছে— শিক্ষাদান আৰু গ্ৰহণৰ বাবে সহায়ক আৰু সুবিধাজনক হৈ উঠা আহিলা। কে. এছ. জেমছৰ (K. S. James) মতে "শ্ৰৱণ-দৰ্শন আহিলাবোৰ হৈছে এক উপায়,যাৰ যোগেদি শিক্ষণীয় অভিজ্ঞতাক মূৰ্ত, যথাৰ্থ আৰু গতিশীল কৰি তোলে।" (Audio-Visual aids are device which can be used to make the learning experience more concrete, more realistic and more dynamic.)

এডগাৰ ডলে (Edgar Dale) শ্ৰৱণ-দৰ্শন আহিলাৰ সংক্ৰান্তত ব্যক্ত কৰি কয় যে "শ্ৰৱণ-দৰ্শন আহিলাবোৰে ধাৰণামূলক চিন্তা কৰিবৰ বাবে বাস্তৱ ভিত্তি প্ৰদান কৰে। সেইসমূহে শব্দৰ লগত উন্নত আৰু অৰ্থপূৰ্ণ সংযোগ স্থাপন কৰি ধাৰণাক অৰ্থপূৰ্ণ কৰি তোলে। সেয়েহে মৌখিকতাৰ ৰোগৰ পৰা ৰক্ষা পৰিবৰ বাবে সেই সঁজুলিবোৰে সম্ভৱ হৈ উঠিব পৰা অতি উত্তম বিধৰ প্ৰতিষেধক প্ৰদান কৰে।" (Audio-Visual material supply a concrete basis for conceptual thinking, they give rise to meaningful concepts to words enriched by meaningful associations. Hence, they offer the best antidote available for the disease of verbalism.)

কার্টাৰ ভি. গুদৰ মতে, "শ্ৰৱণ-দৰ্শন সঁজুলিসমূহ সেইবিলাক সঁজুলি যিবিলাকে শিক্ষাৰ ত্ৰিকেন্দ্ৰিক প্ৰক্ৰিয়া, যেনে— অভিৰোচন, শ্ৰেণী বিভাজন আৰু উত্তেজনাক সম্পূৰ্ণ কৰাত সহায় কৰে।" (Audio-Visual Aids are those aids which help in completing the triangular process of learning i.e. motivation, classification and stimulation.)

উপৰোক্ত সংজ্ঞাসমূহ বিশ্লেষণ কৰি ক'ব পাৰি যে শিকোৱা প্ৰক্ৰিয়াত কোনো এটা বিশেষ শিক্ষণীয় বিষয়বস্তুৰ জ্ঞান স্পষ্ট ভাৱে প্ৰদান কৰিবলৈ উপযুক্তভাৱে উপস্থাপন কৰিবলৈ, সঠিক জ্ঞান প্ৰদানৰ বাবে নিৰ্দিষ্ট বিষয়বস্তুৰ লগত আন বিষয়বস্তুৰ সজী ৱ সহসম্বন্ধ আৰু সমন্বয় সাধন কৰিবলৈ, স্পষ্টভাবে বিষয়বস্তুৰ ব্যাখ্যা প্ৰদান কৰিবলৈ যথাযথ মূল্যায়ন আদি গুৰুত্বপূৰ্ণ কাৰ্য্যসমূহ মনোবিজ্ঞান সন্মতভাৱে সাধন কৰাৰ ক্ষেত্ৰত শ্ৰৱণ-দৰ্শন সঁজুলিসমূহে শিক্ষকসকলক বিশেষভাৱে সহায় কৰে।

বিশেষজ্ঞসকলে এই সম্বন্ধে কৰা গৱেষণামূলক অধ্যয়নৰ যোগে জানিব পৰা হৈছে যে দৃষ্টি সংবেদনৰ যোগে পোৱা অভিজ্ঞতাৰ মাত্ৰা হৈছে প্ৰায় ৪০ শতাংশ আৰু শ্ৰৱণ সংবেদনৰ যোগে পোৱা অভিজ্ঞতা প্ৰায় ১০ শতাংশ, জনপ্ৰিয়ভাৱে কোৱা হয় যে "দেখিলেহে লেখিম"। আমি শিক্ষা আদান-প্ৰদানৰ বেলিকা প্ৰত্যক্ষ বিষয়বস্তুৰ অবৰ্তমানত তাৰ প্ৰতিনিধিত্বমূলক জ্ঞানস্বৰূপে শ্ৰৱণ-দৰ্শন আহিলাৰ প্ৰয়োগ কৰিব লগা হয়।

৯.৩.১ শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ প্ৰকাৰ

বৰ্তমান শিক্ষা-প্ৰযুক্তি বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা শিক্ষা দান কাৰ্য্যত শিক্ষণ আহিলাৰ প্ৰয়োগৰ সম্ভাৱনীয়তা আৰু পৰিসৰ ক্ৰমে বৃদ্ধি পাই আহিছে। আগতে শিক্ষাদান কাৰ্য্য

প্ৰত্যক্ষ বিধৰ আছিল আৰু সেই বাবে শিক্ষা গ্ৰহণৰ সহায়ক আছিল শিক্ষক নিজেই। বৰ্তমান শিক্ষাদান কাৰ্য্য পৰোক্ষ বিধৰ আৰু শিক্ষাৰ্থী প্ৰধান হৈ উঠাৰ লগে লগে শিক্ষণ আহিলাবোৰৰ গুৰুত্ব আৰু ভূমিকা স্বাভাৱিকতেই অধিক বৃদ্ধি পাইছে। এই দৃষ্টিকোণৰ পৰা শিক্ষা সঁজুলিবোৰক তিনিটা ভাগত ভগাব পাৰি, যেনে— শ্ৰৱণ আহিলা, দৰ্শন আহিলা, শ্ৰৱণ-দৰ্শন আহিলা (Audio aid, visual aid, Audio-visual aid)।

ক) **শ্ৰৱণ আহিলা (Audio-aids) ঃ** শ্ৰৱণ আহিলাবোৰ হৈছে— ৰেডিঅ', টেপ-ৰেকৰ্ডাৰ, গ্ৰামোফোন, শ্ৰৱণমূলক কেছেট, লাউড স্পিকাৰ, মাইক্ৰ'ফোন, ভাষাৰ প্ৰয়োগশালা, ইত্যাদি।

খ) **দৰ্শন আহিলা (Visual) ঃ** শিক্ষাত প্ৰয়োগ কৰা দৃষ্টিমূলক আহিলাবোৰ হৈছে— ব্লেকবোৰ্ড আৰু চক, ফ্লেনেল বোৰ্ড, বুলেটিন বোৰ্ড, তালিকা বা নক্সা, গ্ৰাফ বা ৰেখা চিত্ৰ, অংকিত চিত্ৰ, ব্যঙ্গ চিত্ৰ, বিজ্ঞাপন পত্ৰ, ইত্যাদি প্ৰক্ষেপণ যন্ত্ৰৰ যোগে প্ৰদৰ্শিত বিবিধ দৃষ্টিমূলক সঁজুলি।

গ) **শ্ৰৱণ-দৰ্শন আহিলা (Audio-Visual aids) ঃ** শ্ৰৱণ-দৰ্শন আহিলাৰ উপাদানবোৰ হৈছে টেলিভিচন যন্ত্ৰ, কম্পিউটাৰ, বিভিন্ন গীতমাত, নৃত্য-নাটক, কথিকা আৰু খেলা-ধূলা আদিৰ ওপৰত প্ৰস্তুত কৰা কেছেট, পুতলা নাচ, ইত্যাদি।

শ্ৰৱণ-দৰ্শন আহিলা

শ্ৰৱণ আহিলা	**দৰ্শন আহিলা**	**শ্ৰৱণ-দৰ্শন আহিলা**
➢ ৰেডিঅ'	➢ ব্লেকবোৰ্ড আৰু চক	➢ টেলিভিচন যন্ত্ৰ
➢ টেপ-ৰেকৰ্ডাৰ	➢ ফ্লেনেল বোৰ্ড	➢ কম্পিউটাৰ
➢ গ্ৰামোফোন	➢ বুলেটিন বোৰ্ড	➢ বিভিন্ন গীত মাত
➢ শ্ৰৱণমূলক কেছেট	➢ তালিকা বা নক্সা	➢ নৃত্য-নাটক
➢ লাউড স্পিকাৰ	➢ গ্ৰাফ বা ৰেখা চিত্ৰ	➢ কথিকা
➢ মাইক্ৰ'ফোন	➢ অংকিত চিত্ৰ	➢ খেলা-ধূলা আদিৰ
➢ ভাষাৰ প্ৰয়োগশালা	➢ ব্যঙ্গ চিত্ৰ	➢ প্ৰস্তুত কৰা কেছেট
	➢ বিজ্ঞাপন-পত্ৰ	➢ পুতলা নাচ
	➢ বাতৰিকাকত	
	➢ প্ৰাচীৰ-পত্ৰিকা	
	➢ মূকাভিনয়	
	➢ শ্ৰৱণ-দৰ্শন আহিলাৰ প্ৰকাৰ	



জানি থোৱা ভাল

- শ্ৰৱণ-দৰ্শন আহিলাবোৰ হৈছে— শিক্ষাদান আৰু গ্ৰহণৰ বাবে সহায়ক আৰু সুবিধাজনক হৈ উঠা আহিলা।
- শ্ৰৱণ-দৰ্শন আহিলাই শিক্ষণীয় বিষয়বস্তুক সহজে হৃদয়ঙ্গম কৰাত সুবিধা প্ৰদান কৰে।
- শ্ৰৱণ-দৰ্শন আহিলা তিনি প্ৰকাৰৰ, যেনে— শ্ৰৱণ আহিলা, দৰ্শন আহিলা, শ্ৰৱণ-দৰ্শন আহিলা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শিক্ষাদান কাৰ্য্যত ব্যৱহৃত হোৱা শ্ৰৱণ-দৰ্শন আহিলাৰ অৰ্থ লিখক। (30 টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন নং ২ ঃ শ্ৰৱণ-দৰ্শন আহিলাৰ বিভিন্ন প্ৰকাৰসমূহ উল্লেখ কৰক।

.....

.....

৯.৩.২ শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ প্ৰয়োজন আৰু তাৎপৰ্য্য

শিক্ষাত শ্ৰৱণ-দৰ্শন আহিলাৰ গুৰুত্ব আৰু তাৎপৰ্য্যৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- **শিক্ষাদানৰ জটিলতা গুচোৱা (Removing complexity of teaching) ঃ** শিক্ষাৰ্থীৰ মনত শিক্ষকৰ প্ৰদত্ত জ্ঞান ধাৰণা স্পষ্ট ৰূপত দাঙি ধৰিবৰ বাবে এই সঁজুলিবোৰৰ প্ৰয়োগ অপৰিহাৰ্য্য। ই শিক্ষাদানৰ জটিলতা স্বাভাৱিকতেই গুচাই শিক্ষা প্ৰদান আৰু গ্ৰহণ কাৰ্য্য আনন্দদায়ক কৰি তুলিব পাৰে তথা মৌখিকভাৱে প্ৰদান কৰা শিক্ষাদানত উদ্ভৱ হোৱা জটিলতাবোৰ আঁতৰাব পাৰে।
- **বিমূৰ্ত চিন্তা মূৰ্তকৰণ (Abstract thought made concrete) ঃ** শিক্ষকৰ মৌখিক শিক্ষা হৈছে বিমূৰ্ত, চিন্তা-প্ৰধান বিধৰ। সেই কাৰণে মানসিকভাৱে নিম্নমানৰ ছাত্ৰ-ছাত্ৰীসকলে তেনে শিক্ষা গ্ৰহণ আৰু আয়ত্ত্ব কৰিব নোৱাৰে। কিন্তু শিক্ষণ আহিলাবোৰে এই জটিলতা গুচাই বিমূৰ্ত ভাৱ-চিন্তাক, মূৰ্ত আৰু বাস্তৱ বিধৰ কৰি তুলিব পাৰে।
- **শিক্ষকৰ নিৰ্দেশাৱলীৰ বাস্তৱৰূপকৰণ (Makes teacher's instruction realistic) ঃ** শ্ৰৱণ-দৰ্শন সঁজুলিৰ ব্যৱহাৰে শিকোৱা পৰিৱেশত বাস্তৱতা প্ৰদান

কৰে। ইয়াৰ জৰিয়তে ছাত্ৰ ছাত্ৰীসকলে শিকা কথাবিলাক বহুদিনলৈ মনত ৰাখিব পাৰে।

- **ইন্দ্ৰিয় শিক্ষাৰ সুবিধা দান (Gives training of the senses) ঃ** শ্ৰৱণ-দৰ্শন আহিলাবোৰে ছাত্ৰ-ছাত্ৰীসকলক লগতে সমাজৰ অন্যান্য ব্যক্তিবিলাককো ইন্দ্ৰিয় শিক্ষা দিব পাৰে। নিজ চকুৰে দেখা আৰু নিজ কাণেৰে শুনা ইন্দ্ৰিয় অভিজ্ঞতাই মনত শুদ্ধ জ্ঞানৰ প্ৰতিৰূপ স্থায়ী ৰূপত গঢ়ি তুলিব পাৰে। সেই কাৰণে ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ দ্বাৰা লাভ কৰা বিষয়বস্তুসমূহ বহুদিনলৈ মনত ৰাখিব পাৰে।
- **শিক্ষণত অভিৰোচন (Motivates learning) ঃ** শিক্ষাদানৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ মানসিক প্ৰস্তুতি লাভকৰণ বা অভিৰোচন সৃষ্টি কৰাটো শিক্ষকৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য। এনে কাৰ্য্যত শিক্ষণ আহিলাবোৰে অভিজ্ঞতাৰ পৰা ক্ৰমে অজ্ঞাত জ্ঞান অভিজ্ঞতালৈ লৈ যোৱাত এই সঁজুলিবোৰে বিশেষভাৱে প্ৰয়োগ কৰিব পাৰি।
- **ক্ৰীড়াময় পৰিস্থিতিৰ সৃষ্টিকৰণ (Creates playful situation) ঃ** উপযুক্ত শিক্ষা লাভৰ বাবে শিক্ষাৰ্থীৰ মুক্ততা, স্বাধীনতা আৰু স্বতঃস্ফূৰ্ততা হৈছে অপৰিহাৰ্য্য অৱস্থা, যাক আজিৰ শিক্ষাবিদসকলে অগ্ৰাধিকাৰ প্ৰদান কৰে। ক্ৰীড়াৰ যোগেদি লাভ কৰা শিক্ষা ছাত্ৰ-শিক্ষক উভয়ৰ বাবেই আনন্দদায়ক আৰু উপভোগ্য হৈ উঠিব পাৰে।
- **মনোযোগ আৰু আগ্ৰহ সৃষ্টি কৰা (Creates attention and interest) ঃ** শ্ৰৱণ-দৰ্শন আহিলাৰ জৰিয়তে সমাজৰ যুৱক-যুৱতী, বুঢ়া, প্ৰতিভাবান লোক, শিক্ষাত অনুন্নত লোক, ইত্যাদি সকলোকে সহজে মনোযোগী কৰি সচৰাচৰ প্ৰচলিত মৌখিক শিক্ষাৰ বিৰক্তিকৰ আমনিদায়ক পৰিৱেশ নোহোৱা কৰে।
- **স্বাধীনতাৰ পৰিৱেশ (Environment of freedom) ঃ** শ্ৰৱণ-দৰ্শন আহিলা ব্যৱহাৰ কৰাৰ ফলত শিশুৱে মুক্তভাৱে কথা ক'ব, হাঁহিব, চলা-ফুৰা কৰিব আৰু মন্তব্য প্ৰদান কৰিব পাৰে।
- **সময় আৰু শক্তিৰ ব্যয় সীমিতকৰণ (Economy of time and effort) ঃ** শ্ৰৱণ-দৰ্শন আহিলাৰ ব্যৱহাৰে শিকোৱা-শিকা প্ৰক্ৰিয়াত সময় আৰু শক্তিৰ খৰচ নিয়ন্ত্ৰিত কৰিব পাৰে। শিক্ষকে শিক্ষণীয় বিষয়বস্তুৰ জ্ঞান ইয়াৰ সহায়ত সহজতে প্ৰদান কৰিব পাৰে আৰু শিক্ষাৰ্থীয়েও কম সময়তে জ্ঞান আয়ত্ত্ব কৰিবলৈ সক্ষম হয়।
- **শিকোৱাৰ মূল-সূত্ৰৰ ওপৰত প্ৰতিষ্ঠিত (Based on maxims of teaching) ঃ** শ্ৰৱণ-দৰ্শন সঁজুলিৰ প্ৰয়োগৰ দ্বাৰা শিক্ষকে শিকোৱাৰ মূল সূত্ৰসমূহ অনুকৰণ কৰিবলৈ সুবিধা পায়, যেনে— মূৰ্তৰ পৰা বিমূৰ্তলৈ, জনাৰ পৰা নজনালৈ, মনস্তত্ত্বৰ পৰা যুক্তিলৈ ইত্যাদি।
- **শিক্ষাত ব্যক্তি-পাৰ্থক্যৰ প্ৰয়োজন পূৰণ (Serve the need of individual differences) ঃ** ব্যক্তি-পাৰ্থক্য থকা বাবেই শিক্ষণত প্ৰত্যেক ব্যক্তিয়েই নিজা ববীয়াকৈ শিক্ষা গ্ৰহণ কৰে। কাৰণ শিক্ষা আহৰণ হৈছে এক ব্যক্তিগত ক্ৰিয়া প্ৰচেষ্টা।

প্ৰত্যেক ব্যক্তিৰেই শ্ৰৱণ আৰু দৰ্শনৰ ক্ষমতা একে নহয়। শ্ৰেণী কক্ষত এই শ্ৰৱণ-দৰ্শন সঁজুলিবোৰে শিক্ষার্থীসকলৰ বাবে এক মনোবৈজ্ঞানিক কৌশল হিচাপে কাম কৰে।

- **জন শিক্ষা প্ৰদানৰ সহায়ক (Helpful for mass-education) ঃ** শ্ৰৱণ-দৰ্শন সঁজুলিয়ে দিয়া শিক্ষাৰ সৰলতাৰ কাৰণে, বৰ্তমান ইয়াক জন-শিক্ষাৰ মাধ্যম স্বৰূপে ব্যৱহাৰ কৰা হৈছে। ৰেডিঅ', টিভি আৰু শ্ৰৱণ-দৰ্শন কেছেট আদিয়ে পিছপৰা নিৰক্ষৰ লোকসকলৰ মাজত শিক্ষা বিস্তাৰৰ এক নতুন সম্ভাৱনীয়তাৰ পথ মুকলি কৰি দিছে।
- **মৌখিক শিক্ষাৰ হ্ৰাসকৰণ (Reduces verbalism) ঃ** মৌখিক শিক্ষাৰদ্বাৰা গ্ৰহণ কৰা শিক্ষা বেছি ফলপ্ৰসূ নহয়। মৌখিক জ্ঞান বহুতৰ বাবেই দুৰ্বোধ্য হৈ ৰয়। আনহাতে বহু মৌখিক শব্দ প্ৰয়োগৰ যোগেদিও বুজাব নোৱাৰা কথা বা বিষয় এই সঁজুলিবোৰে সহজে বোধগম্য কৰি তোলে।
- **অনুশাসনহীনতা সমস্যাৰ সমাধান (Solving the problem of indiscipline) ঃ** ছাত্ৰৰ অমনোযোগিতা, অবাধ্যতা, উচ্ছৃংখলতা আদি পৰিচিত শিক্ষা অনুশাসনৰ সমস্যা। শিক্ষণ সঁজুলিৰ প্ৰয়োগে এনে সমস্যা নোহোৱা কৰিব পাৰে। কাৰণ এই সঁজুলিবোৰৰ প্ৰয়োগে ছাত্ৰসকলক সকলো সময়তে সজাগ, সক্ৰিয় আৰু দেহ মানসিকভাৱে ব্যস্ত কৰি ৰাখে।
- **বৈজ্ঞানিক মানসিকতাৰ বিকাশ (Develops scientific outlook) ঃ** শুনাৰ পৰিৱৰ্তে যদি ছাত্ৰই যিকোনো বস্তু দেখি শুনি পৰ্য্যবেক্ষণ কৰিব পাৰে তেন্তে ছাত্ৰ-ছাত্ৰীৰ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ বিকাশ সাধন হয়।



জানি থোৱা ভাল

আধুনিক শিক্ষাত শ্ৰৱণ-দৰ্শন আহিলাবোৰৰ প্ৰয়োজনীয়তা আৰু তাৎপৰ্য্যসমূহ তলত উল্লেখ কৰা হ'ল—

- শিক্ষাদানৰ জটিলতা গুচোৱা
- বিমূৰ্ত চিন্তা মূৰ্তকৰণ
- শিক্ষকৰ নিৰ্দেশাৱলী বাস্তৱ ৰূপকৰণ
- ইন্দ্ৰিয় শিক্ষাৰ সুবিধা দান, ইত্যাদি।

৯.৩.৩ শ্ৰৱণ-দৰ্শন আহিলাবোৰ প্ৰয়োগকৰণৰ নিৰ্দেশাত্মক নীতিসমূহ

আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত শ্ৰৱণ-দৰ্শন আহিলাসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, যদিও এনে সঁজুলিসমূহৰ ব্যৱহাৰৰ ফলত লাভ কৰা সফলতা ঘাইকৈ নিৰ্ভৰ কৰে সঁজুলিসমূহৰ প্ৰণালীবদ্ধ প্ৰয়োগৰ ওপৰতহে। এই সঁজুলিসমূহ প্ৰয়োগৰ সময়ত শিক্ষক-

শিক্ষয়িত্ৰীয়ে বিশেষ কিছুমান নীতি মানি চলিলেহে বিষয়বস্তুৰ প্ৰতি শিক্ষাৰ্থীৰ মনোযোগ অধিক সজীৱ আৰু সক্ৰিয় কৰি তুলিব পাৰি। তলত শ্ৰৱণ-দৰ্শন আহিলা ব্যৱহাৰ কৰাৰ কিছুমান নীতি চমুকৈ আলোচনা কৰা হ'ল—

- **শিক্ষকৰ প্ৰশিক্ষণ (Training of teachers) ঃ** শ্ৰেণী কক্ষত শিক্ষাদানৰ বেলিকা শিক্ষকসকল দৃশ্য-শ্ৰব্য আহিলা ব্যৱহাৰত পাকৈত হ'ব লাগিব। শিক্ষকজনে তেওঁ শিকোৱা কোন বিষয়ৰ প্ৰসঙ্গত কেনে আহিলাৰ প্ৰয়োগ কিদৰে কৰিব লাগে তাক ঠিক কৰি ল'ব লাগে। শিক্ষকসকলে নতুন নতুন শ্ৰৱণ-দৰ্শন আহিলাবোৰ শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব লাগে।
- **ছাত্ৰী-ছাত্ৰীৰ বয়সৰ বিবেচনা (Consideration of the age of students) ঃ** শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ বয়স, তেওঁলোকৰ বৌদ্ধিক ক্ষমতা, সামৰ্থও আৰু তেওঁলোকৰ পূৰ্বসঞ্চিত অভিজ্ঞতাৰ প্ৰতি দৃষ্টি ৰাখি শ্ৰৱণ-দৰ্শন আহিলাসমূহ প্ৰয়োগ কৰিব লাগে। সকলোবোৰ শিক্ষণ আহিলা সকলো বিধ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োগৰ সমানে উপযোগী নহয়। শিক্ষকজনে সকলো কথা বিবেচনা কৰিহে শিক্ষণ আহিলাসমূহ প্ৰয়োগ কৰিব লাগে।
- **উপযুক্ত পৰিকল্পনা (Effective planning) ঃ** শ্ৰেণীত শিক্ষা দানৰ আগতে শিক্ষকে আহিলাবোৰ প্ৰয়োগৰ পৰিকল্পনা কৰি ল'ব লাগে। কোন আহিলাৰ প্ৰয়োগ কোনটো ক্ষেত্ৰত বেছি প্ৰাসঙ্গিক আৰু তাক কিমান সময়ৰ বাবে উপস্থাপন কৰিব লাগে তাক সুস্পষ্ট আৰু নিশ্চিত কৰিব লাগে আৰু এই সংক্ৰান্তত শিক্ষকজন একেবাৰে সচেতন হোৱা দৰকাৰ।
- **যুক্তিযুক্ততাৰ প্ৰতি দৃষ্টিদান (To see reasonableness) ঃ** শিক্ষকৰ বাবে আহিলাবোৰ প্ৰয়োগৰ যুক্তিযুক্ততাপ্ৰধান বিষয়। কোনো কোনো ক্ষেত্ৰত আহিলাবোৰ ব্যৱহাৰ নকৰাকৈ শিক্ষকৰ মৌখিক ব্যৱহাৰ যোগে বিষয়বস্তুৰ সফলতাৰে বিশ্লেষণ দাঙি ধৰিব পাৰি। তেওঁ লক্ষ্য কৰিব লাগে যাতে শিক্ষণ আহিলাৰ প্ৰয়োগে তেওঁৰ মৌখিক শিক্ষা ছাত্ৰ-ছাত্ৰীসকলৰ মনত সহজ, সৰল আৰু স্বাভাৱিক কৰি তুলিছে।
- **শিক্ষাদান অনাৱশ্যকভাৱে প্ৰভাৱিত কৰিব নোৱাৰা (Teaching should not be over-powered) ঃ** শিক্ষণ আহিলাবোৰৰ ব্যৱহাৰৰ বেলিকা শিক্ষক এজনে লক্ষ্য কৰা উচিত যাতে ই তেওঁৰ শিক্ষাদান অনাৱশ্যকভাৱে প্ৰভাৱিত কৰি তুলিব নোৱাৰে। শিক্ষণ আহিলাবোৰ হৈছে সহায়ক আহিলাহে মাথোন। ইয়াৰ ব্যৱহাৰে শিক্ষাদান কাৰ্য্যৰ প্ৰধান উদ্দেশ্য তল পেলাব নালাগে।
- **শিক্ষকৰ শ্ৰৱণ-দৰ্শন আহিলাৰ বিষয়ে থকা ব্যৱহাৰিক জ্ঞান (Working knowledge of the teacher) ঃ** শ্ৰৱণ-দৰ্শন আহিলা প্ৰয়োগত শিক্ষক এজনৰ ব্যৱহাৰিক জ্ঞান থকাটো নিতান্তই প্ৰয়োজনীয়। আনকি শ্ৰেণীকোঠাত শিক্ষকজনে শ্ৰৱণ-দৰ্শন আহিলা প্ৰয়োগত সৃষ্টি হোৱা যান্ত্ৰিক বিজুতি সমাধান কৰিব পাৰিব লাগিব।

- **উপযুক্ত ৰক্ষণাবেক্ষণ (Proper maintenance) ঃ** শ্ৰৱণ-দৰ্শন আহিলাবোৰ সময়ত উপযুক্তভাৱে শ্ৰেণী কোঠাত ব্যৱহাৰ কৰাটো নিৰ্ভৰ কৰে সেইবোৰ সাৱধানে সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণ কৰা ব্যৱস্থাৰ ওপৰত। বস্তুবোৰ কাৰ্য্যকৰী অৱস্থাত আছেনে নাই তাক সময়ে সময়ে শিক্ষকজনে পৰীক্ষা কৰা উচিত। যিবিলাক যন্ত্ৰ অকাৰ্য্যকৰী হৈ থাকে সেইবিলাক তৎকালেই মেৰামতিৰ ব্যৱস্থা কৰিব লাগে।
- **শ্ৰৱণ-দৰ্শন আহিলাবোৰ নিৰাপদে ৰখা (Keeping audio-visual aids in safe custody) ঃ** শিক্ষকসকলে শ্ৰৱণ-দৰ্শন আহিলাবোৰ ভালদৰে সংৰক্ষণ কৰি থ'ব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে সহজে ঢুকি নাপায়। ইয়াৰ বাবে এটা সংৰক্ষণাগাৰ থাকিব লাগে আৰু তাৰ বাবে এজন সহায়ক কৰ্মচাৰী নিযুক্ত কৰিব লাগে।
- **শিক্ষকৰ মূল্যায়ন (Teacher-evaluation) ঃ** শিক্ষণৰ বিবিধ আহিলাবোৰ গতানুগতিক ৰূপ প্ৰয়োগ কৰাৰ পৰিৱৰ্তে এই সমূহৰ প্ৰয়োজনীয় মূল্যায়ন তথা সংস্কাৰ সাধনৰ প্ৰচেষ্টা শিক্ষকসকলে কৰিব লাগে। এই সংক্ৰান্তত তেওঁ আৱশ্যকীয় গৱেষণা কৰি নতুন নতুন শ্ৰৱণ-দৰ্শন আহিলাবোৰৰ গুণাগুণ বিচাৰ কৰি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব লাগে।
- **ছাত্ৰৰ দ্বাৰা শিক্ষণ আহিলাৰ প্ৰস্তুতকৰণ (Students preparation of the teaching aids) ঃ** শিক্ষকে কেৱল পূৰ্ব প্ৰস্তুত কৰি ৰখা আহিলাবোৰ শ্ৰেণীকক্ষত প্ৰয়োগ কৰিয়েই ক্ষান্ত থাকিব নালাগে, ছাত্ৰসকলকো কিছুমান শিক্ষণ আহিলা প্ৰস্তুত কৰিবলৈ দিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে কেইটামান দিশ উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলা কেনেকৈ ফলপ্ৰসূ কৰিব পাৰি? (কেৱল 5 টা দিশ উল্লেখ কৰক)

.....

.....

.....



চিন্তা-চৰ্চা কৰক ৯.১

আধুনিক শিক্ষাত শ্ৰৱণ-দৰ্শন আহিলাৰ স্থান আলোচনা কৰক। আপুনি এটা শ্ৰৱণ দৰ্শন আহিলা বিষয়ে বৰ্ণনা কৰক যিটো আপুনি নিজেই তৈয়াৰ কৰিব পাৰে আৰু শ্ৰেণীকোঠাত ব্যৱহৃত কৰিব পাৰে।

.....

.....

.....

৯.৩.৪ শ্ৰৱণ-দৰ্শন আহিলাৰ সীমাবদ্ধতাসমূহ

শ্ৰৱণ-দৰ্শন আহিলাসমূহৰ ইমান সুবিধা থকা সত্ত্বেও ইয়াৰ প্ৰয়োগৰ ক্ষেত্ৰত কিছুমান দুৰ্বলতা আছে। এই সীমাবদ্ধতাসমূহৰ সম্বন্ধে তলত দৃষ্টি নিক্ষেপ কৰা হৈছে।

- শ্ৰৱণ-দৰ্শন আহিলাবোৰ শিক্ষাদানৰ আহিলা বা উপায়হে, কিন্তু শিক্ষাৰ বাবে শেষ বা সৰ্বোচ্চ নহয়।
- এই আহিলাবোৰ সকলো বিষয়ৰ বাবে সমানে উপযোগী নহয়।
- শ্ৰৱণ-দৰ্শন আহিলাসমূহ চিত্ত বিনোদক আহিলা নহয়। ৰঞ্চ ইয়াৰ দ্বাৰা শিক্ষাৰ্থীৰ দেখা-শুনা অনুভূতিৰ বিকাশতহে সহায় কৰে।
- শ্ৰৱণ-দৰ্শন আহিলাসমূহে প্ৰকৃততে শিক্ষকক শিকোৱা কাৰ্য্যত বোজা নকমায়। শিক্ষাৰ্থীৰ জ্ঞান আহৰণতহে সহায় কৰে।
- কেতিয়াবা কেতিয়াবা প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱত এই শ্ৰৱণ-দৰ্শন আহিলা প্ৰয়োগৰ সুফল আশা কৰিব নোৱাৰি।
- শ্ৰৱণ-দৰ্শন আহিলাৰ অপ্ৰয়োজনীয় প্ৰয়োগ বুদ্ধিমান ছাত্ৰৰ মানসিক প্ৰস্তুতিত বিৰূপ প্ৰভাৱ পেলাব পাৰে।
- শ্ৰেণীকোঠাত শিক্ষকে অপৰিকল্পিতভাৱে শ্ৰৱণ-দৰ্শন আহিলা প্ৰয়োগ কৰিলে পাঠদানত বিশৃংখলতাহে দেখা দিব পাৰে।



৯.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- শ্ৰৱণ-দৰ্শন আহিলাবোৰ হৈছে— শিক্ষাদান আৰু গ্ৰহণৰ বাবে সহায়ক আৰু সুবিধাজনক হৈ উঠা আহিলা।
- শ্ৰৱণ-দৰ্শন আহিলাই শিক্ষণীয় বিষয়বস্তুক সহজে হৃদয়ঙ্গম কৰাত সুবিধা প্ৰদান কৰে।
- শ্ৰৱণ-দৰ্শন আহিলা তিনি প্ৰকাৰৰ, যেনে— শ্ৰৱণ আহিলা, দৰ্শন আহিলা, শ্ৰৱণ-দৰ্শন আহিলা।

- আধুনিক শিক্ষাত শ্ৰৱণ-দৰ্শন আহিলাবোৰৰ প্ৰয়োজনীয়তা আৰু তাৎপৰ্য্যসমূহ হ'ল— শিক্ষাদানৰ জটিলতা গুচোৱা, শিক্ষাদানৰ জটিলতা গুচোৱা, বিমূৰ্ত চিন্তা মূৰ্তকৰণ ইত্যাদি।



৯.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] বৰুৱা, যতীন ঃ *শিক্ষা প্ৰযুক্তি বিজ্ঞানৰ অধ্যয়ন*; গুৱাহাটী ঃ অশোক বুক ষ্টল।

ইংৰাজী গ্ৰন্থ ঃ

1) Kochar, S. K. (Reprinted 1975): *Methods and Techniques of Teaching*. New Delhi: Sterling Publishers Pvt. Ltd.



৯.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰৱণ-দৰ্শন আহিলাবোৰ হৈছে— শিক্ষাদান আৰু গ্ৰহণৰ বাবে সহায়ক আৰু সুবিধাজনক হৈ উঠা আহিলা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰৱণ-দৰ্শন আহিলা তিনিপ্ৰকাৰৰ, যেনে— শ্ৰৱণ আহিলা, দৰ্শন আহিলা, শ্ৰৱণ-দৰ্শন আহিলা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক শিক্ষাত শ্ৰৱণ-দৰ্শন আহিলাবোৰৰ প্ৰয়োজনীয়তা আৰু তাৎপৰ্য্যসমূহ হ'ল —শিক্ষাদানৰ জটিলতা গুচোৱা, বিমূৰ্ত চিন্তা মূৰ্তকৰণ, শিক্ষকৰ নিৰ্দেশাৱলী বাস্তৱ ৰূপকৰণ, ইন্দ্ৰিয় শিক্ষাৰ সুবিধা দান, ইত্যাদি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰৱণ-দৰ্শন আহিলা ব্যৱহাৰ কৰাৰ কিছুমান নীতি চমুকৈ আলোচনা কৰা হ'ল— শিক্ষকৰ প্ৰশিক্ষণ,ছাত্ৰী-ছাত্ৰীৰ বয়সৰ বিবেচনা,উপযুক্ত পৰিকল্পনা, যুক্তিযুক্ততাৰ প্ৰতি দৃষ্টিদান।



৯.৭ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শ্ৰৱণ-দৰ্শন সঁজুলি মানে কি বুজে?

প্ৰশ্ন ২ ঃ শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাসমূহৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তা কিয়, বৰ্ণনা কৰক ।

প্ৰশ্ন ৩ ঃ ভাল শিক্ষণত দৃশ্য-শ্ৰাব্য সজুঁলিৰ ব্যৱহাৰৰ প্ৰাংসগিকতাৰ বিষয়ে বৰ্ণনা কৰক ।

খ) ৰচনাধৰ্মী প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শ্ৰৱণ-দৰ্শন সঁজুলিসমূহ কি কি? শিক্ষণত সেইবিলাক কেনেকৈ উপযোগী?

প্ৰশ্ন ২ ঃ শিক্ষণত শ্ৰৱণ-দৰ্শন আহিলাসমূহ কেনেকৈ ফলৱতী কৰিব পাৰি?

প্ৰশ্ন ৩ ঃ আধুনিক শিক্ষাত শ্ৰৱণ-দৰ্শন আহিলাৰ সীমাবদ্ধতাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ যোগাযোগৰ প্ৰাৰম্ভিক ধাৰণা

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য

10.2 পৰিচয়

10.3 যোগাযোগৰ অর্থ আৰু সংজ্ঞা

10.3.1 যোগাযোগৰ অর্থ

10.3.2 যোগাযোগৰ সংজ্ঞা

10.4 যোগাযোগৰ বৈশিষ্ট্যসমূহ

10.5 যোগাযোগৰ উদ্দেশ্য আৰু পৰিসৰ

10.5.1 যোগাযোগৰ উদ্দেশ্য

10.5.2 যোগাযোগৰ পৰিসৰ

10.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

10.7 অধিক জানিবলৈ

10.8 অগ্রগতিৰ খতিয়ান

10.9 আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- যোগাযোগৰ অর্থৰ সংজ্ঞা বুজিবলৈ সমর্থ হ'ব
- যোগাযোগৰ বৈশিষ্ট্যসমূহ, উদ্দেশ্য আৰু পৰিসৰৰ বিৱৰণৰ বিষয়ে অৱগত হ'ব।

১০.২ পৰিচয়

এই অধ্যায়টিয়ে আমাক যোগাযোগৰ মূল ধাৰণাৰ সৈতে পৰিচয় কৰাই দিব।এই অধ্যায়ে যোগাযোগৰ সংজ্ঞা, বৈশিষ্ট্য, উদ্দেশ্য, পৰিসৰ, ধৰণ আদিৰ লগতে যোগাযোগ পদ্ধতিত জড়িত থকা বিভিন্ন উপাদানক সামৰি লৈছে। প্রথমে আমি যোগাযোগৰ ধাৰণাক প্রাধান্য দি আগুৱাই যোৱাটো উচিত হ'ব।

আমি জানো যে সমাজ অবিহনে ব্যক্তি এজন জীয়াই থাকিব নোৱাৰে। সেয়ে, ব্যক্তিসকলক সামাজিক প্রাণী বুলি আখ্যা দিয়া হয়। সমাজৰ সদস্য হিচাপে ব্যক্তিসকলৰ ইজনে আনজনক সহায় কৰে নাইবা ইজনে সিজনৰ ওপৰত নির্ভৰশীল হয়।কিন্তু এইখিনিতে এটা প্রশ্নৰ উদয় হয় যে কেনেকৈ এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ প্রয়োজনীয়তাবোৰ বোধগম্য কৰিব পাৰিব। সমাজত দেখা যায় যে এজন ব্যক্তিয়ে কিছু পদ্ধতিৰদ্বাৰা শুদ্ধভাৱে তেওঁৰ নিজস্ব ভাব, অনুভৱ, ধাৰণা, প্রয়োজনীয়তাবোৰক আন এজন ব্যক্তিলৈ বুজা ধৰণৰে প্রেৰণ কৰে। সামাজিক প্রাণী সেয়ে

আমি সকলোৱে সমাজত প্ৰচলিত দৈনন্দিন কাৰ্য্যকলাপৰ বেছি ভাগ ক্ষেত্ৰত ইজনে সিজনৰ লগত যোগাযোগ ৰখাটো অতি আৱশ্যকীয় হৈ পৰে।

অন্য ব্যক্তিৰ সৈতে সামাজিক আন্তঃক্ৰিয়াৰ ক্ষেত্ৰত আমি সদায়েই যোগাযোগ অব্যাহত ৰাখোঁ। যোগাযোগ এনে এটা পদ্ধতি যাৰদ্বাৰা আমি আমাৰ ভাব, ধাৰণা, আশা আকাংক্ষা নাইবা আৱেগ-অনুভূতিবোৰ আনলৈ প্ৰেৰণ কৰিবলৈ চেষ্টা কৰিব পাৰোঁ। যোগাযোগ হ'ল দুজন ব্যক্তিৰ মাজত বিনিময় হোৱা ধাৰণা, ভাব-অনুভূতিৰ উন্নত পন্থা। প্ৰকৃত অৰ্থত যোগাযোগ হ'ল প্ৰেৰিত আৰু গৃহীত তথ্যসমূহৰ পদ্ধতি। এনেকৈয়ে মানৱৰ উৎৱৰ্তনা (Survival)ৰ বাবে যোগাযোগ হ'ল উপযুক্ত কাৰ্য্যকৰী আহিলা। এই অধ্যায়ৰ মাজেদি আমি ব্যক্তি এজনে কেনে ধৰণে আন এজন ব্যক্তিলৈ নিজৰ ভাব, অনুভৱ, মতামত, বাৰ্তা প্ৰেৰণ কৰিব পাৰে নাইবা যোগাযোগ পদ্ধতিত ব্যৱহৃত কামবোৰ উপাদান হ'ব পাৰে ইত্যাদি বিষয়বোৰ জানিবলৈ পাম।

১০.৩ যোগাযোগৰ অৰ্থ আৰু সংজ্ঞা

যোগাযোগে দুজন বা ততোধিক ব্যক্তিৰ মাজত ধাৰণা, ভাব-অনুভূতিৰ আদান-প্ৰদানৰ উন্নতিৰ এক আহিলা হিচাপে কাম কৰে। দৰাচলতে, মানৱ সমাজ বৰ্তি থকাৰ ক্ষেত্ৰত ই এক আটাইতকৈ উৎকৃষ্ট কাৰ্য্যক্ষম আহিলা। যোগাযোগৰ প্ৰাৰম্ভিক অৰ্থৰ বিষয়ে আৰু উপশাখাসমূহত আলোচনা কৰোঁ আহক।

১০.৩.১ যোগাযোগৰ অৰ্থ

যোগাযোগ হ'ল সাৰ্বজনীন পৰিঘটনা। বিভিন্ন মাধ্যমৰ যোগেদি প্ৰত্যেক মানুহ বা জীৱিত প্ৰাণীয়েই ইজনে সিজনৰ লগত যোগাযোগ অব্যাহত ৰাখে। অৱশ্যে, তেওঁলোকৰ দ্বাৰা প্ৰকাশিত মাধ্যম কথিত (Verbal) আৰু অকথিত (Non-verbal) নতুবা সাঙ্কেতিক (Symbolic) হ'ব পাৰে। মুঠতে বুজাবুজিৰ বিনিময়ক যোগাযোগ বুলি বুজা যায়।

ব্যক্তি স্বভাৱতে সামাজিক প্ৰাণী, কিয়নো সমাজ বাদ দি সমাজৰ পৰা নিলগত তেওঁলোক অকলে বাস কৰিব নোৱাৰে। সেয়ে সমাজত থাকিবলৈ হ'লে তেওঁলোকে যিকোনো মাধ্যমৰ যোগেদি তেওঁলোকৰ মনৰ ভাব, অনুভৱ, মতামত ধাৰণা ইত্যাদিবোৰ অন্য ব্যক্তিৰ সৈতে বিনিময় (Exchange)নাইবা আন ব্যক্তিলৈ প্ৰেৰণ (Transmitting) কৰিব পাৰিব লাগিব। যেতিয়া দুজন বা ততোধিক ব্যক্তিৰ মাজত সংঘটিত অভিজ্ঞতা, সংবাদ, ধাৰণাবোৰ বিনিময় বা অংশীদাৰ ৰূপে ব্যৱহৃত হয়, তেতিয়াই দুয়োজন ব্যক্তিৰ ক্ষেত্ৰত যোগযোগ পৰিস্ফুট হয়। সেয়ে যোগাযোগ হ'ল এনে এটা পদ্ধতি য'ত প্ৰেৰক (Sender) আৰু গ্ৰাহকে (Receiver) কথা-বতৰা লিখা বা অঙ্গীভঙ্গীৰ মাজেদি তেওঁলোকৰ ঘটনা, ধাৰণা, মতামত, ভাব, অনুভৱ, সংবাদ আদি প্ৰকাশ কৰে।

'যোগাযোগ' শব্দটো লেটিন শব্দ 'কমুনিছ' (Communis) শব্দৰ পৰা উৎপত্তি

হৈছে যাৰ অর্থ হ'ল উমৈহতীয়া, মিল থকা বা সাধাৰণ (Common)। অর্থাৎ দুজন বা ততোধিক ব্যক্তিৰ মাজত মিল থকা কথা বতৰা, ভাব-ভঙ্গীৰ আদান প্রদান বা বিনিময় কার্য্যক বুজায়। কিছুমান পণ্ডিতে আকৌ যোগাযোগ শব্দটো অন্য এটা লেটিন শব্দ কমুনিকেয়াৰ (Communicare)ৰ পৰা উদ্ভৱ হোৱা বুলি দাবী কৰে যাৰ অর্থ হ'ল যোগাযোগৰ যোগেদি দুজন ব্যক্তি বা একোটা দলৰ প্রত্যেকজনেই নিজৰ ধ্যান ধাৰণা বা মতবোৰ পৰস্পৰৰ লগত বিনিময় কৰিব পাৰে। এইদৰে তেওঁলোকে নিজস্ব প্রয়োজনীয়তাসমূহ পুৰণ কৰি ল'ব পাৰে।

এজন প্রেৰকে গ্রাহকক বুজিব পৰা ভাব-ভঙ্গীত প্রকাশ কৰা সংবাদ মাধ্যমেই হ'ল যোগাযোগ। যোগাযোগ পদ্ধতিৰ জৰিয়তে গ্রাহক আৰু প্রেৰকৰ মাজত উমৈহতীয়া ভাবৰ আদান প্রদান হয়। কার্য্যকৰী যোগাযোগৰ দ্বাৰা বুজাবুজি পর্য্যায়লৈ আগবঢ়াই লৈ যায়। উদাহৰণ স্বৰূপে, শ্রেণীকোঠাত শিক্ষক আৰু ছাত্রৰ মাজত জ্ঞান বা সংবাদৰ বিনিময় ঘটোৱাৰ লগতে দুয়োজনৰ মাজত আন্তঃক্রিয়াও (Interaction) সংঘটিত হয়। গতিকে দেখা যায়, বাঞ্ছিত আচৰণমূলক পদ্ধতি লাভ কৰিবলৈ হ'লে দল বা ব্যক্তিৰ মাজত যোগাযোগ হোৱাটো অতি প্রয়োজনীয়। মুঠতে, দল নাইবা ব্যক্তিৰ সকলো কার্য্যৰেই দক্ষতাৰ বাবে আৰু দলীয় কার্য্যবোৰৰ মাজত কার্য্যক্ষম সমপদস্থতাৰ (Coordination) বাবে যোগাযোগ হোৱাটো অতি প্রয়োজনীয়।

১০.৩.২ যোগাযোগৰ সংজ্ঞা

যোগাযোগৰ ধাৰণা স্পষ্টকৈ কৰিবলৈ হ'লে আমি বিভিন্ন সময়ত বিভিন্ন শিক্ষাবিদে যোগাযোগৰ ওপৰত আগবঢ়োৱা বিভিন্ন সংজ্ঞাসমূহ যুকিয়াই চাব লাগিব।

- শিক্ষাৰ আন্তর্জাতিক অভিধানৰ মতে (International Dictionary of Education), "যোগাযোগ হ'ল মানুহৰ মাজত সংঘটিত এক ধৰণৰ আদান-প্রদান যিটো ভাষাৰ দ্বাৰা প্রকাশ হ'ব পাৰে নাইবা অকথিত হৈও প্রকাশিত হ'ব পাৰে। অৱশ্যে দৃষ্টিভঙ্গী প্রণোদন, জ্ঞান আদিৰ বাবে বিভিন্ন ধৰণৰ হ'ব পাৰে।"
- **এৰিষ্টটল** (Aristotle)ৰ মতে, "যোগাযোগ হ'ল আনক প্রভাৱিত কৰিব পৰা এক ধৰণৰ প্রৰোচনা যাৰ দ্বাৰা বাঞ্ছিত ফল লাভ কৰিব পাৰি।"
- **এন্দাৰছন** (Anderson)ৰ মতে, "যোগাযোগ হ'ল গতিশীল পদ্ধতি য'ত ব্যক্তি সজাগ নাইবা অসজাগভাৱে কোনো চিহ্নিত পন্থা, মাধ্যম নাইবা জড়তাৰ মাজেদি আনৰ সংজ্ঞানত (Cognition) ক্রিয়া কৰে।"
- **শ্রাম** (Schramm)ৰ সংজ্ঞা অনুযায়ী, "যোগাযোগ হ'ল সংবাদ চিহ্নৰ উদ্যোগ লোৱা আৰু অংশীদাৰ হোৱাক বুজায় অৱশ্যে সংবাদসমূহে শ্রেণী কোঠাত লাভ কৰা শিক্ষাৰ খবৰ বা ঘটনাসমূহকে নুবুজায়। ই সকলো বিষয়বস্তুকে সামৰি লয় যিবোৰ কোনো অৱস্থাৰ পর্য্যাক্রমিক সম্ভাৱনীয়তাৰ সংখ্যা নাইবা অনিশ্চয়তা

কমাই দিয়ে।"

- **জন ডিউ** (Jhon Dewey)ৰ মতে, "যোগাযোগক অংশীদাৰ হোৱাৰ অভিজ্ঞতাৰ পদ্ধতি বুলি ধৰা হয় যেতিয়ালৈকে ই এক সাধাৰণ সম্পত্তি হৈ থাকে। ই অংশগ্ৰহণ কৰা দুয়োপক্ষৰ দলবোৰৰ শৃংখলাবোৰৰ সংশাধন কৰে।"
- **হাৰ্টমেন** (Hartman)ৰ দৃষ্টিভঙ্গীত "যোগাযোগ হ'ল ধনাত্মক আৰু শক্তিশালী উদ্দীপনৰ মাজেদি অহা আচৰণৰ নিয়ন্ত্রণ।"
- **জেৰাল্ড মিলাৰ** (Gerald Miller)ৰমতে, "যোগাযোগৰ আচৰণগত অৱস্থাতএক মুখ্য আগ্রহ আছে য'ত এটা উৎসই উৎকৃষ্ট আচৰণত ক্রিয়া কৰিবলৈ গ্রাহকলৈ সজাগতা অভিপ্রায়ৰ সৈতে খবৰলৈ প্রেৰিত হয়।"
- **ডি. বাৰল** (D. Berl)ৰ দৃষ্টিভঙ্গীমতে, "উমৈহতীয়া উপকাৰৰ বাবে সাধাৰণ বুজাবুজিৰ উপস্থিত হ'বলৈ যোগাযোগকাৰী আৰু গ্রাহকৰ মাজত ধ্যান-ধাৰণাৰ আন্তঃক্রিয়াৰ এক পদ্ধতিয়েই হ'ল যোগাযোগ।"

যোগাযোগৰ বিষয়ে বিভিন্ন শিক্ষাবিদে আগবঢ়োৱা বিভিন্ন সংজ্ঞাসমূহ পর্য্যালোচনা কৰি গম পোৱা গ'ল যে যোগাযোগে সদায় দুজন ব্যক্তিৰ মাজত সম্পর্ক স্থাপন কৰে য'ত ইজনে আনজনক প্রভাৱিত কৰে। গতিকে যোগাযোগ এনে এবিধ পদ্ধতি য'ত আমি আমাৰ ভাব, অনুভৱ, আশা-আকাংক্ষা, আৱেগ-অনুভূতিবোৰ আনলৈ প্রেৰণ কৰিব পাৰি। সেয়েহে ক'ব পৰা যায় যে যোগাযোগ দ্বি-পক্ষীয় পদ্ধতি (Two way process) য'ত ভাব অনুভূতি, ধ্যান-ধাৰণাৰ আদান-প্রদান বা বিনিময় হয়।



জানি থোৱা ভাল

- যোগাযোগ এনে এটা পদ্ধতি যাৰদ্বাৰা আমি ভাব-অনুভৱ, ধ্যান-ধাৰণা, আশা-আকাংক্ষা, আৱেগ-অনুভূতি আন এজনলৈ প্রদান কৰিব পৰা যায়।
- 'যোগাযোগ' শব্দটো লেটিন শব্দ কমিনুছৰ পৰা অনা হৈছে যাৰ অর্থ উমৈহতীয়া মিল থকা।
- অন্য কিছুমানৰ মতে, যোগাযোগ শব্দটো অন্য এক লেটিন শব্দ 'কমুনিকেয়াৰ'ৰ পৰা উদ্ভৱ হৈছে যাৰ অর্থ ভাগ কৰা।
- এৰিষ্টটলৰ মতে, যোগাযোগ হ'ল আন এজন ব্যক্তিক প্রভাৱিত কৰিবলৈ অভিপ্রায়ৰ এটা উপায় যাতে বাঞ্ছিত ফল লাভ কৰিব পৰা যায়।



অগগ্ৰতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ যোগাযোগ বুলিলে কি বুজে ?

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ যোগাযোগ শব্দটো ক'ৰ পৰা উদ্ভৱ হৈছে?

.....

.....

প্ৰশ্ন নং ৩ ঃ জন ডিউৰ মতে যোগাযোগৰ সংজ্ঞাটো উল্লেখ কৰক ?

.....

.....

.....



চিন্তা-চৰ্চা কৰক ১০.১

আপোনাৰ মতে, যোগাযোগ প্ৰক্ৰিয়াত কোনখিনি উপাদানে মুখ্যভাৱে প্ৰভাৱ পেলায় ? উদাহৰণৰ সৈতে ব্যাখ্যা কৰক।

.....

.....

.....

১০.৪ যোগাযোগৰ বৈশিষ্ট্যসমূহ

যোগাযোগৰ বিভিন্ন সংজ্ঞা আৰু তাৰ অৰ্থসমূহ পৰ্য্যালোচনা কৰাৰ পিছত, আমি তলত উল্লেখ কৰা কিছুমান বৈশিষ্ট্য লক্ষ্য কৰিছোঁহক। সেইবোৰ হ'ল—

- যোগাযোগ হ'ল দ্বিপক্ষীয় পদ্ধতি য'ত প্ৰেৰক (Sender) জনে কিছুমান মাধ্যমৰ মাজেদি গ্ৰাহকলৈ (Receiver) তথ্যসমূহ প্ৰেৰণ কৰে।
- যোগাযোগ হ'ল সামাজিক আন্তঃক্ৰিয়াৰ এক গঠন।
- ই এবিধ গতিশীল পদ্ধতি।
- যোগাযোগ হ'ল এনে এটা পদ্ধতি য'ত ব্যক্তিয়ে সজাগভাৱে নাইবা অসজাগভাৱে আন এজনৰ সংজ্ঞানত ক্ৰিয়া কৰে।
- যোগাযোগৰ দ্বাৰা ব্যক্তিসকলৰ আচৰণ সংশোধিত হ'ব পাৰে।
- যোগাযোগ কথিত, অকথিত নাইবা সাঙ্কেতিক হ'ব পাৰে।

- যোগাযোগ ব্যৱস্থা পদ্ধতিত কিছুমান উপাদান জড়িত হৈ থাকে। মুখ্য উপাদানবোৰ হ'ল— উৎস, গ্ৰাহক, সংবাদ, পুনঃপুষ্ট মাধ্যম (Channel) উপস্থাপন ইত্যাদি।
- যোগাযোগ ব্যৱস্থাত সংবাদ আৰু ধ্যান ধাৰণাবোৰ আদান-প্ৰদান আৰু ভাগ বতৰা হয়।

১০.৫ যোগাযোগৰ উদ্দেশ্য আৰু পৰিসৰ

যোগাযোগৰ উদ্দেশ্য আৰু পৰিসৰৰ বিষয়ে তলৰ ভাগসমূহত আলোচনা কৰোঁ আহঁক।

১০.৫.১ যোগাযোগৰ উদ্দেশ্য

যোগাযোগৰ উদ্দেশ্য বুলিলে যোগাযোগ ব্যৱস্থাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহক বুজায়। সাধাৰণতে যোগাযোগৰ লক্ষ্য বা উদ্দেশ্যসমূহক তিনিটা বহল ভাগত ভগাব পাৰি। যেনে— (ক) ব্যাখ্যা (Exposition), (খ) অভিপ্ৰায় (Persuation), (গ) সুবিধা (Facilitation)।

ক) **ব্যাখ্যা ঃ** যোগাযোগৰ মুখ্য উদ্দেশ্য হ'ল ব্যাখ্যা। যিটো মানুহৰ আচৰণৰ জ্ঞান নাইবা সংজ্ঞানাত্মক ক্ষেত্ৰ (Cognitive Domain)ৰ সৈতে জড়িত হৈ আছে। এই উদ্দেশ্যৰ মাজেদি গ্ৰাহকৰ জ্ঞানৰ দিশ বৰ্দ্ধিত কৰণৰ উদ্দেশ্যে সংবাদবোৰ উপস্থাপন হয়।

খ) **অভিপ্ৰায়ঃ** এইটো এনে এটা উদ্দেশ্য যিয়েই শিকাৰুৰ দৃষ্টিভঙ্গীত ক্ৰিয়াবোৰ কৰে। মানুহৰ আবেগ, অনুভূতি, দৃষ্টিভঙ্গীৰ বৰ্দ্ধনৰ ইয়াৰ সৈতে সম্পৰ্ক আছে। ব্যক্তিৰ আচৰণৰ উপলব্ধিৰ ক্ষেত্ৰৰ সৈতে ইয়াৰ প্ৰত্যক্ষ যোগাযোগ আছে।

গ) **সুবিধা ঃ** এইবিধ ভাগৰহে মানুহৰ আচৰণৰ মনোসঞ্চালক ক্ষেত্ৰৰ সৈতে সম্পৰ্ক আছে। কিছুমান উদ্দেশ্যৰ সৈতে জড়িত হৈ থাকে যিবোৰ উদ্দেশ্যই শাৰীৰিক কৌশল নাইবা সঞ্চালক নৈপুণ্যৰ উন্নতিৰ সামৰি লয়, যেনে— জোখ-মাখ, লেখচিত্ৰ আঁকা, অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ ইত্যাদি।

১১.৫.২ যোগাযোগৰ পৰিসৰ

যোগাযোগৰ পৰিসৰ বুলিলে যোগাযোগ পদ্ধতিৰ দিশসমূহক বুজায়। যোগাযোগৰ পৰিসৰ কথিত আৰু অকথিত দুটা ভাগতে নিৰ্ধাৰণ কৰিব পাৰি। ই বিভিন্ন ক্ষেত্ৰ বিজ্ঞাপন, উদ্যোগ আদিকো অন্তৰ্ভুক্ত কৰে। গৱেষণা-পত্ৰৰ ফলাফল অনুযায়ী ব্যক্তিৰ যোগাযোগৰ পৰিসৰে শাৰীৰিক ভাষা, উচ্চাৰণৰ সুৰ আৰু শব্দ আদিক অন্তৰ্ভুক্ত কৰে।

গবেষণাত পোৱা গৈছে যে এজন পূৰ্ণ বয়স্ক ব্যক্তিয়ে গড় হিচাপত 55 শতাংশ সময় তেওঁ শাৰীৰিক ভাষা, যেনে— অঙ্গী-ভঙ্গী, উঠা-বহা, চকুৰ সংস্পৰ্শ (Gesture Posture, Eye Contact) আদিত, 38 শতাংশ সময় ই শব্দৰ উচ্চাৰণত আৰু বাকী 7 শতাংশ সময় ই যোগাযোগ পদ্ধতিত ব্যৱহৃত বিষয়বস্তু নাইবা শব্দবোৰত অতিবাহিত কৰে। অৱশ্যে, শ্ৰোতা আৰু বক্তাৰ বিভিন্নতাৰ ওপৰত এই প্ৰভাৱিত শতকৰাসমূহ নিৰ্ভৰ কৰে। সামগ্ৰিকভাৱে, যিহেতু যোগাযোগ পদ্ধতিত একে লক্ষ্যত উপনীত হোৱাৰ

বাবে যত্ন বা চেষ্টা কৰে গতিকে কিছুক্ষেত্ৰত ইয়াক সাৰ্বজনীন বুলি ক'ব পৰা যায়। শব্দৰ উচ্চাৰণ, স্বৰভঙ্গী, অঙ্গী-ভঙ্গী নাইবা লিখিত প্ৰতীক আদিৰ দ্বাৰা ভাব-অনুভুতিবোৰৰ লগত যোগাযোগ স্থাপন কৰিব পৰা যায়।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে ব্যক্তিয়ে বেছিভাগ সময়েই অকথিত যোগাযোগ, যেনে— অঙ্গী-ভঙ্গী, মুখাবয়ৰ ভাব-ভঙ্গী, শাৰীৰিক অঙ্গৰ সঞ্চালন আদিত অতিবাহিত কৰে। অন্যহাতে, ঘড়ীৰ সময় অনুযায়ী 10–11 ঘণ্টাত মানুহে কথিত যোগাযোগত অতিবাহিত কৰা দেখা যায়।

উদ্যোগ, বিজ্ঞাপন, পৰিচালনা আদি বিভিন্ন শিতানত যোগাযোগৰ পৰিসৰ ব্যাপ্ত হৈ আছে। সমসাময়িক পৃথিৱীখনত শিক্ষা পদ্ধতিত শিক্ষকে ছাত্ৰৰ সৈতে যোগাযোগ স্থাপনত অপাৰগ হয় যেতিয়া তেওঁ যোগাযোগ ক্ষেত্ৰত আধুনিক সা-সঁজুলি— টেপ-ৰেকৰ্ডাৰ, প্ৰজেক্ট, এল-চি-ডি, ভিডিঅ' বাৰ্তালাপ, কম্পিউটাৰ আদিৰ প্ৰয়োগ কৰিব নোখোজে। মনত ৰখা উচিত যে যোগাযোগৰ পৰিসৰ কেৱল মাত্ৰ শ্ৰেণীকোঠাৰ শিক্ষণ পদ্ধতিতে আবদ্ধ হৈ নাথাকে।



অগগ্ৰতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ যোগাযোগৰ তিনিটা বৈশিষ্ট্য লিখক ?

.....

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ যোগাযোগৰ উদ্দেশ্য বুলিলে কি বুজে ? ইয়াৰ ভাগ কেইটা লিখক।

.....

.....

.....

.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যোগাযোগ এনে এটা পদ্ধতি যাৰ দ্বাৰা আমি আনলৈ আমাৰ ভাব ধাৰণা, ইচ্ছা-অনিচ্ছা, আশা-আকংক্ষাবোৰ প্ৰেৰণ কৰিব পাৰোঁ।
- সকলো সজীৱ প্ৰাণীয়েই বিভিন্ন মাধ্যমৰ মাজেদি ইজনে সিজনৰ লগত যোগাযোগ অব্যাহত ৰাখে। অৱশ্যে এই মাধ্যম কথিত, অকথিত নাইবা সাঙ্কেতিক হ'ব পাৰে।
- দুজন বা ততোধিক ব্যক্তিৰ মাজত বুজাবুজিৰ আদান-প্ৰদান সঠিকভাৱে হ'লে যোগাযোগ

হোৱা বুজায়। ব্যক্তিসকল যিহেতু সামাজিক প্ৰাণী, সেয়ে তেওঁলোকে ইজনে সিজনৰ লগত ভাব অনুভব ধ্যান ধাৰণা আদি বিনিময় বা আদান প্ৰদান কৰিব বিচাৰে।

- দুটা লেটিন শব্দ 'কমুনিছ' আৰু 'কমুনিকেয়াৰ'ৰ পৰা কমুনিকেশ্বন বা যোগাযোগ শব্দৰ উদ্ভৱ হৈছে যাৰ অৰ্থ হ'ল সাধাৰণ, মিল থকা আৰু অংশ লোৱা। যোগাযোগৰ মূল অৰ্থ হ'ল, প্ৰেৰকে গ্ৰাহকলৈ বুজাব পৰা ধৰণৰ সংবাদৰ আদান প্ৰদান কৰা।
- বিভিন্ন শিক্ষাবিদ আৰু লেখকে দিয়া বিভিন্ন সংজ্ঞাসমূহৰ দ্বাৰা যোগাযোগৰ ওপৰত এটা স্পষ্ট সংজ্ঞাৰ ধাৰণা ল'ব পাৰি। যদিও এটা ফলপ্ৰসূ যোগাযোগ ব্যৱস্থাই অসংখ্য বৈশিষ্ট্যক সামৰি লয়, তথাপি আমি ক'ব পাৰো যে যোগাযোগৰ মাধ্যম আৰু যোগাযোগ প্ৰক্ৰিয়াত অংশ লোৱা প্ৰেৰকৰ সমৰ্থতাই অধিক পৰিমাণে অংশীদাৰী গ্ৰাহকৰ আচৰণত সংশোধন আনিব পাৰে।
- যোগাযোগৰ উদ্দেশ্য আৰু লক্ষ্যসমূহক বহুলভাৱে তিনি ভাগত ভাগ কৰিব পৰা যায়। সেইবোৰ হ'ল— ব্যাখ্যা, অভিপ্ৰায় আৰু সুবিধা। ব্যাখ্যা ব্যক্তিৰ আচৰণৰ প্ৰজ্ঞানাত্মক বা জ্ঞানাত্মক ক্ষেত্ৰৰ লগত জড়িত হৈ থাকে। অভিপ্ৰায়ৰ দ্বাৰা শিকাৰুৰ দৃষ্টিভঙ্গীত প্ৰভাৱিত হয় আৰু সুবিধাৰ দ্বাৰা ব্যক্তিৰ মনোস্তাত্তিক ক্ৰিয়া প্ৰভাৱিত হোৱা দেখা যায়।
- যোগাযোগৰ পৰিসৰে যোগাযোগ পদ্ধতিৰ সকলো দিশকে সামৰি লয়। কথিত নাইবা অকথিত হ'ব পাৰে যদিও ই বিভিন্ন ক্ষেত্ৰ, যেনে— বিজ্ঞাপন, উদ্যোগ, বৰ্দ্ধিত কাৰ্য্যসূচী আদিকো সামৰি লোৱা দেখা যায়।



১০.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Broadbent, D. E. (1958). *Perception and Communication.* New York: Pergamon Press.
2) Das, B. C. (1998). *Educational Technology.* New Delhi: Kalyani Publishers.
3) Mangal, S. K. (2001 Revised 2nd Edn.). *Foundations of Educational Technology.* Ludhiana: Tandon Publications.



১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগ হ'ল দুজন বা ততোধিক ব্যক্তিৰ মাজত হোৱা ভাব-অনুভৱ, ধ্যান ধাৰণা, আৱেগ-অনুভূতি ইত্যাদিবোৰৰ আদান প্ৰদান বা বিনিময় পদ্ধতি। সঁচা অৰ্থত, যোগাযোগ হ'ল সংবাদ প্ৰেৰণ আৰু গ্ৰহণ কৰা এক ধৰণৰ পদ্ধতি। সকলো

সজীৱ জীৱই বিভিন্ন মাধ্যমৰ যোগেদি ইজনে সিজনৰ সৈতে যোগাযোগ অক্ষুণ্ণ ৰাখে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগ শব্দটি লেটিন দুটা শব্দ 'কমুনিছ' আৰু 'কমুনিকেয়াৰ'ৰ পৰা লোৱা হৈছে যাৰ অৰ্থ হ'ল সাধাৰণ মিল থকা আৰু অংশ গ্ৰহণ কৰা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জন ডিউৱৰ মতে, "যোগাযোগ হ'ল এনে এটা পদ্ধতি বা ব্যৱস্থা যাৰ দ্বাৰা অভিজ্ঞতা সমূহৰ ভাৱ বিনিময় কৰা হয়, তেতিয়ালৈকে যেতিয়ালৈকে এই ভাৱনাবোৰ এক উমৈহতীয়া চিন্তাত পৰিণত নহয়। ই অংশগ্ৰহণ কৰা দুই পক্ষৰ শৃংখলাবোৰ সংশোধন কৰে।"

৪ নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগৰ তিনিটা বৈশিষ্ট্য হ'ল—

ক) ই এবিধ সামাজিক আন্তঃক্ৰিয়া

খ) যোগাযোগ হ'ল দ্বিপক্ষীয় পদ্ধতি য'ত এজনে সংবাদ পঠায় আৰু আনজনে সেই সংবাদ গ্ৰহণ কৰে।

গ) যোগাযোগ ব্যৱস্থাই যোগাযোগ জড়িত হৈ থকা ব্যক্তিসমূহৰ আচৰণসমূহ সংশোধন কৰিব পাৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগৰ উদ্দেশ্য বুলিলে যোগাযোগৰ লক্ষ্যসমূহক বুজায়। যোগাযোগৰ উদ্দেশ্যসমূহক বহলভাৱে তিনি ভাগত ভগাব পৰা যায়। সেইবোৰ হ'ল— ব্যাখ্যা, অভিপ্ৰায় আৰু সুবিধাসমূহ। যোগাযোগৰ পৰিসৰে যোগাযোগৰ পদ্ধতিসমূহক সামৰি লয়। যোগাযোগ কথিত বা অকথিতও হ'ব পাৰে।



১০.৯ আৰ্হিপ্ৰশ্ন

ক) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ যোগাযোগৰ সংজ্ঞা আপোনাৰ ভাষাত লিখক।

প্ৰশ্ন ২ ঃ যোগাযোগৰ বৈশিষ্ট্যৰ বিষয়ে বৰ্ণনা কৰক ।

প্ৰশ্ন ৩ ঃ যোগাযোগৰ উদ্দেশ্যসমূহ কি কি ?

প্ৰশ্ন ৪ ঃ যোগাযোগৰ পৰিসৰসমূহ কি কি ?

খ) ৰচনাধৰ্মী প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিক্ষণ আৰু শিকন পদ্ধতিৰ যোগাযোগ প্ৰক্ৰিয়াৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াৰ যোগাযোগৰ লক্ষ্য আৰু পৰিসৰৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ১১ ঃ যোগাযোগ আৰু শিক্ষণ

অধ্যায় গাঁথনি

11.1 উদ্দেশ্য
11.2 পৰিচয়
11.3 যোগাযোগৰ প্ৰকাৰ
11.4 যোগাযোগ পদ্ধতিৰ উপাদানসমূহ
11.5 কার্য্যকৰী বা ফলপ্ৰসূ যোগাযোগৰ ক্ষেত্ৰত উৎপত্তি হোৱা বাধাসমূহ
11.6 শ্ৰেণীকোঠাৰ উন্নতমানৰ যোগাযোগ ব্যৱস্থা
11.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
11.8 অধিক জানিবলৈ
11.9 অগ্ৰগতিৰ খতিয়ান
11.10 আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যোগাযোগৰ প্ৰকাৰসমূহৰ চিনাক্তকৰণ কৰিব পাৰিব
- শিক্ষাদান আৰু শিক্ষণ পদ্ধতিত ব্যৱহৃত আহিলাসমূহৰ বা উপাদানসমূহৰ বিষয়ে জানিব পাৰিব
- শ্ৰেণীকোঠাৰ ফলপ্ৰসূ যোগাযোগত উৎপত্তি হোৱা বাধাসমূহৰ বিভিন্ন কাৰকৰ বিৱৰণৰ বিষয়ে জানিব পাৰিব।

১১.২ পৰিচয়

অধ্যায় 10ত, আমি যোগাযোগৰ প্ৰাৰম্ভিক ধাৰণা, দৈনন্দিন জীৱনত যোগাযোগৰ প্ৰয়োজনীয়তা, ইয়াৰ লক্ষ্য আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰিলোঁ । যোগাযোগৰ মূল ধাৰণাৰ সৈতে পৰিচয় হোৱাৰ উপৰিও যোগাযোগৰ আন কিছুমান বিষয়, যেনে— যোগাযোগৰ প্ৰকাৰ, যোগাযোগ পদ্ধতিত জড়িত থকা বিভিন্ন উপাদান ইত্যাদি জনাটো প্ৰয়োজনীয়। এই অধ্যায়ৰ মাজেদি আমি যোগাযোগ প্ৰক্ৰিয়াত ব্যৱহৃত বিভিন্ন প্ৰকাৰ, উপাদান, ফলপ্ৰসূ যোগাযোগত থকা বাধাসমূহ, শ্ৰেণীকোঠাৰ উন্নতমানৰ যোগাযোগ ব্যৱস্থা আদিৰ বিষয়ে আলোচনা কৰিম।

১১.৩ যোগাযোগৰ প্ৰকাৰ

বিভিন্ন ধৰণে বিভিন্ন শিক্ষাবিদে যোগাযোগ ব্যৱস্থাক শ্ৰেণীবিভাজন কৰি দেখুৱাইছে। ভাষাগত দিশৰ পৰা যোগাযোগ ব্যৱস্থা দুই ধৰণৰ হ'ব পাৰে— কথিত আৰু অকথিত।

ক) কথিত যোগাযোগ ঃ শব্দৰ সহায়ত কথিত যোগাযোগৰ সৃষ্টি হয়। এই শব্দ হয়তো


কথিত নাইবা লিখিতও হ'ব পাৰে। কথিত শব্দৰ দ্বাৰা হোৱা যোগাযোগ ব্যৱস্থাক মৌখিক যোগাযোগ বোলা হয়। উদাহৰণ স্বৰূপে, সভা-সমিতি, বক্তৃতা, দলীয় আলোচনা, দূৰভাষাৰ কথোপকথন, দূৰবার্তাৰ সংবাদ-পত্র ইত্যাদিবোৰক মৌখিক যোগাযোগৰ অন্তর্গত। আনহাতে, লিখিত যোগাযোগ ব্যৱস্থাত সংবাদ বা বার্তাবোৰ চিঠি প্রতিবেদন, বাতৰিকাকত, চার্কুলাৰ, আবেদন আদিত শব্দৰ মাজেদি আদান-প্রদান হয়।

খ) **অকথিত যোগাযোগ ঃ** শব্দৰ ব্যৱহাৰ নকৰাকৈ যি যোগাযোগৰ সৃষ্টি হয় তাকেই অকথিত যোগাযোগ বোলা হয়। অকথিত যোগাযোগ সদায়েই অঙ্গী-ভঙ্গীদায়ক সম্বন্ধীয় বা শ্রুতি সম্বন্ধীয় হয়। মাজে সময়ে কিছুমান, ছবি, প্রতীক, লেখচিত্র, আর্হি আদিবোৰক প্রত্যক্ষ কৰিলে দেখা যায় যে এইবোৰে দর্শক এক ধৰণৰ বার্তা বহন কৰি থাকে। অৱশ্যে দৃষ্টি সম্বন্ধীয় যোগাযোগৰ বিভিন্ন গঠন দেখা যায়। উদাহৰণ স্বৰূপে, শ্রেণীকোঠাত শিক্ষকে ব্যৱহাৰ কৰা যান-বাহনৰ প্রতীক, চার্টবোৰ ফটোগ্রাফবোৰ ইত্যাদি।

গ) **শ্রুতি সম্বন্ধীয় যোগাযোগ ঃ** যোগাযোগ ব্যৱস্থাত শব্দ বা স্বৰৰ (Sound)ৰ ব্যৱহাৰ হ'লে তাক শ্রুতি সম্বন্ধীয় (Aural) যোগাযোগ বোলা যায়। সুহুৰি, পেঁপা, টিলিঙা আদিৰ সহায়ত আমাৰ সংবাদবোৰৰ যোগাযোগ কৰা হয়। উদাহৰণ স্বৰূপে, বিদ্যালয়বোৰত শিক্ষকসকলক টিলিঙাৰ (Bell) ব্যৱহাৰৰ দ্বাৰা প্রতিটো শ্রেণীৰ অন্ত পৰা কথাটো বা শ্রেণী আৰম্ভণি হোৱাটো বুজাই দিয়া হয়। কাৰখানা বা উদ্যোগত ব্যৱহৃত হোৱা সঙ্কেতধ্বনি (Siren) ব্যৱস্থাটোও এই শ্রুতি সম্বন্ধীয় যোগাযোগৰ ভিতৰত পৰে।

ঘ) **অঙ্গী-ভঙ্গীদায়ক যোগাযোগ ঃ** আনহতে, আমাৰ শৰীৰৰ বিভিন্ন অঙ্গ-প্রত্যঙ্গৰ দ্বাৰা প্রকাশিত যোগাযোগক অঙ্গী-ভঙ্গী (Gestural) যোগাযোগ বোলে। উদাহৰণ স্বৰূপে, হেণ্ডচেক্ কৰা, মূৰ দুপিয়াই সন্মতি জনোৱা, শ্রেণীত শিক্ষক সোমালে ছাত্রই থিয় হৈ সম্ভাষণ জনোৱা, জাতীয় পতাকাৰ তলত থিয় হৈ সন্মান জনোৱা ইত্যাদি কার্য্যবোৰ এই যোগাযোগৰ ভিতৰত পৰে।

যোগাযোগৰ শ্রেণীবিভাজনটো তলত দিয়া আর্হিমতে দেখুৱাব পৰা যায়।



অৱশ্যে কিছুমান শিক্ষাবিদে অন্য ধৰণেও যোগাযোগৰ শ্রেণীবিভাজন কৰা দেখা গৈছে। তেওঁলোকৰএই বিভাজনটো যোগাযোগত জড়িত হৈ থকা ব্যক্তিৰ সংখ্যাৰ ওপৰত নির্ভৰ কৰে। তেওঁলোকৰ বিভাজন প্রক্রিয়াটো এনে ধৰণৰ—

ক) **অন্তঃমুখী ব্যক্তিগত যোগাযোগ** (Intra Personal Communication)

খ) **আন্তঃব্যক্তিগত যোগাযোগ** (Inter Personal Communication)

গ) **দলীয় যোগযোগ** (Group Communication)


ঘ) **গণমাধ্যম যোগাযোগ** (Mass Communication)

ক) **অন্তঃমুখী ব্যক্তিগত যোগাযোগ ঃ** এই যোগাযোগ ব্যৱস্থাত ব্যক্তিগৰাকীয়ে নিজস্ব পৃথিৱীতে বিচৰণ কৰি থাকে অর্থাৎ নিজৰ ভিতৰতে যোগাযোগ কার্য্য সম্পন্ন কৰি যায়। নিজৰ সমস্যা সমাধানত মনোনিৱেশ কৰা, ডায়েৰী লিখা, চিন্তা কৰি থকা আদিবোৰ সম্পূর্ণ অন্তঃমুখী ব্যক্তিগত যোগাযোগ ব্যৱস্থা।

খ) **আন্তঃব্যক্তিগত যোগাযোগ ঃ** দুজন ব্যক্তিৰ মাজত যেতিয়া মুখামুখিকৈ যোগাযোগ ব্যৱস্থা অব্যাহত হৈ থাকে, তেনে ধৰণৰ যোগাযোগক আন্তঃব্যক্তিগত যোগাযোগ বোলা হয়। এইবিধ যোগাযোগ কথিত বা অকথিতও হ'ব পাৰে। শ্রেণীকোঠাৰ শিক্ষক আৰু ছাত্রৰ মাজৰ আন্তঃক্রিয়া (Interaction), দূৰ ভাষাৰ কথোপকথন (Telephonic Coversation), সাক্ষাৎকাৰ (Interview) আদি যোগাযোগবোৰক আন্তঃব্যক্তিগত যোগাযোগ বোলা হয়।

গ) **দলীয় যোগাযোগ ঃ** দুজন বা অধিক দলৰ মাজত হোৱা যোগাযোগ ব্যৱস্থাক দলীয় যোগাযোগ বোলা হয়। এই দলবোৰৰ সদস্য সংখ্যা কম বা বেছিও হ'ব পাৰে। উদাহৰণ স্বৰূপে, পৰিয়ালৰ মাজত হোৱা মেলবোৰ, কমিটিৰ সভাবোৰ, আবাসিক অঞ্চলৰ সভাবোৰক দলীয় যোগাযোগ ব্যৱস্থাৰ অন্তর্ভুক্ত বুলি ধৰা হয়।

ঘ) **গণ মাধ্যম যোগাযোগ ঃ** গণ মাধ্যম যোগাযোগে এক বৃহৎ আকাৰৰ সদস্যক সামৰি লয়। ৰেডিঅ' কার্য্যসূচীসমূহ জনসমাগমৰ সন্মুখত প্রদান কৰা বক্তৃতা, দূৰদর্শনৰ কার্য্যসূচীসমূহক গণ মাধ্যম যোগাযোগৰ ভিতৰত ধৰিব পৰা যায়।





জানি থোৱা ভাল

● যোগাযোগ এক গতিশীল প্রক্রিয়া যিটো কথিত, অকথিত বা সাঙ্কেতিক মাধ্যমৰ দ্বাৰা পৰিচালিত হয় ।

● যোগাযোগৰ প্রকাৰসমূহ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি শ্রেণীবিভাগ কৰা হৈছে। ভাষাগত দিশৰপৰা যোগাযোগৰ কথিত আৰু অকথিত হিচাপে পোৱা যায়। আনহাতে, সংখ্যা অনুযায়ী, ইয়াৰ অন্তঃমুখী ব্যক্তিগত, আন্তঃব্যক্তিগত, দলীয় আৰু গণ মাধ্যম যোগাযোগ হিচাপে ভাগসমূহ পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যোগাযোগৰ প্রকাৰসমূহক আমি কেনেকৈ শ্রেণীবিভাগ কৰি দেখুৱাব পাৰোঁ?

.....

.....

.....

.....

.....

.....



চিন্তা-চর্চা কৰক ১১.১

ক) এজন শিকাৰু ৰূপে, শ্রেণীকোঠাত আপুনি যোগাযোগৰ কোনটো প্রকাৰ পছন্দ কৰে আৰু কিয় সেই প্রকাৰটোক বাছি লৈছে?

.....

.....

.....

খ) অকথিত যোগাযোগ ব্যৱস্থাৰ কিছুমান উদাহৰণ দিয়ক।

.....

.....

.....

১১.৪ যোগাযোগ পদ্ধতিৰ উপাদানসমূহ

যোগাযোগ হ'ল এটা সাধাৰণ দ্বিপক্ষীয় পদ্ধতি য'ত দুজন বা ততোধিক ব্যক্তিৰ মাজত সংবাদ, ধ্যান-ধাৰণা, অভিজ্ঞতাৰ আদান-প্রদান বা ভাগ-বতৰা হয়। যোগাযোগ ব্যৱস্থা কার্য্যকৰী বা ফলপ্রসূ হ'ব যদিহে প্রেৰকে পঠোৱা বার্তাসমূহ গ্রাহকে ঠিকভাৱে গ্রহণ কৰে। যোগাযোগ ব্যৱস্থাত সংবাদ বা বার্তাসমূহ দুটা দল— প্রেৰক (Sender) আৰু গ্রাহক (Receiver)ৰ মাজতে নিহিত হৈ থাকে। প্রেৰক হ'ল যিজনে বার্তাসমূহ পঠায় আৰু গ্রাহক হ'ল যিজনে প্রেৰকৰ বার্তাসমূহ গ্রহণ কৰে। যোগাযোগ ব্যৱস্থাটো সম্পূর্ণ হোৱা বুলি ধৰা হয় যেতিয়া গ্রাহকে বার্তাসমূহ গ্রহণ কৰি তাৰ প্রত্যুত্তৰ জনাবলৈ সক্ষম হয়। বার্তাসমূহ প্রেৰণ কৰিবলৈ যিকোনো এটা মাধ্যমৰ সদায়েই প্রয়োজন হয় আৰু এই চেনেলটোৰ মাজেদি প্রেৰকে গ্রাহকলৈ সংবাদবোৰ প্রেৰিত হয়। চেনেলৰ উপৰিও যোগাযোগ ব্যৱস্থাত ফিড্‌বেক বা পুনঃপুষ্ট হ'ল এক আৱশ্যকীয় উপাদান। যোগাযোগ ব্যৱস্থা সংঘটিত হোৱাত উপস্থাপনৰ গুৰুত্বও কম নহয়, কিয়নো এইবিধ উপাদানে যোগাযোগত


সম্পূর্ণ পৰিৱেশ প্রদান কৰে। এনে ধৰণে যোগাযোগ উপাদানসমূহক ছয়টা ভাগত ভাগ কৰিব পৰা যায়—

- **প্রেৰক** (Sender)
- **গ্রাহক** (Receiver)
- **বার্তা বা সংবাদ** (Message)
- **পথ** (Channel)
- **উপস্থাপন** (Setting)
- **পুনঃপুষ্টি বা প্রত্যাৱর্তন** (Feedback)

- **প্রেৰক ঃ** প্রেৰক হ'ল যিয়ে বার্তাসমূহ পঠায়। প্রেৰকক উৎস নাইবা সাঙ্কেতিক ভাষাবিদ (Encoder) বুলিও কোৱা যায়। কিয়নো কেনে ধৰণে, কেতিয়া বার্তাসমূহ প্রেৰণ কৰিব পাৰে তাৰেসিদ্ধান্ত প্রেৰকে নিজে ল'ব পাৰে।অৱশ্যে এই ক্ষেত্রত দুটা উপাদানে উৎসক কার্য্যক্ষম কৰাত সহায় কৰে। প্রথমতে, প্রেৰকৰ দৃষ্টিভঙ্গী ইতিবাচক হোৱা উচিত। দ্বিতীয়তে, প্রেৰকে অর্থবহনকাৰী নাইবা পৰিৱেশৰ লগত খাপ খুওৱা চিহ্ন (Symbol) বাচনি কৰি লব লাগে। প্রেৰকৰ ব্যক্তিত্ব সদায় গতিশীল হোৱা উচিত শ্রেণীকোঠাৰ যোগাযোগ পদ্ধতিত প্রেৰকৰ ভূমিকা লোৱা শিক্ষকজন হ'ল উৎকৃষ্ট প্রেৰকৰ উদাহৰণ।
- **গ্রাহক ঃ** গ্রাহক হ'ল সেইজন ব্যক্তি যিজনে সংবাদ বা বার্তাসমূহ গ্রহণ কৰি বুজিলৈ এক অর্থবহ ভাবলৈ অনুবাদ কৰি লয়। সেয়েহে গ্রাহকক অনুবাদবিদ (Decoder) বুলিও কোৱা হয়। গ্রাহকৰ সমাজাতীয়তা (Homogeneity)ৰ ওপৰতে যোগাযোগৰ ফলপ্রসুতা নির্ভৰ কৰে। গ্রাহক এজন বা এদল নাইবা বৃহৎ দলো হ'ব পাৰে। গবেষকসকলৰ মতে, গ্রাহকৰ সংখ্যা সৰু আকৃতিৰ হ'লে যোগাযোগ ব্যৱস্থা বেছি ফলপ্রসূ হোৱাৰ সম্ভাৱনীয়তা থাকে। উদাহৰণ স্বৰূপে, শ্রেণীকোঠাৰ যোগাযোগ ব্যৱস্থাত গ্রাহক হয় ছাত্র-ছাত্রীসকল।
- **সংবাদ বা বার্তা ঃ** যোগাযোগৰ এটা উপাদান হ'ল সংবাদ য'ত ঘটনাৰাজি, ধ্যানধাৰণা, ভাব-অনুভৱ আদি নিহিত হৈ থাকে। সংবাদবোৰ যথার্থ, স্পষ্ট আৰু সঠিক গাঁথনি যুক্ত হোৱা উচিত। ফলপ্রসূ যোগাযোগ সদায় বার্তাবোৰৰ ওপৰত নির্ভৰশীল যিবোৰ বার্তা পঠাবলৈ, বার্তাৰ ধৰণৰ ওপৰত নির্ভৰ কৰি বিভিন্ন ধৰণৰ মাধ্যমৰ প্রয়োজন হয়। উদাহৰণ স্বৰূপে, শ্রেণীকোঠাৰ পৰিৱেশত শিকোৱা।
- **চেনেল বা পথ ঃ** চেনেল হ'ল একধৰণৰ মাধ্যম যাৰ দ্বাৰা বার্তাবোৰ প্রেৰকৰ পৰা গ্রাহকলৈ প্রেৰিত হয়।অৱশ্যে সংবাদবোৰ কেনেধৰণৰ হয় তাৰ ওপৰত মাধ্যমবোৰ নির্ভৰ কৰে। সাধাৰণতে যোগাযোগ ব্যৱস্থাত তিনি ধৰণৰ মাধ্যম ব্যৱহাৰ হয়। সেইবোৰ হ'ল— লিখিত, কথিত আৰু অকথিত।লিখিত মাধ্যমৰ ক্ষেত্রত, যোগাযোগে সদায় শুদ্ধ লিখনি, উচ্চাৰণ শুদ্ধ, আখৰ জোঁটনি, ব্যাকৰণৰ ওপৰত নির্ভৰ কৰে। কথিত মাধ্যমে শব্দৰ ৰূপসাধন, সলসলীয়া, ভুল উচ্চাৰণ ইত্যাদিবোৰক সামৰি লয়। আনহাতে, অকথিত

মাধ্যমে শাৰীৰিক ভাষা, মুখাবয়বৰ প্ৰকাশভঙ্গী, উঠা-বহা, সাজ-পাৰ ইত্যাদিবোৰৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে কাৰ্য্যকৰী বা ফলপ্ৰসূ যোগাযোগ হ'বলৈ হ'লে বিভিন্ন গ্ৰাহকৰ বাবে বিভিন্ন চেনেল বা মাধ্যম অতিকৈ প্ৰয়োজনীয় হৈ পৰে। উদাহৰণ স্বৰূপে, বক্তৃতা প্ৰদানৰ বিভিন্ন পদ্ধতি।

- **উপস্থাপন ঃ** যোগাযোগৰ বিভিন্ন উপাদানসমূহৰ, যেনে— উৎস প্ৰেৰক, গ্ৰাহক, সংবাদ, মাধ্যম ইত্যাদিবোৰৰ মাজত যোগসূত্ৰ স্থাপন কৰি কাৰ্য্যক্ষম কৰি তোলাৰ বাবে উপস্থাপনৰ অতি আৱশ্যক হৈ পৰে যিটোৱে প্ৰকৃত পৰিৱেশৰ সৃষ্টি কৰে। উপস্থাপন সদায় অপ্ৰয়োজনীয় সংবেদকৰ পৰা স্বাধীন আৰু আমোদজনক হ'ব লাগে। উদাহৰণ হিচাপে শ্ৰেণীকোঠাৰ পৰিৱেশক ল'ব পাৰি।
- **পুনঃপুষ্টি ঃ**পুনঃপুষ্টি হ'ল গ্ৰাহকে সংবাদ গ্ৰহণ কৰি তাৰ ওপৰত কৰা প্ৰতিক্ৰিয়া যিটো প্ৰেৰকৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ থাকে। অৱশ্যে এই প্ৰতিক্ৰিয়া কথিত বা অকথিত হ'ব পাৰে। পুনঃপুষ্টিই প্ৰেৰক বা উৎসক তেওঁৰ সংবাদ সৈতে সমযোজন কৰি যোগাযোগ ফলপ্ৰসূ হোৱাত অনুমোদন জনায়। পুনঃপুষ্টি নাথাকিলে গ্ৰাহকে কোনো সংবাদ বুজি পাইছে নে বা অংশগ্ৰহণ কৰিছে নে নাই ইত্যাদি কথা বুজাত অসম্ভৱ হয়। পুনঃপুষ্টিই প্ৰেৰকক শুদ্ধভাৱে, কৌশলগতভাৱে সংবাদবোৰ উন্নত কৰাত সহায় কৰে। শ্ৰেণীকোঠাত সংঘটিত শিক্ষক আৰু ছাত্ৰৰ মাজত হোৱা প্ৰশ্ন-উত্তৰ পদ্ধতি পুন-পুষ্টৰ উৎকৃষ্ট উদাহৰণ। যোগাযোগ পদ্ধতিৰ বিভিন্ন উপাদানসমূহক আৰ্হিৰ দ্বাৰা দেখুৱাব পৰা যায়—



যোগাযোগ পদ্ধতিৰ আৰ্হি

১১.৫ ফলপ্ৰসূ যোগাযোগৰ ক্ষেত্ৰত উৎপত্তি হোৱা বাধাসমূহ

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে, ফলপ্ৰসূ যোগাযোগ ব্যৱস্থাত ছয়টা উপাদানৰ ব্যৱহাৰ অতি প্ৰয়োজনীয়। যদিহে এই ছয়টা উপাদান যোগাযোগ ব্যৱস্থাত ভালদৰে ব্যৱহাৰ নহয় তেনেহ'লে সেইবোৰ যোগাযোগত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব পাৰে। প্ৰতিবন্ধকসমূহে আন এজনৰ ভাব, ধ্যান-ধাৰণাবোৰ বুজাত অসুবিধাৰ সৃষ্টি কৰে, ফলত যিকোনো সময়ত যোগাযোগ বন্ধ হৈ যাব পাৰে।

যোগাযোগ পদ্ধতিৰ যিকোনো পর্য্যায়তে যোগাযোগ বাধাপ্রাপ্ত হ'ব পাৰে। ধৰা যাওক, প্রেৰক জন শিক্ষক আৰু যদিহে তেওঁৰ কৌশল, জ্ঞান আৰু গতিশীল ব্যক্তিত্বৰ অভাৱ থাকে তেতিয়া তেওঁৰ যোগাযোগ পদ্ধতিত ব্যাঘাত জন্মে। গ্রাহকৰ ক্ষেত্রতো একে কথাই হ'ব পাৰে যদিহে ছাত্রসকলে শিক্ষকৰ কোনো কথাতে প্রতিক্রিয়া নকৰি মনে মনে মৌনভাৱে বহি থাকে। ফলত যোগাযোগ ব্যৱস্থা স্থবিৰ হৈ পৰিব পাৰে। তৃতীয়তে, সংবাদ বা বার্তাসমূহ যদি স্পষ্ট, যথার্থ ধৰণৰ নহয় বৰঞ্চ খেলিমেলি হয় তেতিয়া সংবাদবোৰ যোগাযোগ কার্য্যকৰী কৰাত বাধাৰ সৃষ্টি কৰিব পাৰে। চেনেলঐমাধ্যম উপাদানত সঠিক ভাষাৰ প্রয়োগ, স্পষ্ট প্রকাশভঙ্গী, শুদ্ধ ব্যাকৰণ বা সঠিক শাৰীৰিক অঙ্গ-প্রত্যঙ্গৰ প্রয়োগৰ অভাৱ হ'লে যোগাযোগ ব্যৱস্থা ফলপ্রসূ নহৈ বৰং প্রতিবন্ধকতাৰহে সৃষ্টি কৰিব পাৰে।

অসন্তুষ্টিকৰ পৰিৱেশ বা বিশৃংখলতা যোগাযোগ ব্যৱস্থাৰ উপস্থাপনত সমাৱেশ ঘটালে যোগাযোগ বাধাপ্রাপ্ত হ'ব পাৰে। অৱশেষত ক'ব পৰা যায় যে গ্রাহকে প্রেৰকৰ প্রতি অসহযোগ বা অগ্রহণীয় দৃষ্টিভঙ্গী ৰাখিলেও যোগাযোগ ব্যৱস্থাত প্রতিবন্ধকতাৰ সৃষ্টি হ'ব পাৰে।

ওপৰোক্ত বাধাসমূহক আমি দুটা ভাগত ভাগ কৰিব পাৰোঁ— বাহ্যিক (External) আৰু আভ্যন্তৰীণ (Internal) ।সংবাদৰ প্রতি অনীহা, ভয়, অবিশ্বাস, বিয়োগাত্মক দৃষ্টিভঙ্গী, ঘৰুৱা সমস্যা, দুর্বল শ্রৱণ শক্তি, অভিজ্ঞতা আৰু অনুভূতিৰ অভাৱ ইত্যাদি বোৰ হ'ল আভ্যন্তৰীণ বাধাৰ উদাহৰণ। যোগাযোগৰ বাহ্যিক বাধাসমূহ হল, চিঞৰ-বাখৰ, ই মেইল বা ইণ্টাৰনেটৰ অক্ষমতা, বেয়া ফোনৰ যোগাযোগ, অতিৰিক্ত কাৰিকৰী সংবাদৰ প্রয়োগ ইত্যাদি।

১১.৬ শ্রেণীকোঠাৰ উন্নতমানৰ যোগাযোগ ব্যৱস্থা

আমাৰ শিক্ষাৰ লক্ষ্যত উপনীত হোৱাত ফলপ্রসূ যোগাযোগ ব্যৱস্থাৰ এক গুৰুত্বপূর্ণ ভূমিকা আছে। তলত দিয়া ধৰণে নিয়ম-নীতিৰ মাজে�ৰে আগুৱাই গলে শিক্ষকে শ্রেণীকোঠৰ যোগাযোগ ব্যৱস্থাত উদ্ভৱ হোৱা বাধাসমূহক হেলাৰঙে অতিক্রম কৰিব পাৰিব আৰু তেতিয়া শিক্ষণ শিকন প্রক্রিয়াৰ বাবে শ্রেণীকোঠাটোত যথেষ্ট সুন্দৰ পৰিৱেশৰ সৃষ্টি হব। সেই নিয়ম-নীতিসমূহ হ'ল–

- প্রথমতে শিক্ষকজনে ছাত্রসকলৰ মনত উপযুক্ত, দৃঢ় দক্ষতাৰ মাজেদি একধৰণৰ বিশ্বাস গঢ়ি তেওঁলোকৰ লগত এক মধুৰ সম্পর্ক স্থাপন কৰিব লাগে। তেওঁ নিজে দক্ষ ব্যক্তিত্বপূর্ণ ব্যক্তি হোৱা উচিত। সাধুতা, শিষ্টাচাৰ আদি মহৎ গুণৰ বশৱর্তী হোৱাৰ লগতে নিৰপেক্ষ মনোভাবৰ ব্যক্তিত্ব হ'ব লাগে।
- সংবাদসমূহ সম্ভাৱ্য তথ্য আৰু আর্হিৰদ্বাৰা ব্যাখ্যা কৰিব পৰা ধৰণৰ হোৱা উচিত যাতে ছাত্রৰ মাজত ব্যক্তিগত পার্থক্য থাকিলেও তেওঁলোকে বুজাত কোনোধৰণৰ অসুবিধা নহয়।
- শিক্ষকে কৌশলগত কাৰিকৰী সম্পর্কীয় শব্দ (Technical terms) সমূহক সহজে, সকলোৱে বুজিব পৰা ভাষাৰদ্বাৰা বুজাই ব্যাখ্যা কৰিব লাগে। সংবাদসমূহ সদায় স্পষ্ট

আৰু সুদৃঢ় গাঁথনিৰ হ'ব লাগে।

- শিক্ষকে ছাত্রসকলৰ আৱেগিক দিশৰ প্রতিও বিশেষ গুৰুত্ব প্রদান কৰিব লাগে। তেওঁ শ্রেণীতে এনে কিছুমান শিক্ষণ প্রণালী ব্যৱহাৰ কৰিব লাগে যাতে ছাত্রৰ আৱেগিক প্রয়োজনীয়তাখিনি পূৰাব পাৰে।
- শিক্ষকে শ্রেণীত ক্ষমতানুযায়ী বিভিন্ন আধুনিক কৌশল বা পদ্ধতিৰ ব্যৱহাৰকৰিব লাগে। কম্পিউটাৰ, এল-চি-ডি, প্রজেক্টৰ, পাৰাৰ পইট, প্রেজেণ্টেশ্যন, ভিডিঅ' কনফাৰেন্স ইত্যাদিৰ ব্যৱহাৰ শিক্ষক আৰু ছাত্রৰ মাজৰ যোগাযোগ ব্যৱস্থাক জীৱন্ত বা সজীৱ কৰি তোলে। এই প্রযুক্তিবিদ্যাবোৰৰ মাজেদি শিক্ষণ প্রক্রিয়া আগবাঢ়ি গ'লে ছাত্রসকলে শিকা প্রক্রিয়াটোৰ লগত সহজে বোধগম্য কৰিব পাৰিব।
- শিক্ষকে শিক্ষণ প্রক্রিয়াটো অর্থপূর্ণ আৰু বাস্তৱমুখী কৰিবলৈ হ'লে ছাত্রসকলৰ মাজত লিখিত যোগাযোগৰ ওপৰত বেছি গুৰুত্ব দিয়াব লাগিব। পুনঃপুষ্ট সদায় লিখিত আকাৰত হোৱা উচিত যাতে ছাত্র-ছাত্রীসকলৰ বুজাৰ অক্ষমতাখিনিক দেখুৱাব পাৰে।



জানি থোৱা ভাল

- যোগাযোগ হল দ্বিপক্ষীয় পদ্ধতি য'ত ছয়টা উপাদান জড়িত হৈ আছে।
- যোগাযোগ পদ্ধতিৰ মূল উপাদানসমূহ হ'ল— প্রেৰক, গ্রাহক, সংবাদ, মাধ্যম বা পথ উপস্থাপন, পুনঃপুষ্ট।
- ফলপ্রসূ যোগাযোগৰ বাবে এই ছয়বিধ উপাদানৰ ভূমিকা অতি প্রয়োজনীয়। যদি এই উপাদানসমূহৰ ব্যৱহাৰত অপপ্রয়োগ হয় তেতিয়া এই উপাদানসমূহে যোগাযোগ প্রক্রিয়াত বাধা প্রদান কৰে।
- শ্রেণীকোঠত ফলপ্রসূ যোগাযোগ সৃষ্টি কৰিবলৈ হলে শিক্ষাক এনে কৌশলপূর্ণ, দক্ষ ব্যক্তিত্বৰ অধিকাৰী হ'ব লাগে। উপযুক্ত পুনঃপুষ্ট, গ্রহণযোগ্য সংবাদ মাধ্যম, আধুনিক প্রযুক্তি বিদ্যাৰ ব্যৱহাৰ, গ্রাহকৰ মুখ্য অংশগ্রহণ আদিবোৰৰদ্বাৰাও যোগাযোগ ব্যৱস্থা কার্য্যকৰী হোৱাত সহায়ক হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উপযুক্ত উদাহৰণৰ সৈতে যোগাযোগৰ বিভিন্ন উপাদান-সমূহৰ বিষয়ে বর্ণনা কৰক।

.....

.....

.....

.....

.....

.....

.....

.....



চিন্তা-চৰ্চা কৰক ১১.২

ক) শ্রেণীকোঠাৰ যোগাযোগ প্রক্রিয়াত আপুনি সন্মুখীন হোৱা বিভিন্ন প্রকাৰৰ বাধাসমূহ কেনে ধৰণৰ?

.....

.....

.....

খ) আপোনাৰ শ্রেণীকোঠাত ফলপ্রসূ আৰু কার্য্যকৰী যোগাযোগ ব্যৱস্থাৰ সৃষ্টি কৰিবলৈ কিছুমান পৰামর্শ আগবঢ়োৱা।

.....

.....

.....



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যোগাযোগৰ প্রকাৰ বুলিলে আমি ভাষাগত নাইবা ব্যক্তিৰ সংখ্যাগত দিশৰ পৰা ফঁহিয়াই চাব পাৰোঁ। ভাষাগত দিশৰপৰা যোগাযোগৰ প্রকাৰ কথিত আৰু অকথিত হ'ব পাৰে। কথিতৰ আকৌ মৌখিক আৰু লিখিত যোগাযোগ বুলি পুনৰায় দুটা ভাগ পোৱা যায়। অন্যহাতে, অকথিত যোগাযোগৰ দৃষ্টি সম্বন্ধীয়, শ্রুতি সম্বন্ধীয়, অঙ্গী-ভঙ্গীদায়ক হিচাপে তিনিটা ভাগ পোৱা যায়। যোগাযোগত ভাগ লোৱা ব্যক্তিৰ সংখ্যাগত দিশৰপৰা চালে, যোগাযোগ ব্যৱস্থাৰ অন্তঃমুখী ব্যক্তিগত, আন্তঃব্যক্তিগত, দলীয় আৰু গণ সংযোগ হিচাপে চাৰিটা ভাগ আছে।
- যোগাযোগ পদ্ধতিৰ ছয়টা উপাদান পোৱা যায়— প্রেৰক, গ্রাহক, সংবাদ, মাধ্যম, উপস্থাপন আৰু পুনঃপুষ্ট। প্রেৰকে সংবাদ পঠায়, গ্রাহকে সংবাদ গ্রহণ কৰে। সংবাদ হ'ল যোগাযোগৰ বিষয়বস্তু। চেনেল হৈছে মাধ্যম যাৰ দ্বাৰা সংবাদ প্রেৰিত হয়। উপস্থাপন হ'ল যোগাযোগক সংঘটিত কৰা প্রকৃত পৰিৱেশ আৰু পুনঃপুষ্ট হ'ল গ্রাহকৰ প্রতিক্রিয়া বা প্রত্যুত্তৰ স্তৰ য'ত গ্রাহকে প্রেৰকৰ প্রেৰিত সংবাদ গ্রহণ কৰি নিজস্বভাৱে প্রেৰকলৈ

সংবাদৰ প্ৰত্যুত্তৰ পঠায়।

- যদিহে যোগাযোগ ব্যৱস্থাত এই উপাদান সমূহৰ অপব্যৱহাৰ হয় তেনেহ'লে ফলপ্ৰসূ যোগাযোগ ব্যৱস্থাত ই একপ্ৰকাৰ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। ফলত অন্য এজনৰ ধ্যান-ধাৰণা বুজাত অসুবিধাৰ সৃষ্টি হয়। অৱশ্যে অনভিজ্ঞ কৌশলপূৰ্ণ প্ৰেৰক নাইবা মৌন গ্ৰাহকৰ ভূমিকায়ে কেতিয়াবা যোগাযোগ ব্যৱস্থাত বাধাৰ সৃষ্টি কৰে। অস্পষ্ট, আঁসোৱাহপূৰ্ণ, খেলিমেলি সংবাদবোৰো যোগাযোগ ব্যৱস্থাৰ বাধা হব পাৰে। প্ৰকাশভঙ্গীৰ অস্পষ্টতা, ভুল ব্যাকৰণ, ত্ৰুটিপূৰ্ণ শাৰীৰিক অঙ্গী-ভঙ্গী আদিয়ে মাধ্যমৰ দিশত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। উপস্থাপনাত কেতিয়াবা বাধাৰ উদ্ভৱ হ'ব পাৰে যদিহে ই অসন্তুষ্টিকৰ পৰিৱেশৰ মাজেদি আগবাঢ়ি যায়। গ্ৰাহকৰ অসহযোগ মনোভাব বা দৃষ্টিভঙ্গীয়ে মাজে সময়ে প্ৰেৰকলৈ সংবাদৰ প্ৰত্যুত্তৰ জনোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। ফলত ফলপ্ৰসূ যোগাযোগৰ অভাৱ ঘটে।
- এই বাধাসমূহৰ উপৰিও আমি অন্য কিছুমান বাধাক বাহ্যিক আৰু আভ্যন্তৰীণ প্ৰতিবন্ধক বা বাধা হিচাপে দুই ভাগত ভাগ কৰিব পাৰোঁ। বাহ্যিক বাধাসমূহ হ'ল যোগাযোগ ব্যৱস্থাৰ প্ৰেৰক বা গ্ৰাহকৰ দুৰ্বলতা, ভালকৈ শুনাৰ অক্ষমতা ইত্যাদি আৰু আভ্যন্তৰীণ বাধাসমূহ হ'ল যোগাযোগ ব্যৱস্থাৰ উশৃংখল পৰিৱেশ, দৰকাৰী সা-সুবিধাৰ অচল অৱস্থা ইত্যাদিবোৰ।
- অৱশ্যে, শ্ৰেণীকোঠাৰ যোগাযোগ পদ্ধতিত উদ্ভৱ হোৱা প্ৰতিবন্ধকতাসমূহ আঁতৰাবলৈ কিছুমান পৰামৰ্শ আগবঢ়াব পাৰি। শিক্ষকে ছাত্ৰৰ মনত তেওঁৰ প্ৰতি বিশ্বাস আয়ত্ত কৰিবলৈ কিছুমান পদক্ষেপ ল'ব পাৰে। প্ৰেৰিত সংবাদৰ সৈতে আৰ্হি বা উদাহৰণ আৰু তথ্যৰ অন্তৰ্ভুক্তিয়ে গ্ৰাহক তথা ছাত্ৰৰ মনত সংবাদৰ প্ৰতি স্পষ্ট, সহজ-সৰল ধাৰণাৰ সৃষ্টি কৰিব পাৰে। যোগাযোগ ব্যৱস্থাত আধুনিক যন্ত্ৰ-পাতি, কৌশল ব্যৱহাৰেও ছাত্ৰ-ছাত্ৰীক বিষয়বস্তুটো বুজাৰ প্ৰতি আগ্ৰহী কৰি তোলে। ফলত তেওঁলোকৰ যোগাযোগ প্ৰক্ৰিয়াত কোনো ধৰণৰ বাধা নজন্মে।
- আমাৰ প্ৰচলিত শিক্ষা ব্যবস্থাৰ লক্ষ্যত উপনীত হ'বলৈ ফলপ্ৰসূ যোগাযোগৰ ভূমিকা নিতান্তই প্ৰয়োজনীয়। যোগাযোগ ব্যৱস্থাত শুনা, কোৱা, ভাগলোৱা নাইবা পৰ্য্যবেক্ষণ কৰা আদি জড়িত হৈ থাকে। এতিয়া আপুনি নিজে যোগাযোগ ব্যৱস্থা শিকি ল'ব পাৰে, যোগাযোগ ব্যৱস্থাৰ কৌশলসমূহ আয়ত্ত্ব কৰি মূল্যাঙ্কন কৰিব পাৰে। যিকোনো সময়ত আপুনি যোগাযোগ কৰিব পাৰে। আপুনি যি কাৰ্য্য কৰিছে তাক পৰ্য্যবেক্ষণ কৰিব পাৰে নতুবা ফলপ্ৰসূ যোগাযোগ কৰিবলৈ হ'লে কি কৰা উচিত, সেয়া জানিব পাৰে।



১১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Broadbent, D. E. (1958). *Perception and Communication.* New York: Pergamon Press.
2) Das, B. C. (1998). *Educational Technology.* New Delhi: Kalyani Publishers.
3) Mangal, S. K. (2001 Revised 2nd Edn.). *Foundations of Educational Technology.* Ludhiana: Tandon Publications.



১১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগ পদ্ধতিক বিভিন্ন দিশৰ পৰা ভাগ কৰিব পৰা যায়— ভাষাগত আৰু সংখ্যাগত। সংখ্যাগততে, অংশীদাৰী ব্যক্তিৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি ভাগ কৰি ল'ব পাৰি। ভাষাগত দিশৰ পৰা যোগাযোগৰ কথিত আৰু অকথিত এই দুই ভাগ পোৱা যায়। কথিত ভাগক পুনৰায় মৌখিত আৰু লিখিত হিচাপে ল'ব পাৰি। আনহাতে, অকথিত ভাগক দৃষ্টি সম্বন্ধীয়, শ্ৰুতি সম্বন্ধীয় আৰু ভঙ্গীদায়ক হিচাপে তিনিভাগত ল'ব পৰা যায়। অংশগ্ৰহণকাৰী ব্যক্তিৰ সংখ্যা অনুযায়ী অন্তঃব্যক্তিগত, আন্তঃব্যক্তিগত, দলীয় আৰু গণসংযোগ আদি ভাগত ভাগ কৰিব পাৰি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যোগাযোগৰ পদ্ধতিৰ বিভিন্ন উপাদান হ'ল— প্ৰেৰক, গ্ৰাহক, সংবাদ, পথ বা মাধ্যম, উপস্থাপন আৰু পুনঃপুষ্টি। উদাহৰণ স্বৰূপে, ক'ব পৰা যায় যে, যোগাযোগ পদ্ধতিৰ গোটেই উপাদানসমূহৰ সমন্বয় ঘটে শ্ৰেণীকোঠাসমূহত। এটা শ্ৰেণী কোঠাত শিক্ষকজনে প্ৰেৰকৰ ভুমিকা লৈ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকললৈ সংবাদ প্ৰেৰণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে গ্ৰাহকৰ ভূমিকা লয়। শিকোৱা বিষয়বস্তুবোৰ সংবাদ হিচাপে গ্ৰহণ কৰা হয়। যি ব্যৱস্থাৰদ্বাৰা সংবাদসমূহ প্ৰেৰণ কৰা হয় তাক মাধ্যম হিচাপে লোৱা হয়। শিক্ষকে সোধা প্ৰশ্নসমূহৰ উত্তৰ ছাত্ৰসকলে যথা সময়ত আগবঢ়ালে তাক পুনঃপুষ্টি বুলি ধৰা হয় আৰু অৱশেষত প্ৰকৃতভাৱে গোটেই পৰিৱেশটোকে উপস্থাপন বুলি ধৰা হয় য'ত যোগাযোগ সুকলমে সম্পন্ন হয়।



১১.১০ আৰ্হিপ্ৰশ্ন

ক) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কথিত আৰু অকথিত যোগাযোগ বুলিলে আপুনি কি বুজে?

প্ৰশ্ন ২ ঃ কথিত আৰু অকথিত যোগাযোগ ব্যৱস্থাৰ পাৰ্থক্যবোৰ উদাহৰণৰ সৈতে বুজায় লিখক।

প্ৰশ্ন ৩ ঃ এটা আৰ্হিৰ সহায়ত যোগাযোগ পদ্ধতি দেখুওৱাক।

প্ৰশ্ন ৪ ঃ অন্তঃমুখী ব্যক্তিগত যোগাযোগ মানে কি?

প্ৰশ্ন ৫ ঃ আন্তঃব্যক্তিগত যোগাযোগ বুলিলে কি বুজে?

প্ৰশ্ন ৬ ঃ অন্তঃমুখী ব্যক্তিগত যোগাযোগ আৰু আন্তঃব্যক্তিগত যোগাযোগৰ মাজৰ মৌলিক পাৰ্থক্যসমূহৰ বিষয়ে বৰ্ণনা কৰক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ যোগাযোগ পদ্ধতিৰ বিভিন্ন উপাদানসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ১ ঃ শ্ৰেণীকোঠা যোগাযোগ পদ্ধতি ফলপ্ৰসূ হোৱাত বাধা প্ৰদান কৰা প্ৰতিবন্ধকসমূহ আলোচনা কৰক আৰু সেই বাধাসমূহ আঁতৰাবলৈ কিছুমান পৰামৰ্শ আগবঢ়াওক।

*** ***** ***

অধ্যায় ১২ ঃ শিক্ষণ-শিকন আৰু মূল্যাঙ্কন

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য

12.2 পৰিচয়

12.3 শিক্ষণ-শিকন পদ্ধতিৰ অর্থ আৰু ধাৰণা

12.3.1 শিক্ষণ-শিকন পদ্ধতিৰ ধাৰণা

12.3.2 শিক্ষণৰ স্বৰূপ

12.3.3 শিকনৰ স্বৰূপ

12.4 শিক্ষণ-শিকন-মূল্যাঙ্কন

12.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

12.6 অধিক জানিবলৈ

12.7 অগ্রগতিৰ খতিয়ান

12.8 আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- শিক্ষণ-শিকন পদ্ধতিৰ অর্থ আৰু ধাৰণা নির্ধাৰণ কৰিব পাৰিব
- শিক্ষণ-শিকন পদ্ধতিৰ স্বৰূপ বা স্বভাৱৰ বর্ণনা কৰিব পাৰিব
- শিক্ষণ-শিকন আৰু মূল্যাঙ্কনৰ মাজৰ সম্পর্ক উলিয়াব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টোৱে আমাক শিক্ষণ-শিকন আৰু মূল্যাঙ্কনৰ মূল ধাৰণাৰ বিষয়ে অৱগত কৰাব। এই অধ্যায়ত শিক্ষণ-শিকনৰ অর্থ, ধাৰণা, সিহঁতৰ স্বৰূপ, বৈশিষ্ট্যবোৰ, মূল্যাঙ্কনৰ ধাৰণা, মূল্যাঙ্কনৰ সৈতে শিক্ষণ-শিকনৰ সম্পর্ক ইত্যাদিবোৰ অন্তর্ভুক্ত কৰা হৈছে।

আমি সকলোৱে জানো যে, শিক্ষণ-শিকন পদ্ধতিৰ সৈতে দুটা কার্য্যাৱলী, যেনে— শিক্ষাদান আৰু শিকা জড়িত হৈ আছে। দুয়োটা পদ্ধতি বেলেগ বেলেগ হ'লেও ইটো আনটোৰ পৰা পৃথক নহয়। এটা মুদ্রাৰে ইপিঠি-সিপিঠিৰ নিচিনা। শিকা অবিহনে শিক্ষাদান অর্থহীন আৰু শিক্ষাদান নোহোৱাকৈ শিকাৰ কথা ভাবিব নোৱাৰি। স্পষ্টকৈ বুজিবলৈ হ'লে, আমি শিক্ষাদান আৰু শিক্ষণৰ অর্থ আৰু ধাৰণাৰ সম্যক জ্ঞান লাভ কৰিব লাগিব। ইয়াৰ উপৰি শিক্ষণ-শিকনৰ লগত মূল্যাঙ্কন কি দৰে জড়িত সেই বিষয়েও শিক্ষার্থী হিচাপে ভালদৰে জনাটো প্রয়োজনীয় ।

১২.৩ শিক্ষণ-শিকন পদ্ধতিৰ অর্থ আৰু ধাৰণা

শিক্ষণ-শিকন পদ্ধতি হ'ল এক সার্বজনীন পদ্ধতি। মানৱ আৰু জীৱ-জন্তুৰে জীৱনৰ

আৰম্ভণি হোৱাৰ লগে লগে জীৱনৰ বিভিন্ন অৱস্থাত সমাযোজন কৰিবলৈ লয়। প্ৰাপ্ত বয়স্কসকলে শিশুসকলকো তেনে ধৰণে সমাজত বিভিন্ন অৱস্থাত কি দৰে সমাযোজন কৰিব তাৰ বিষয়ে শিক্ষা দিয়ে। এইদৰে তেওঁলোকে জীয়াই থকাৰ এই মূল উপাদানটো বা পদ্ধতিটোৰ মাজেদি আগবাঢ়ি যায়। গতিকে দেখা গ'ল যে এইটো এটা অবিৰত পদ্ধতি যিটো জন্মৰ পৰা মৃত্যুলৈকে চলি থাকে। সেয়ে শিক্ষণ আৰু শিকন এক ধৰণৰ উপায় যাৰ মাজেদি উঠি অহা শিশুসকলক, তেওঁলোকে বাস কৰা পৃথিৱীখনত সুন্দৰভাৱে সমযোজন কৰি জীয়াই থকাৰ শিক্ষা দিয়ে। শিক্ষণ-শিকনৰ পদ্ধতিৰ মূল লক্ষ্যই হ'ল ই ব্যক্তিসকলক জ্ঞান, কৌশল, দৃষ্টিভঙ্গী অৰ্জন কৰাত সহায় কৰে আৰু প্ৰতিজন ব্যক্তিকে পৰিৱেশৰ লগত খাপ খাই থাকিবৰ বাবে অৰিহণা যোগায়।

১২.৩.১ শিক্ষণ-শিকন পদ্ধতিৰ ধাৰণা

সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই পদ্ধতিৰো অৰ্থ আৰু ধাৰণাত এক বৈপ্লৱিক পৰিৱৰ্তন আহিছে। যদিও পৰম্পৰাগত ধাৰণাটোত জ্ঞান থাকে তেতিয়া শিক্ষণ-শিকন পদ্ধতিৰ আধুনিক ধাৰণাটো বোধগম্য হোৱাত অসুবিধা নহ'ব।

- **পৰম্পৰাগত ধাৰণা ঃ** পৃথিৱীত মানৱ সৃষ্টিৰ যিমান দিন পুৰণি, শিক্ষণ-শিকন প্ৰক্ৰিয়াটো সিমানেই পুৰণি। অতীতত শিক্ষণ-শিকন পদ্ধতিটো অকল শিক্ষা প্ৰদানতেই সীমাবদ্ধ আছিল। শিকাৰুসকলৰ প্ৰতি কোনো গুৰুত্ব দিয়া হোৱা নাছিল। এইটো একপক্ষীয় (One way) পদ্ধতি আছিল য'ত শিক্ষকজনে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল, তেওঁৰ পৰিচালনাত শৈক্ষিক কাৰ্য সম্পাদিত হৈছিল। শিক্ষকজনে কি শিকাব, কেনেকৈ শিকাব, কাক শিকাব, কি পদ্ধতিৰে তেওঁ আগবাঢ়িব ইত্যাদি কথাবোৰত নিজস্ব মতামতেৰে আগবাঢ়িছিল। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা বৈষম্যখিনিকো গুৰুত্ব প্ৰদান কৰা নাছিল তেওঁ সকলোৰে বাবে একে শিক্ষণ পদ্ধতি, কৌশল, বিষয়বস্তু ব্যৱহাৰ কৰিছিল যাৰ ফলত অনুন্নত শিশুসকল শ্ৰেণীত সদায়ে অনগ্ৰসৰ হৈ থাকিব লগাত পৰিছিল। মুঠতে পৰম্পৰাগত শিক্ষণ পদ্ধতি সম্পূৰ্ণভাৱে শিক্ষকৰ দ্বাৰা নিয়ন্ত্ৰিত আছিল।
- **আধুনিক ধাৰণা ঃ** বৰ্তমান যুগৰ শিক্ষণ-শিকন পদ্ধতিত শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা পদ্ধতি, শৈক্ষিক বাতাবৰণ আদি সকলোবোৰ সাঙোৰ খাই থাকে। শিক্ষকজনে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শৈক্ষিক বাতাবৰণ সৃষ্টি কৰে আৰু শিকাৰুসকলে নিজস্ব চেষ্টা, সামৰ্থ্য অনুযায়ী বিভিন্ন বিষয়ত শিক্ষা আহৰণ কৰে। এই পদ্ধতিয়েই হ'ল শিক্ষক আৰু শিকাৰুসকলৰ মাজত এক অন্তঃক্ৰিয়া (Interaction)। শিক্ষা পদ্ধতিত শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ সফল কৰাৰ বাবে শিক্ষাদান আৰু শিক্ষা পদ্ধতিয়ে শিক্ষক, ছাত্ৰ-ছাত্ৰী, বিষয়বস্তু বা পাঠ্যক্ৰম বা অন্যান্য শ্ৰৱণ-দৰ্শন আহিলাৰ সমন্বয়ক বুজায়।

পৰম্পৰাগত পদ্ধতিক সম্পূৰ্ণভাৱে ত্যাগ কৰি আধুনিক পদ্ধতিত, শিক্ষণ-

শিকন কার্যত ছাত্র-ছাত্রীসকলক অধিক গুৰুত্ব দিয়া হয়। তেওঁলোকৰ আৱশ্যকতা অনুসৰি বা ব্যক্তিগত বৈষম্য ভেদে শিক্ষকসকলে শিক্ষণৰ বিভিন্ন কৌশল, পদ্ধতি, বিষয়বস্তু আদি নির্বাচন কৰি লয়। আধুনিক শিক্ষাবিদসকল, যেনে— ৰুছো, ফ্রবেল, মণ্টেশ্বৰী আদিয়ে শিশুসকলক শিক্ষাৰ কেন্দ্র বুলি সমর্থন আগবঢ়াইছিল আৰু ছাত্র-ছাত্রীসকলৰ ব্যক্তিগত বৈষম্যৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল। সমগ্র শিক্ষণ-শিকন পদ্ধতিটোৱেই ছাত্র-ছাত্রীৰ সমস্যা বা আৱশ্যকতাৰ ওপৰত নিয়োজিত হৈ থাকে যদিও শিক্ষা প্রদানত শিক্ষকজনৰ দায়িত্ব নুই কৰিব নোৱাৰি, বৰঞ্চ ই শিক্ষক এজনৰ দায়িত্ব অধিক বৃদ্ধিহে কৰিছে। কিয়নো, আগতে শিক্ষকজনে মাত্র শিক্ষা প্রদানতে জড়িত আছিল, কিন্তু এতিয়া তেওঁ ছাত্র-ছাত্রীসকলৰ মানসিক দিশটোও বা ব্যক্তিগত বৈষম্যখিনিও অধ্যয়ন কৰিবলগীয়া হয় যাতে ছাত্র-ছাত্রীৰ সম্পূর্ণ বিকাশ ঘটে।



জানি থোৱা ভাল

- শিক্ষণ-শিকন এনে এক প্রক্রিয়া যাৰ দ্বাৰা সমাজত উঠি অহা শিশুসকলক শিক্ষা দান কৰা হয় যাতে তেওঁলোক বসবাস কৰা পৃথিৱীত সহজে খাপ খাই চলিব পাৰে।
- শিক্ষণ-শিকন পদ্ধতিৰ দুটা ধাৰণা আছে— (1] পৰম্পৰাগত (2] আধুনিক।
- পৰম্পৰাগত ধাৰণা মতে, শিক্ষণ-শিকন পদ্ধতিটো সম্পূর্ণভাৱে শিক্ষকজনৰ দ্বাৰাহে চালিত হয়।
- আধুনিক ধাৰণা মতে, শিক্ষণ-শিকন পদ্ধতিত, শিক্ষক আৰু ছাত্র-ছাত্রী উভয়ৰে গুৰুত্ব থাকে যদিও ছাত্র-ছাত্রীৰ গুৰুত্ব সর্বাধিক হিচাপে পৰিলক্ষিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শিক্ষণ-শিকন পদ্ধতি বুলিলে কি বুজে ?

.....

.....

প্রশ্ন নং ২ ঃ শিক্ষণ-শিকন পদ্ধতিৰ দুটা ধাৰণাৰ বিষয়ে আলোচনা কৰক।

.....

.....



চিন্তা-চর্চা কৰক ১২.১

আধুনিক আৰু পৰম্পৰাগত শিক্ষণ-শিকন পদ্ধতিৰ অন্য কিছুমান উদাহৰণ আপুনি নিজেই চিন্তা কৰি দিবলৈ চেষ্টা কৰক।

.....


.....

.....

১২.৩.২ শিক্ষণৰ স্বৰূপ

পৰম্পৰাগত ধাৰণা মতে, শিক্ষাদান এনে এটা হস্তান্তৰ পদ্ধতি য'ত শিক্ষকজনৰ পৰা ছাত্ৰ-ছাত্ৰীসকললৈ জ্ঞান, কৌশল, বার্তা আদি প্রেৰিত হয়। সময় আগবঢ়াৰ লগে লগে, শিক্ষাদান প্রক্রিয়াটোত এক বৈপ্লৱিক পৰিৱর্তন ঘটিছে। এতিয়া, শিক্ষকজনে পাঠ্যপুথিত থকা জ্ঞান বা সংবাদ সমূহ ছাত্ৰ-ছাত্ৰীসকলক প্রেৰণ কৰাতে ব্যস্ত নাথাকে, বৰং তেওঁ শিক্ষাদান কার্য্যটো এক দুঃসাহসিক কার্য হিচাপেও গণ্য কৰে, কিয়নো তেওঁ শিক্ষাদানৰ মাজেদি ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক, বৌদ্ধিক, সামাজিক, আধ্যাত্মিক দিশৰ বিকাশৰ ওপৰতো গুৰুত্ব দিবলগা হয় যাতে তেওঁলোকৰ সম্পূর্ণ ব্যক্তিত্বৰ বিকাশ ঘটে। শিক্ষাদান পদ্ধতিৰ বৈশিষ্ট্যসমূহ ফহিয়াই আলোচনা কৰিলেহে শিক্ষাদানৰ আচল স্বৰূপটো বুজাত স্পষ্ট হ'ব। তলত শিক্ষাদান পদ্ধতিৰ কিছুমান বৈশিষ্ট্য উল্লেখ কৰা হ'লÐ

- **শিক্ষাদান এক ত্রিকোণীয় (Triangular) পদ্ধতি ঃ** আধুনিক দৃষ্টিভঙ্গীৰ দিশৰ পৰা, শিক্ষাদান পদ্ধতি হ'ল এক ত্রিকোণীয় পদ্ধতি য'ত তিনিটা দিশ— শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু বিষয়বস্তু জড়িত হৈ থাকে।



এই পদ্ধতিত, শিক্ষকজনে ছাত্ৰ-ছাত্ৰী আৰু বিষয়বস্তুৰ মাজত সমন্বয় ঘটায়, কিয়নো তেওঁ ছাত্ৰ-ছাত্ৰীসকলক বুজি সেই মতে বিষয়বস্তুৰ সম্পূর্ণ ধাৰণা বা জ্ঞান তেওঁলোকক প্রদান কৰে।

- **শিক্ষাদানে সংবাদ প্রেৰণ কৰে আৰু জ্ঞানৰ উন্মেষ ঘটায় ঃ** শিক্ষাদান প্রক্রিয়াত শিক্ষকজনে দৰকাৰী সংবাদসমূহ ছাত্ৰ-ছাত্ৰীসকললৈ প্রেৰণ কৰে আৰু তেওঁলোকৰ জ্ঞানৰ উন্মেষ কৰে। উদাহৰণ স্বৰূপে, শিশু এটাই তেওঁৰ চাৰিওফালে কি ঘটি আছে সেই বিষয়ে একেবাৰে অজ্ঞ থাকে। গতিকে, সেই ক্ষেত্রত শিক্ষকজনে তেওঁক সম্ভাব্য সংবাদসমূহ প্রেৰণ কৰি তেওঁৰ জ্ঞানৰ বিকাশ ঘটায়। অৱশ্যে, তেওঁ শিশুটোক প্রথমে বুজি ল'ব লাগিব আৰু তেওঁৰ সামর্থ্য অনুসৰিহে যথাযথভাৱে

সংবাদবোৰ প্রণালীবদ্ধভাৱে মনোগ্রাহীকৈ প্রেৰণ কৰিব লাগে।

- **শিক্ষাদানক শিক্ষকসকলে ছাত্র-ছাত্রী আগ্রহান্বিত (Induce) কৰি তোলা উচিত ঃ** শিক্ষকসকলে ছাত্র-ছাত্রীসকলক কোনো কার্য্য কৰাৰ বাবে জোৰ দিব নালাগে। তেওঁলোকে আগ্রহ অনুযায়ী কামত মনোনিবেশ কৰিলেহে শিকাৰ প্রতি আগ্রহ জন্মিব। গতিকে, শিক্ষকসকলে পাঠবোৰ মনোগ্রাহী, উপকাৰত অহাকৈ শিকাব লাগে। ছাত্র-ছাত্রীসকলে যাতে নিজাববীয়াকৈ কিছু শিকিব পাৰে তাৰ প্রতি শিক্ষকসকলে গুৰুত্ব দিব লাগে।
- **শিক্ষাদান হ'ল উদ্দীপক শিক্ষণ (Stimulating Learning) ঃ** শিক্ষাদানে শিকাৰুসকলক কোনো এটা বিষয় শিকাৰ বাবে জাগ্রত কৰি তোলা দেখা যায়। অন্যহাতে, শিকাৰুসকল নিস্তব্ধ হৈ থকা দেখা যায়। সেয়ে, শিক্ষকসকলে এনে কিছুমান উপায়, নীতি বা পদ্ধতি অনুসৰণ কৰিব লাগে যাতে শিকাৰু বা ছাত্র-ছাত্রীসকলৰ শিকাৰ প্রতি ধাউতি জন্মে।
- **শিক্ষাদানে পৰামর্শ আগবঢ়ায় ঃ** শিক্ষাদান পদ্ধতিয়ে ছাত্র-ছাত্রীসকলক শুদ্ধ পথত থাকি সঠিক সময়ত, সঠিক সিদ্ধান্ত লোৱাত সহায় কৰে।
- **শিক্ষা প্রদানে পৰিৱেশৰ সৈতে সমাযোজন (Adjustment) অনাত সহায় কৰে ঃ** শিশুসকলক পৰিৱেশৰ সৈতে খাপ খাই চলাত শিক্ষা প্রদানে যথেষ্ট সহায় কৰে। শিক্ষাদানৰ দ্বাৰা শিক্ষকসকলে ছাত্র-ছাত্রীসকলক নতুন, পৰিৱর্তনশীল, বিভিন্ন পৰিৱেশৰ সৈতে সমাযোজন কৰাত সহায় কৰে।
- **শিক্ষাদানে শিশুৰ আৱেগিক (Emotional) উন্নতিত সহায় কৰে ঃ** শিক্ষাদান এনে এটা পদ্ধতি যাৰ দ্বাৰা শিক্ষকসকলে শিশুৰ আৱেগিক স্থিৰতা অনাত সহায় কৰে। সহানুভূতিশীল, উৎসাহদায়ক দৃষ্টিভঙ্গীৰ মাজেদি শিক্ষকসকলে ছাত্র-ছাত্রীসকলক শিক্ষা প্রদান কৰিলে তেওঁলোকৰ আৱেগিক দিশটো নিয়ন্ত্রণ কৰি ৰাখিব পাৰে।

১২.৩.৩ শিকনৰ স্বৰূপ

সাধাৰণ অর্থত, **শিকন** (Learning)ৰ দ্বাৰা ছাত্র-ছাত্রীসকলে যিকোনো কামৰ ধাৰণা, জ্ঞান, দৃষ্টিভঙ্গী লাভ কৰিব পাৰে। মানুহে বিভিন্ন পৰিৱেশৰ সৈতে সমাযোজন কৰি জীৱন অতিবাহিত কৰাটো এক প্রকাৰ ধর্ম। প্রতিটো ভিন্ন পৰিৱেশে ভিন্ন নতুন অভিজ্ঞতাৰ সমল যোগায় আৰু সেই অভিজ্ঞতাবোৰে ব্যক্তিৰ আচৰণত প্রভাৱ পেলায়। শিকনৰ দ্বাৰা ব্যক্তিসকলে পূর্ব্বৱর্তী অভিজ্ঞতাৰ সালসলনি ঘটাব পাৰে। ব্যক্তিৰ জন্মৰ পৰা মৃত্যুলৈকে এই শিকন প্রক্রিয়া অবিৰতভাৱে চলি থাকে। **শিকন** পদ্ধতিৰ বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল যাতে **শিকন** পদ্ধতিৰ অর্থ আৰু স্বৰূপ সহজে অনুমেয় হয়।

- **শিকন এক সমাযোজন প্রক্রিয়া ঃ** শিকনৰ দ্বাৰা ব্যক্তিসকলে জন্মৰ পৰা মৃত্যুলৈকে

বিভিন্ন পৰিৱেশৰ সৈতে সমাযোজন কৰি থাকিবলৈ শিক্ষা লাভ কৰে।

- **শিকন উদ্দেশ্যধর্মী ঃ** শিকন প্রক্রিয়া সদায়েই উদ্দেশ্যধর্মী আৰু লক্ষ্যমুখী। প্রত্যেক শিকনৰ সৈতে একোটা উদ্দেশ্য নিহিত হৈ থাকে।
- **শিকন হ'ল কার্য্যক্ষম পদ্ধতি ঃ** শিকন কেতিয়াও গৌণ পদ্ধতি নহয়, ই এবিধ মুখ্য পদ্ধতি য'ত শিকাৰুসকলে নতুন পৰিৱেশৰ মুখামুখি হ'বলৈ মন, হৃদয়ৰ সৈতে জড়িত হৈ পৰে আৰু ভৱিষ্যত পৰিৱেশৰ লগত সমাযোজন কৰাত সহায় কৰে।
- **শিকন হ'ল গঠনমূলক অভিজ্ঞতা ঃ** জটিল মন এটা গঠন কৰিবলৈ হ'লে পূর্বৱর্তী অভিজ্ঞতাৰ লগত নতুন অভিজ্ঞতাৰ সমন্বয়ৰ মাজেৰে হ'ব লাগিব যিটো একমাত্র শিকন পদ্ধতিৰ দ্বাৰাহে সম্ভব হয়। এই পদ্ধতিয়েই শিকাৰুসকলক এটা গঠনমূলক জটিল মনৰ বিকাশ ঘটোৱাত সহায় কৰে।
- **শিকন হ'ল বৌদ্ধিক আৰু সৃজনীমূলক কার্য্য ঃ** জীৱজন্তুৰ ক্ষেত্রত, সকলো শিকনেই হল প্রবৃত্তি বা প্রেৰণাদায়ক। কিন্তু, মানুহৰ ক্ষেত্রত বুদ্ধি আৰু সৃজনশীলতাৰ দ্বাৰা শিকনৰ সৃষ্টি হয়। ব্যক্তিসকলে নতুন অভিজ্ঞতাৰ পৰা শিক্ষাৰ লক্ষ্য আৰু তেওঁলোকৰ ভৱিষ্যত জীৱনটোক পৰিচালনা কৰে।
- **শিকন হ'ল ব্যক্তিকেন্দ্রিক আৰু সামাজিক ঃ** ব্যক্তি হ'ল সামাজিক প্রাণী, বিভিন্ন ব্যক্তিৰ সৈতে মিলামিছা কৰি নতুন অভিজ্ঞতা অর্জন কৰে। সমাজ আৰু ব্যক্তিৰ আদান প্রদানৰ মাজেদি মানুহে বিভিন্ন কথা শিকে।
- **শিকন হ'ল পৰিৱেশৰ সৃষ্টি ঃ** সকলো শিকন প্রক্রিয়াই বিভিন্ন শাৰীৰিক আৰু সামাজিক পৰিৱেশত গঢ় লয়। পৰিৱেশে মানুহক বিভিন্ন ধৰণৰ শিক্ষা প্রদান কৰে।
- **শিকনে আচৰণৰ স্থায়ী পৰিৱর্তন আনে ঃ** শিকনৰ দ্বাৰা ব্যক্তিসকলৰ আচৰণলৈ স্থায়ী পৰিৱর্তন আহে। শিকাৰুসকলৰ সম্পূর্ণ আচৰণত শিক্ষাদানৰ প্রভাৱ পৰাৰ ফলত শিকন ব্যৱস্থাক আচৰণ পৰিৱর্তনৰ কৌশল সংশোধন কার্য্য বুলি গণ্য কৰা হয়।

ওপৰত শিক্ষণ আৰু শিকন পদ্ধতিৰ স্বৰূপ বেলেগে বেলেগে আলোচনা কৰাৰ পিছত, শিক্ষণ-শিকন পদ্ধতিৰ স্বৰূপ একেলগে বুজিবলৈ কঠিন নহ'ব। শিক্ষণ-শিকন এনেকুৱা পদ্ধতি বা উপায় যিটোৰদ্বাৰা সমাজে উঠি অহা চামক সামাজিক অনুষ্ঠান, যেনে—বিদ্যালয় বা মহাবিদ্যালয়ৰ যোগেদি শিক্ষা প্রদান কৰি আহিছে যাতে তেওঁলোকে বসবাস কৰা পৃথিৱীখনত সহজে খাপ খাই চলিব পাৰে। শিক্ষাদান নোহোৱাকৈ শিকিব নোৱাৰি বা শিকন অবিহনে শিক্ষাদান হ'ব নোৱাৰে। আধুনিক যুগত, শিক্ষাদান **শিকন** প্রক্রিয়াত শৈক্ষিক (Educative) পদ্ধতি বুলি গণ্য কৰা হয়। শৈক্ষিক পদ্ধতিক শিক্ষকসকলৰ দিশৰ পৰা শিক্ষাদান বোলে আৰু শিকাৰুৰ দিশৰ পৰা শিকন বা শিকা পদ্ধতি বোলে। সঁচা অর্থত, শৈক্ষিক পদ্ধতিক শিক্ষাদান-শিকন পদ্ধতি বুলি জনা যায় য'ত শিক্ষকসকলে শিকায় আৰু শিকাৰুসকলে শিকে। ই এবিধ ত্রিকোণীয় পদ্ধতি।

পৰিবেশক লৈ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত এক এৰাব নোৱাৰা সম্পৰ্ক স্থাপন কৰে। এই পদ্ধতিৰদ্বাৰা শিক্ষক আৰু শিকাৰুসকলে শৈক্ষিক অভিজ্ঞতাবোৰ ভাগ-বতৰা কৰে।

১২.৪ শিক্ষণ - শিকন - মূল্যাঙ্কন

শিক্ষাদান, শিকন আৰু মূল্যাঙ্কন হ'ল শিক্ষণ পদ্ধতিৰ তিনিটা মূল বস্তু। ইয়াৰ শিক্ষাদান স্তৰটোৱে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। অৱশ্যে এই তিনিওটা স্তৰ আন্তঃসম্বন্ধৰে সম্পৰ্কিত। অৰ্থাৎ শিক্ষাদান প্ৰক্ৰিয়া, শিক্ষণ আৰু মূল্যাঙ্কন —ইটোৰ সিটোৰ এৰাব নোৱাৰাকৈয়ে সম্পৰ্কিত হৈ থাকে। ইয়াৰ মূল্যাঙ্কন হ'ল এবিধ পৰিমাপক পদ্ধতি। ইয়াৰ জৰিয়তে শিকন উদ্দেশ্যাৱলী, শ্ৰেণীকোঠাত শিকনৰ অভিজ্ঞতা আৰু শিক্ষণৰ লক্ষ্য সমূহ নিৰ্ধাৰণ কৰা হয়। ই এটা অবিৰত প্ৰক্ৰিয়া, যি প্ৰক্ৰিয়াই শৈক্ষিক উদ্দেশ্যাৱলী নিৰ্ধাৰণ কৰাৰে পৰা আৰম্ভ কৰি শিক্ষণ-শিকনৰ অভিজ্ঞতা অৰ্জনৰ সুবিধা প্ৰদান কৰা আৰু শিক্ষণীয় কাৰ্য্যৰ ফলাফল মূল্যায়ন কৰালৈকে সাঙুৰি লয়। ছাত্ৰ-ছাত্ৰীৰ আচৰণ সংশোধন কৰাই শিক্ষণীয় কাৰ্য্যৰ মূল লক্ষ্য। মূল্যাঙ্কন এনে এক পদ্ধতি যাৰ দ্বাৰা আমি ছাত্ৰ-ছাত্ৰীৰ আচৰণ সংশোধন কৰিব লাগিব নে নালাগে বুজিব পৰা যায়। মূল্যাঙ্কনৰ দ্বাৰা শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ শিক্ষণ-শিকন প্ৰণালী সফলতা বা বিফলতা প্ৰত্যাৱৰ্তন লাভ কৰিব পাৰে। শিক্ষণীয় উদ্দেশ্য চিনাক্তকৰণৰ প্ৰথম পৰিকল্পনাত মূল্যাঙ্কন পদ্ধতিৰ কথা চিন্তা কৰা হয়। শিক্ষণীয় কাৰ্য্যৰ প্ৰত্যেকটো স্তৰতে মূল্যাঙ্কনৰ দ্বাৰা শিক্ষণীয় প্ৰক্ৰিয়াৰ সফলতা বৃদ্ধি কৰা উচিত। যিয়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় পৰিৱৰ্তনৰ বাট সূচল কৰিব পাৰে। সেয়েহে, মূল্যাঙ্কন হ'ল শিক্ষণ-শিকন পদ্ধতিৰ এক অপৰিহাৰ্য অংগ আৰু ইয়াৰ মুখ্য উদ্দেশ্য কেৱল ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষা ভিত্তিক সফলতা পোৱাৰ মাপকাঠিয়েই নহয়, বৰঞ্চ শিকন পদ্ধতি আৰু অধিক উন্নতমানৰ কৰি তোলা। শিক্ষণ-শিকন প্ৰক্ৰিয়া এক শৈক্ষিক প্ৰক্ৰিয়া য'ত মূল্যাঙ্কন হ'ল দৰকাৰী অংশ, যাৰ অবিহনে সমগ্ৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া অসম্পূৰ্ণ হৈ ৰ'ব।



জানি থোৱা ভাল

- শিক্ষাদান পদ্ধতিৰ মূল বৈশিষ্ট্যবোৰ হ'ল— (ক) ই এবিধ ত্ৰিকোণীয় পদ্ধতি (খ) ই সংবাদ আৰু জ্ঞান দিয়ে (গ) ই শিকাৰ সমল (ঘ) ই পৰিচালনা কৰে (ঙ) ই শিশুৰ আৱেগিক দিশৰ উন্নতিত সহায় কৰে।
- শিকন পদ্ধতিৰ মূল বৈশিষ্ট্যবোৰ হ'ল— ই এক সমাযোজনা, উদ্দেশ্যমুখী আৰু কাৰ্য্যক্ষম পদ্ধতি।
- শিক্ষাত, মূল্যাঙ্কনৰ দ্বাৰা শিক্ষণ-শিকন পদ্ধতিত জড়িত কাৰ্যসমূহৰ প্ৰকৃত মূল্যায়ন, এই পদ্ধতিত জড়িত বিভিন্ন কৌশলবোৰৰ পৰা পোৱা ফলাফলখিনিক বিভিন্ন স্তৰত অনুমান কৰা হয়।
- শৈক্ষিক পদ্ধতিত শিক্ষাদান, শিকন আৰু মূল্যায়ন হ'ল তিনিটা খুঁটি য'ত শিক্ষাদানে মুখ্য স্থান দখল কৰি আছে। তিনিটাৰ মাজত থকা সহ-সম্বন্ধ অনুমান কৰা হয়,

যেনে— ই শিক্ষাদানৰ উদ্দেশ্যসমূহ (লক্ষ্যবোৰ), শিকনৰ অভিজ্ঞতাসমূহ (উপায়) আৰু মূল্যাঙ্কন (যাৰ দ্বাৰা কি শিকা হৈছে বা কি শিকাব তাৰ প্ৰমাণ)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ শিক্ষণ আৰু শিকনৰ স্বৰূপৰ বিষয়ে বৰ্ণনা কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ মূল্যাঙ্কন আৰু শিক্ষণ-শিকনৰ মাজৰ সম্পৰ্ক আপুনি কি দৰে বৰ্ণনা কৰিব ?

.....

.....

.....

.....



চিন্তা-চৰ্চা কৰক ১২.২

শ্ৰেণীকোঠাৰ এখন দৃশ্যাৱলী প্ৰস্তুত কৰক য'ত শিক্ষাদান, শিকন আৰু মূল্যাঙ্কন প্ৰক্ৰিয়া জড়িত হৈ থাকে।

.....

.....

.....



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষণ আৰু শিকন, শিক্ষণীয় কাৰ্যৰ এটা মুদ্ৰাৰ দুটা পিঠি সদৃশ। ই সাৰ্বজনীন প্ৰক্ৰিয়া যিটোৰ দ্বাৰা মানুহ আৰু জীৱ জন্তুবোৰে দৈনন্দিন জীৱনত নিজকে সমাযোজন কৰি ৰাখিব পাৰে। জন্মৰ পৰা মৃত্যুলৈকে চলি থকা ই এবিধ অবিৰত প্ৰক্ৰিয়া। গতিকে শিক্ষণ-শিকন এনে এটা প্ৰক্ৰিয়া যাৰ দ্বাৰা সমাজে উঠি অহা চামক সমাজত চলিবৰ বাবে তেওঁলোকে বাস কৰা সমাজত চলি থাকিবৰ বাবে শিক্ষা দিয়ে।
- শিক্ষণ-শিকন পদ্ধতি সদায়েই দুটা ধাৰণাৰ সৈতে জড়িত। ধাৰণা দুটা হ'ল পৰম্পৰাগত আৰু আধুনিক ধাৰণা। পৰম্পৰাগত পদ্ধতিত শিক্ষকজনে শিক্ষা ব্যৱস্থাটোক নিয়ন্ত্ৰণ কৰি থাকে, আনহাতে শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিকন পদ্ধতি, শিকনৰ পৰিৱেশ আদিবোৰ

উপাদানক লৈ আধুনিক পদ্ধতি সৃষ্টি হৈছে য'ত শিক্ষকৰ বাদেও শিকাৰু বা ছাত্র-ছাত্রীসকলে শিক্ষা ব্যৱস্থাক নিয়ন্ত্রণ কৰে যদিও শিক্ষকসকলে সমানে গুৰুত্বপূর্ণ। আধুনিক দিশৰ পৰা শিক্ষাদান ব্যৱস্থাটো হ'ল একপ্রকাৰ ত্রিকোণীয় ব্যাৱস্থা য'ত তিনিটা দিশ— শিক্ষক, ছাত্র-ছাত্রী আৰু বিষয়বস্তু সাঙোৰ খাই থাকে।

- শিক্ষাদান প্রক্রিয়াত দৰকাৰী সংবাদবোৰ আৰু জ্ঞান শিক্ষকৰ দ্বাৰা ছাত্র-ছাত্রীসকলক দিয়া হয়। শিকনৰ মূল আহিলা হল শিক্ষাদান। সাধাৰণ অর্থত, শিকনত কোনো বিষয়ৰ জ্ঞান, কৌশল, দৃষ্টিভঙ্গী আদি দিশত জ্ঞান অর্জন কৰা বুজায়। শিকন হ'ল এক ধৰণৰ সমাযোজনা, উদ্দেশ্যধর্মী আৰু কার্য্যক্ষম পদ্ধতি আৰু এক গঠনমূলক অভিজ্ঞতা কিয়নো ই ছাত্র-ছাত্রীৰ আচৰণবোৰলৈ স্থায়ী পৰিৱর্তন আনে। শিক্ষাগত দিশৰ পৰা মূল্যাঙ্কনৰ দ্বাৰা শিক্ষণ-শিকন পদ্ধতিত জড়িত কৌশল, কার্য্যাৱলী সমূহৰ সম্ভাব্য মূল্যায়ন কৰে আৰু সময়ে সময়ে সেই কার্যাৱলীসমূহৰ ফলাফল পৰিমাপণ কৰে।
- শিক্ষাদান, শিকন আৰু মূল্যাঙ্কন হ'ল শৈক্ষিক পদ্ধতিৰ তিনিটা স্তম্ভ। তিনিওটাৰে মাজত এক আন্তঃসম্বন্ধ পৰিলক্ষিত হয়, যেনে— শিক্ষণৰ উদ্দেশ্যাৱলী (লক্ষ্যবোৰ), শিকনৰ বা শিকাৰ অভিজ্ঞতাবোৰ (উপায়বোৰ) আৰু মূল্যাঙ্কন (কি শিকোৱা হ'ল আৰু কি শিকিলে তাৰ প্রমাণ)।



১২.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Mathur, Dr. S. S. (1996). *Teacher And Secondary Education*. Agra: Vinod Pustak Mandir.
2) Singh, Arun Kumar (1997). *Tests, Measurements and Research Methods in Behavioural Sciences*. Patna: Bharati Bhawan.



১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষণ-শিকন প্রক্রিয়াৰ দ্বাৰা সমাজত উঠিঅহা চামক তেওঁলোকে বসবাস কৰা সমাজত সফলভাৱে সমাযোজন কৰিবলৈ প্রশিক্ষণ দিয়া হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষণ-শিকন পদ্ধতিৰ দুটা ধাৰণা আছে— পৰম্পৰাগত আৰু আধুনিক ধাৰণা।

৩ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাদান সাধাৰণতে ত্রিকোণীয় পদ্ধতি য'ত শিক্ষাদান, শিকন আৰু বিষয়বস্তু থাকে। ইয়াৰ দ্বাৰা শিকাৰুসকলক জাগ্রত কৰা হয়, শিশুসকলক আৱেগিক সমর্থন

দিয়াৰ লগতে তেওঁলোকে বাস কৰা সমাজত সমাযোজনা কৰি বাস কৰিবলৈ শিকোৱা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষাদান, শিকন আৰু মূল্যাঙ্কন হ'ল শৈক্ষিক পদ্ধতিৰ তিনিটা স্তম্ভ। তিনিওটাৰে মাজত এক আন্তঃসম্বন্ধ পৰিলক্ষিত হয়, যেনে— শিক্ষণৰ উদ্দেশ্যাৱলী (লক্ষ্যবোৰ), শিকনৰ বা শিকাৰ অভিজ্ঞতাবোৰ (উপায়বোৰ) আৰু মূল্যাঙ্কন (কি শিকোৱা হ'ল আৰু কি শিকিলে তাৰ প্ৰমাণ)।



১২.৮ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিক্ষণ-শিকন পদ্ধতিৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ "শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰস্পৰিকি ক্ৰিয়াই হ'ল শিক্ষণ-শিকন পদ্ধতি।" —চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ "শিক্ষণ হ'ল এক ত্ৰিকোণীয় প্ৰক্ৰিয়া।" —বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ পৰম্পৰাগত শিক্ষণ-শিকন পদ্ধতি বা প্ৰক্ৰিয়া আধুনিক শিক্ষণ-শিকন পদ্ধতিতকৈ কি দৰে পৃথক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিক্ষণ মানে কি বুজে? ইয়াৰ প্ৰকৃতি বা স্বৰূপৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ শিকন মানে কি বুজে? ইয়াৰ প্ৰকৃতি বা স্বৰূপৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ শিক্ষণ আৰু শিকন কি দৰে জড়িত ?

প্ৰশ্ন ৪ ঃ "শিক্ষণ-শিকন আৰু মূল্যাঙ্কনক শিক্ষাৰ তিনিটা স্তম্ভ বুলি কোৱা হয়।" —আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ মূল্যাঙ্কন আৰু ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ

অধ্যায় গাঁথনি

13.1 উদ্দেশ্য

13.2 পৰিচয়

13.3 মূল্যাঙ্কনৰ অর্থ আৰু সংজ্ঞা

- 13.3.1 মূল্যাঙ্কনৰ অর্থ
- 13.3.2 মূল্যাঙ্কনৰ সংজ্ঞা
- 13.3.3 মূল্যাঙ্কনৰ উদ্দেশ্য
- 13.3.4 মূল্যাঙ্কনৰ পৰিসৰ
- 13.3.5 মূল্যাঙ্কনৰ কার্য্যাৱলীসমূহ
- 13.3.6 মূল্যাঙ্কনৰ আহিলা আৰু কৌশলসমূহ

13.4 মূল্যাঙ্কনৰ প্ৰকাৰ

13.5 মূল্যাঙ্কনৰ সমস্যাসমূহ

13.6 ফলপ্ৰসূ মূল্যাঙ্কনৰ বাবে পৰামর্শ

13.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

13.8 অধিক জানিবলৈ

13.9 অগ্ৰগতিৰ খতিয়ান

13.10 আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- মূল্যাঙ্কনৰ ধাৰণা, উদ্দেশ্য, পৰিসীমা চিনাক্তকৰণ কৰিব পাৰিব
- মূল্যাঙ্কনৰ বিভিন্ন প্ৰকাৰবোৰৰ সৈতে পৰিচয় লাভ কৰিব
- মূল্যাঙ্কনৰ বিভিন্ন সমস্যাৱলীৰ বর্ণনা আৰু মূল্যাঙ্কন পদ্ধতি ফলপ্ৰসূ কৰাৰ বাবে আগবঢ়োৱা সমাধানসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

এটা শিক্ষণ প্ৰক্ৰিয়া বা পদ্ধতি জোখাত মূল্যাঙ্কনে সহায় কৰে। আকৌ, এটা শিক্ষা পদ্ধতিৰ বা শিক্ষণ শিকন প্ৰক্ৰিয়াৰ সৱল আৰু দূর্বল দিশবোৰ জনাত মূল্যাঙ্কনে বাট দেখুৱাই। সেয়েহে, এখন শৈক্ষিক অনুষ্ঠানৰ বাবে মূল্যাঙ্কন এক এৰাব নোৱাৰা অংশ —যাৰ জৰিয়তে অনুষ্ঠান এখনৰ শৈক্ষিক ফলাফল নির্ধাৰণ কৰে। এই অধ্যায়টিৰ দ্বাৰা আমি মূল্যাঙ্কন অর্থ, উদ্দেশ্য, পৰিসৰ জনাৰ উপৰিও বিভিন্ন প্ৰকাৰৰ মূল্যাঙ্কন, মূল্যাঙ্কনৰ বিভিন্ন সমস্যাৰাজি আৰু ফলপ্ৰসূ মূল্যাঙ্কনৰ বাবে আগবঢ়োৱা সমাধানসমূহৰ বিষয়ে জানিব পাৰিব ।

১৩.৩ মূল্যাঙ্কনৰ অর্থ আৰু সংজ্ঞা

প্ৰত্যেক মানুহৰ আচৰণে কিছু বাঞ্ছিত ফলাফলৰ বাবে আগুৱাই যায়। শিক্ষাৰ ক্ষেত্ৰতো, শিক্ষাই কিছুমান নির্দিষ্ট লক্ষ্য বা উদ্দেশ্য সাধনৰ বাবে আগবাঢ়ি যায়। শিক্ষকৰ প্ৰধান দায়িত্ব হ'ল তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ আচৰণত বাঞ্ছিত পৰিৱর্তন অনা, তাৰ বাবে তেওঁলোকৰ শ্ৰেণীকোঠাত শিক্ষণীয় বিভিন্ন কৌশল পদ্ধতি প্ৰয়োগ কৰিব লাগিব। তাৰ পিছত তেওঁ শিক্ষণ প্ৰণালীৰদ্বাৰা পোৱা ফলাফলখিনি জুকিয়াই ল'ব লাগিব, লগতে ছাত্ৰ-ছাত্ৰীসকলৰ আচৰণৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। গতিকে, মূল্যাঙ্কন হ'ল এটা পদ্ধতি যাৰ দ্বাৰা শিক্ষকজনে গুণগত আৰু সংখ্যাগতভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ আচৰণ আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ ফলাফল পৰিমাপ কৰিব পাৰে।

১৩.৩.১ মূল্যাঙ্কনৰ অর্থ

শিক্ষা জগতত মূল্যাঙ্কন হ'ল শিক্ষণ শিকন পদ্ধতিত জড়িত হৈ থকা কার্য্যাৱলীসমূহৰ আনুমানিক নির্ধাৰণ। এই প্ৰক্ৰিয়াত বিভিন্ন কৌশল, পদ্ধতি অৱলম্বন কৰি শিক্ষকসকলে শিকাৰু সকলৰ কার্য্যাৱলীসমূহৰ পৰা সময়ে সময়ে কিছুমান ফলাফল মূল্যাঙ্কন কৰে। শিক্ষাৰ মূল্যাঙ্কন আৰু পৰিমাপণ শব্দ দুটাৰ সঘনে ব্যৱহাৰ হোৱা দেখা যায়। মূল্যাঙ্কন এক বহল অর্থত ব্যৱহৃত হয় যিটোৱে পৰিমাপণ শব্দকো সামৰি লয়। শিক্ষা হ'ল এটা পদ্ধতি য'ত মানুহৰ আচৰণৰ আমূল পৰিৱর্তন ঘটে। শিক্ষানুষ্ঠানসমূহৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ আচৰণত শৈক্ষিক উদ্দেশ্যাৱলীৰ প্ৰতিফলন ঘটে।মূল্যাঙ্কন হ'ল এটা কৌশল যাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ গুণ বা মূল্য নিৰূপণ কৰা হয়। আমি বিভিন্ন সংজ্ঞাসমূহৰ মাজেদি আগবাঢ়িলে মূল্যাঙ্কনৰ ধাৰণাটো বুজি পামহঁক।

১৩.৩.২ মূল্যাঙ্কনৰ সংজ্ঞাসমূহ

মূল্যাঙ্কন হ'ল এক নতুন বৈজ্ঞানিক ধাৰণা। ইয়ে পৰিমাপণৰ ধাৰণাতকৈ বহুত ব্যাপক। মূল্যাঙ্কনৰ দ্বাৰা যিকোনো বস্তুৰে মূল্য বা মাত্ৰাৰ (Value) হিচাপ নির্ধাৰণ বা নিৰূপন কৰা হয়।

- টাক্‌মেন (Tuckman)ৰ মতে, "মূল্যাঙ্কন এটা পদ্ধতি য'ত কোনো বিষয়ৰ বিভিন্ন অংশ, পদ্ধতি বা ফলাফলবোৰ পৰীক্ষা কৰা হয় যাতে সেইবোৰ সন্তোষজনক হয়, বিশেষকৈ কার্য্যসূচীসমূহৰ উদ্দেশ্যত, আমাৰ আশাবোৰত নাইবা আমাৰ নিজস্ব গুণসমূহৰ মানদণ্ডত।"

  (According to Tuckman, "Evaluation is a process wherein the parts, processes or outcomes of a programme are examined to see whether they are satisfactory, particularly with reference to the programme's stated objective, our expectations or our own standard of excellence.")

- জেমছ্ এম. ব্ৰেডফিল্ড (James M. Bradfield)ৰ মতে "মূল্যাঙ্কন হ'ল চিহ্নৰ পৰা ঘটনালৈকে মূল্যায়ন যাতে ঘটনাসমূহৰ মূল্য বা যোগ্যতাখিনি সামাজিক, সাংস্কৃতিক, বৈজ্ঞানিক দিশৰ পৰা চিহ্নিত কৰিব পৰা যায়।"

  (According to James M. Bradfield, "Evaluation is the assessment of symbols to phenomenon, in order to characterise the worth or value of a phenomenon usually with reference to some social, cultural and scientific standards.")
- হান্নাৰ (Hanna)ৰ মতে, "মূল্যাঙ্কন পদ্ধতি হ'ল সকলো ছাত্ৰ-ছাত্ৰীৰ আচৰণৰ পৰিৱৰ্তনৰ সাক্ষীৰ ব্যাখ্যা আৰু একত্ৰীকৰণ কৰা যিটো তেওঁলোকে বিদ্যালয়ৰ যোগেদি উন্নত কৰিব পাৰে।"

  (According to Hanna, "Evaluation is the process of gathering and interpreting evidence on change in the behaviour of all students as they progress through school.")
- ৰাইটিংষ্টোনৰ (Writingstone) ভাষাত,"মূল্যাঙ্কন প্ৰাসঙ্গিকভাৱে নতুন কৌশলগত শব্দ যিটোৱে পৰিমাপণৰ ধাৰণাকে ব্যাপক অৰ্থত পৰিচয় কৰাই দিয়ে, যিটো প্ৰথাগত অভীক্ষা আৰু পৰীক্ষাত প্ৰযোজ্য হয়।"

  (According to Writingstone, "Evaluation is a relatively new technical term introduced to designate a more comprehensive concept of measurement that is implied in conventional test and examination.")
- ক্লাৰা এম. ব্ৰাউনৰ (Clara M. Brown)ৰ মতে, "মূল্যাঙ্কন হ'ল শেষ নোহোৱা গতি যিয়ে লক্ষ্যবোৰ স্থিৰ কৰে, উন্নতিৰ অনুমান কৰে, নতুন লক্ষ্যবোৰ চিহ্নিত কৰে। মূল্যাঙ্কন পৰিমাপণৰ সৈতে জড়িত যিয়ে পৰিমাপগত, উদ্দেশ্যধৰ্মী সাক্ষীৰ অৰ্থ বহন কৰে। বহল অৰ্থত ই পৰিমাপণতকৈ ব্যাপক আৰু ই কিছুমান মূল্য আৰু মানদণ্ডক সাঙুৰি লয় আৰু বিশেষ অৱস্থাত সাক্ষীৰ ব্যাখ্যাসমূহ সজায়।"

  (According to Clara M. Brown, "Evaluation is essential in the never ending cycle of formulating goals, measuring progress towards them and determining the new goals which merge as a result of new warnings. Evaluation involves measurement, which means objective, quantitative evidence. But it is broader than measurement and implies that considerations have been given to certain values, standards and that interpretation of the evidence has been made in the light of the particular situation.")

ওপৰৰ সংজ্ঞাসমূহৰ পৰা এইটো স্পষ্ট হৈছে যে শৈক্ষিক পদ্ধতিত মূল্যাঙ্কনে ব্যাপক কার্য্যসূচীক সামৰি লয় য'ত ছাত্ৰ-ছাত্ৰীৰ উন্নতি, দৃষ্টিভঙ্গী, মনোযোগ আদি ব্যক্তিগত গুণসমূহ, বিভিন্ন কৌশলসমূহকো বিবেচনা কৰা হয়। ই বস্তু বা ঘটনাৰ মানদণ্ড নির্ধাৰণ কৰে। এই মানদণ্ড সামাজিক, সাংস্কৃতিক, বৈজ্ঞানিক হ'ব পাৰে। লগতে ই সত্য বা স্বেচ্ছাচাৰীও হ'ব পাৰে, উদাহৰণ স্বৰূপে, এজন নিৰীক্ষকে এজন ছাত্ৰৰ 30 ইঞ্চি উচ্চতা পালে আৰু চাপৰ ব্যক্তি বুলি পৰিমাপণ কৰে। ইয়াত 30 ইঞ্চি হ'ল (যিটো উচ্চতাৰ বর্ণনা) পৰিমাপণৰ উদাহৰণ আৰু যেতিয়া তেওঁৰ উচ্চতাক মানদণ্ড হিচাপে লৈ সেই বয়সৰ আন ছাত্ৰৰ লগত তুলনা কৰা হ'ল, তেতিয়া ছাত্ৰজনৰ উচ্চতা অনুযায়ী চাপৰ বুলি বোধগম্য হ'ল যিটোক মূল্যাঙ্কন বুলি কব পাৰি।

মূল্যাঙ্কনক মূল্য, ধাৰণা, কাম, সমাধান, পদ্ধতি, বিষয়বস্তু, ইত্যাদিবোৰৰ বিচাৰধাৰা হিচাপে গণ্য কৰিব পাৰি। উদাহৰণ স্বৰূপে, যেতিয়া শিক্ষকজনে পৰীক্ষাৰ নম্বৰসমূহ গ্ৰেড (Grade) যেনে— এ, বি, চি, ডি বা ভাল, অতি ভাল, নিম্ন, ইত্যাদিলৈ পৰিৱর্তন কৰে, তেতিয়া শিক্ষকজনৰ এনে মূল্যাঙ্কনক মূল্য বিচাৰ (Value Judgement) বুলি আখ্যা দিয়া হয়। গতিকে, মূল্যাঙ্কনৰ ধাৰণা অবিহনে শিক্ষা পদ্ধতিৰ উন্নতি নহয়।

১৩.৩.৩ মূল্যাঙ্কনৰ উদ্দেশ্য

মূল্যাঙ্কন পদ্ধতিৰ বিভিন্ন উদ্দেশ্য পোৱা যায়। সেইবোৰ হ'ল—

- প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ বাবে কিছুমান অৱস্থা পৰিচালনা কৰে।
- ছাত্ৰ-ছাত্ৰীসকলৰ শক্তিশালী আৰু দুর্বলতাৰ দিশবোৰ নির্ণয় কৰে।
- আৱশ্যক অনুযায়ী প্ৰতিৰোধৰ উপায়বোৰৰ পৰিসৰ চিহ্নিত কৰে।
- বিষয়বস্তু বা পাঠ্যপুথিবোৰ সংশোধনৰ বাবেও সুবিধা ৰাখে।
- ছাত্ৰ-ছাত্ৰীসকলক দলবদ্ধ বা ব্যক্তিগতভাৱে আহৰণ কৰা অভিজ্ঞতাখিনিক পৰিচয় কৰাই দিবৰ বাবে ভেটি প্ৰস্তুত কৰে।
- ছাত্ৰ-ছাত্ৰীসকলক সঠিক বিকাশ লাভ কৰাত উৎসাহ যোগায়।
- শিক্ষকসকলক শিকন অভিজ্ঞতা নিজে মূল্যাঙ্কন কৰাৰ বাবে সুযোগ প্ৰদান কৰে।
- নির্দেশাত্মক পদ্ধতি উন্নত কৰিব পাৰে।
- ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা, যেনে— দৃষ্টিভঙ্গী, অভ্যাস, প্ৰশংসা, বুজা ক্ষমতা, জ্ঞান অর্জন কৰাৰ ক্ষমতা আদিবোৰক বিকাশ কৰে।

১৩.৩.৪ মূল্যাঙ্কনৰ পৰিসৰ

পৰিমাপণৰ পৰিসৰতকৈ মূল্যাঙ্কনৰ পৰিসৰ বহু ব্যাপক। মূল্যাঙ্কনে ছাত্ৰ-ছাত্ৰীসকলৰ উন্নতিৰ পৰিমাপণ কৰায়েই নহয় বৰং তেওঁলোকৰ উন্নতি কৰাৰ ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰে। সমগ্ৰ শিক্ষা পদ্ধতিটোৱে শিক্ষাৰ উদ্দেশ্য, বিষয়বস্তু বা পাঠ্যক্ৰম,

শিক্ষণ-শিকন প্ৰক্ৰিয়া আদি জড়িত হৈ থাকে আৰু এইবোৰৰ সময় সাপেক্ষে মূল্যায়ন কৰা হয়। যদি কেতিয়াবা সেইবোৰৰ কোনো ত্ৰুটি বা দোষ চিহ্নিত হয় তেতিয়া যথাযথ প্ৰয়োজনীয় ব্যৱস্থা ল'ব পৰা যায়। সেয়ে, মূল্যায়ন পদ্ধতিক এৰাই চলিব পৰা বিধৰ নহয়। এই মূল্যায়ন পদ্ধতি প্ৰাথমিক পৰ্য্যায়ৰ পৰা উচ্চ পৰ্য্যালয়লৈ ব্যাপ্ত হৈ থাকে। মূল্যায়নে ছাত্ৰ-ছাত্ৰীৰ আচৰণত ক্ৰিয়া কৰি এক সুস্থ ব্যক্তিত্বৰ জন্ম দিয়ে। অৱশেষত ক'ব পৰা যায় যে মূল্যায়নৰ পৰিসৰে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক আত্ম নিৰূপণকাৰী (Self appraisal) হিচাপে তৈয়াৰ কৰে যাতে প্ৰত্যেকে নিজৰ উদ্দেশ্যত সফল হৈ একোজন আত্ম মূল্যাঙ্কনকাৰী হ'ব পাৰে। শিক্ষকসকলেও নিজৰ শিক্ষণ বা শিকনৰ পদ্ধতিটোৰ কৃতকাৰ্য্যতা বা ব্যৰ্থতাখিনি মূল্যাঙ্কন পদ্ধতিৰ মাজেদি মূল্যায়ন কৰি ল'ব পাৰে।

১৩.৩.৫ মূল্যাঙ্কনৰ কাৰ্য্যৱলীসমূহ

চমুকৈ, মূল্যাঙ্কনৰ কাৰ্য্যসমূহ তলত দিয়া ধৰণৰ—

- ই শিক্ষণৰ উদ্দেশ্যসমূহৰ কৃতিত্বৰ প্ৰসাৰ বা আয়তন নিৰ্ধাৰণ কৰে।
- ই প্ৰতিকাৰৰ উপায়সমূহ দেখুৱায় যাতে নিৰ্দেশাত্মক পদ্ধতিৰ আঁসোৱাসমূহ দূৰ কৰিব পাৰে।
- ই শিক্ষণ পদ্ধতিক ফলপ্ৰসূ কৰিবলৈ বিভিন্ন কৌশল, পদ্ধতি, সা-সঁজুলি প্ৰদান কৰে আৰু আৱশ্যক অনুযায়ী কিছু ক্ষেত্ৰত শিক্ষা প্ৰদান ব্যৱস্থাৰ সংশোধন ঘটাই উন্নতিৰ বাবে জোৰ দিয়ে।
- ই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়কে সুস্থ ফলাফল জনাত সহায় কৰে।
- একোটা অৰ্থযুক্ত প্ৰতিমানীকৃত অভীক্ষা (Standardized Test) উন্নীতকৰণ কৰাত মূল্যাঙ্কন প্ৰক্ৰিয়াই সহায় কৰে।

১৩.৩.৬ মূল্যাঙ্কনৰ আহিলা আৰু কৌশলসমূহ

আহিলা আৰু কৌশলবোৰ এনে কিছুমান উপায় যাৰ দ্বাৰা মূল্যাঙ্কন কৰা হয়। বহল অৰ্থত, এইবোৰক দুটা ভাগত ভাগ কৰিব পাৰি—

ক) পৰিমাণগত কৌশল (Quantative Technique)

খ) গুণগত কৌশল (Qualitative Technique)

ক) পৰিমাণগত কৌশলবোৰ ঃ পৰিমাণগত কৌশলবোৰ যথেষ্ট বিশ্বাসযোগ্য আৰু বৈধ। এই কৌশলবিধক তিনি ভাগত ভাগ কৰিব পাৰি— মৌখিক, লিখিত আৰু ব্যৱহাৰিক। মৌখিক কৌশলবোৰ হ'ল মৌখিক প্ৰশ্নবোৰ, তৰ্ক, নাটক, ইত্যাদিক সামৰি লয়। লিখিত কৌশলে লিখিত প্ৰশ্নবোৰক অন্তৰ্ভুক্ত কৰে য'ত ছাত্ৰ-ছাত্ৰীবোৰে প্ৰশ্নৰ উত্তৰবোৰ লিখে। লিখিত অভীক্ষা কম বা বেছি পৰিমাণে বস্তুধৰ্মী অভীক্ষা, বৰ্ণনাধৰ্মী অভিক্ষা আৰু চুটি উত্তৰধৰ্মী অভীক্ষা হয়। অৱশেষত ক'ব

পৰা যায় যে ব্যৱহাৰিক কৌশলত, ছাত্ৰ-ছাত্ৰীসকলক কিছুমান কাৰ্য্য কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হয়, এনে কৌশলবোৰৰ দ্বাৰা মনোসঞ্চালক বা ক্ৰিয়ামূলক কাৰ্য্য (Psychomotor) বা কৌশলবোৰ অনুমান কৰা হয়। সাধাৰণতে, এই কৌশল বিজ্ঞান বিষয়ত, কৃষি আৰু গাৰ্হস্থ্য বিজ্ঞান আদি বিষয়ত ব্যৱহাৰ কৰা হয়।

খ) **গুণগত কৌশল ঃ** গুণগত কৌশলবোৰৰদ্বাৰা বিদ্যালয়, মহাবিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰীসকলৰ অভ্যন্তৰীণ মূল্যায়ন কৰা হয়। এইবোৰ কৌশল ব্যক্তিনিষ্ঠ (Subjective) আৰু পৰিমাণগত কৌশলবোৰতকৈ কম বিশ্বাসযোগ্য। এই কৌশলটো ভাবাত্মক বা উপলব্ধি বা অনুভূতিমূলক (Affective) উদ্দেশ্যসমূহ অনুমান কৰাত ব্যৱহাৰ হয়। এই কৌশলক পাঁচটা ভাগত ভাগ কৰিব পাৰি, যেনে– কুমুলেটিভ্ তথ্য (Cumulative Records), এ্যানেকডোট্‌ল তথ্য, পৰ্য্যবেক্ষণ কৌশল (Observation Techniques), চিনাক্তকৰণ সূচী (Check list), নিৰ্ধাৰণ মাপক (Rating scale)।

অন্য এটা শ্ৰেণী বিভাজন মতে, আমি আকৌ মূল্যায়ণৰ আহিলা আৰু কৌশলবোৰক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি।

ক) মনোবৈজ্ঞানিক অভীক্ষা (Psychological Test)
   1] বুদ্ধি অভীক্ষা (Intelligence Test)
   2] সামৰ্থ্য পৰিমাপণ (Aptitude Measurement)
   3] মনোযোগৰ আৰিষ্কাৰসমূহ (Internal Inventories)
   4] ব্যক্তিগত অভীক্ষা (Personality Test)

খ) কৃতিত্বৰ অভীক্ষা (Achievement Test)
   1] মৌখিক অভীক্ষা (Oral Test)
   2] লিখিত অভীক্ষা— ৰচনাধৰ্মী, চমু উত্তৰধৰ্মী, বস্তুনিষ্ঠ ধৰ্মী

গ) অৱস্থাৰ অভীক্ষা (Situation Test)
   1] প্ৰশ্নোত্তৰ (Questionnaires)
   2] চিনাক্তকৰণ সূচী (Check List)
   3] নিৰ্ধাৰণ মাপক (Rating Scale)
   4] শিক্ষক নিৰীক্ষণ (Teacher Observation)
   5] সাক্ষাৎকাৰ (Inverview)
   6] তথ্য-পাতি (Records)
   7] ছাত্ৰ-ছাত্ৰীৰ উপাদান (Pupils' Products)
   8] গৃহকাৰ্য্য (Home works)
   9] চোচিওমেট্ৰি (Sociometry)

10] অন্যান্য কৌশলবোৰ (Other Devices)



জানি থোৱা ভাল

- শিক্ষাত, মূল্যাঙ্কনৰ দ্বাৰা শিক্ষণ-শিকন পদ্ধতিত জড়িত কার্য্যসমূহৰ প্ৰকৃত মূল্যায়ন, এই পদ্ধতিত জড়িত বিভিন্ন কৌশলবোৰৰ পৰা পোৱা ফলাফলখিনিক বিভিন্ন স্তৰত অনুমান কৰা হয়।
- আহিলা-পাতি আৰু কৌশলবোৰ হ'ল কিছুমান উপায় যাৰ দ্বাৰা মূল্যাঙ্কন কৰা হয়। সকলো কৌশল বহল অর্থত দুটা ভাগত ভাগ কৰিব পাৰি— পৰিমাণগত আৰু গুণগত কৌশল।
- মূল্যাঙ্কনৰ অর্থ হ'ল কোনো এটা বস্তু বা ঘটনাৰ হিচাপ নিৰূপণ কৰা। অভীক্ষা (Test) আৰু পৰিমাপণ (Measurement) বুলি দুটা স্তৰত এই হিচাপ নিৰূপণ বা বিচাৰ কৰা হয়।
- মূল্যাঙ্কন পদ্ধতিৰ বহুতো উদ্দেশ্য থাকে। সেইবোৰ হ'ল— প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত বিকাশৰ বাবে পৰিচালনা কৰাৰ উদ্দেশ্যে একোটা অৱস্থাৰ সৃষ্টি কৰা, ছাত্ৰ-ছাত্ৰীৰ শক্তিশালী আৰু দুর্বল দিশবোৰ চিনাক্তকৰণ, ইত্যাদি।
- অন্য এটা শ্ৰেণীবিভাজনত, আমি মূল্যাঙ্কনৰ আহিলা আৰু কৌশলসমূহক ক্ৰমে— মনোবৈজ্ঞানিক, কৃতিত্বকাৰী আৰু অৱস্থাগত অভীক্ষা বুলি ভাগ কৰিব পাৰোঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মূল্যাঙ্কন বুলিলে কি বুজে ? মূল্যাঙ্কনৰ এটা সংজ্ঞা দিয়ক।

.....

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ মূল্যাঙ্কনৰ কেইটামান উদ্দেশ্য লিখক।

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ মূল্যাঙ্কনৰ কেইটামান কার্য্যাৱলী চিনাক্ত কৰক।

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ অৱস্থাৰ অভীক্ষাৰ (Situation Test) কেইটামান আহিলা-পাতি চিনাক্ত কৰক ।

.....

.....

.....

১৩.৪ মূল্যাঙ্কনৰ প্ৰকাৰ

যেতিয়া মূল্যাঙ্কনৰ ধৰণ বা প্ৰকাৰৰ কথা কওঁ, তেতিয়া সাধাৰণতে মূল্যায়ন দুটা ভাগত ভাগ কৰিব পৰা যায়— (ক) গঠনোপযোগী (Formative) আৰু (খ) সমষ্টিগত (Summative) মূল্যাঙ্কন।

ক) **গঠনোপযোগী মূল্যাঙ্কন** (Formative Evaluation)ৰ দ্বাৰা নিৰ্দেশাত্মক পদ্ধতিক চোৱাচিতা কৰা হয় আৰু শিকন পদ্ধতি পৰিকল্পিতভাৱে হৈছেনে নাই তাক নিৰ্ধাৰণ কৰা হয়। নিৰ্দেশাত্মক পদ্ধতি আগবঢ়াৰ লগে লগে সময়ে সময়ে কৰা মূল্যাঙ্কনটোৱে হ'ল গঠনোপযোগী মূল্যাঙ্কন। এইবিধ মূল্যাঙ্কনৰ কাৰ্য্যাৱলীবোৰ হ'ল—

- ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ অন্তৰ্বৰ্তী সময় (Interim) অনুমান কৰা।
- ছাত্ৰ-ছাত্ৰীৰ শক্তিশালী আৰু দুৰ্বল দিশবোৰৰ বিশেষ নিৰ্ণয় কৰা (Diagnosis)।
- ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক উভয়ৰে প্ৰণালীবদ্ধ (Systematic) ফলাফল জনা।

গঠনোপযোগী মূল্যাঙ্কনৰদ্বাৰা শিক্ষক আৰু শিকাৰুসকলক উপকাৰত অহাকৈ পৰিচালনা কৰে আৰু সময়ে সময়ে উভয়ে কৰা গঠনমূলক ফলাফল বা প্ৰত্যাৱৰ্তন (Feedback) অনুমান কৰি লয়। ফলাফল প্ৰাপ্তি বা প্ৰত্যাৱৰ্তনৰ বাবে অনুমান কৰি লোৱা দিশবোৰ হ'ল টিউটৰিং (Tutoring), সৰু দলীয় নিৰ্দেশন, শ্ৰৱণ-দৰ্শনৰ উপস্থাপন, বিপৰীত শিকন সঁজুলিৰ ব্যৱহাৰ বা প্ৰয়োগ। অনুক্ৰমিক নিৰ্দেশন (Programme Instruction) গঠনোপযোগী মূল্যাঙ্কনৰ মূল লক্ষ্য হ'ল পৰিকল্পনাৰ অসুবিধাবোৰ উলিয়াই লৈ তাত জড়িত ব্যক্তিজনক সংশোধন কৰা। শিক্ষানুষ্ঠান এখনত গঠনোপযোগী মূল্যাঙ্কনক তিনিটা ভাগত ভাগ কৰিব পৰা যায়—

- শৈক্ষিক পৰিকল্পনাৰ সুবিধা আৰু অসুবিধাবোৰৰ স্পষ্ট সাক্ষী গ্ৰহণ কৰা।
- শৈক্ষিক পৰিকল্পনাৰ ভিত্তিত, পৰিকল্পনাৰ অসুবিধাবোৰ আলোচনা কৰিবৰ বাবে ৰাখিব পৰা যায়।
- আঁসোৱাহাসমূহ দূৰ কৰি পৰিকল্পনা কাৰ্য্যসূচী ফলপ্ৰসূ কৰি তোলা।

এনেদৰে, গঠনোপযোগী মূল্যাঙ্কনৰ দ্বাৰা যিকোনো শৈক্ষিক পৰিকল্পনা মূল্যায়ন কৰি তাৰ গুণাগুণ আৰু উপকাৰিতা, আদি দিশ বঢ়াব পৰা যায়।

খ) **সমষ্টিগত মূল্যাঙ্কন** (Summative) নিৰ্দেশাত্মক বৃত্ত খণ্ডৰ (Segment) শেষত লোৱা

হয় যদিহে শিকাৰুজনে এটা নিৰ্দেশাত্মক বৃত্তৰ পৰিধি শেষ কৰি আন এটা নিৰ্দেশৰ পৰিধিলৈ যোৱাৰ বাবে যোগ্য হয়। সমষ্টিগত মূল্যায়নৰ মূল লক্ষ্য হ'ল যে পৰিকল্পনা বা আঁচনিখন নিৰ্দেশাত্মক উদ্দেশ্যৰ বাবে প্ৰস্তুত কৰা হৈছে নে, বা আঁচনিখন চলি থাকিব নে নাই ইত্যাদি পৰিমাপণ কৰা। এই মূল্যায়ন এনে এটা পদ্ধতি যাৰ দ্বাৰা পাব পৰা বিকল্প পদ্ধতিবিলাকৰ ভিতৰতে আটাইতকৈ উত্তম বুলি ভবা পদ্ধতিটো নিৰ্বাচন কৰা হয়, উদাহৰণ স্বৰূপে, শ্ৰেণীকোঠাৰ অভীক্ষা, গোট অভীক্ষা (Unit Test) নাইবা শেষান্ত পৰীক্ষা আদিবোৰ হ'ল সমষ্টিগত মূল্যায়নৰ কৌশল। এই মূল্যায়নৰ মুখ্য উদ্দেশ্যবোৰ হ'ল—

- ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ বৰ্তমান নাইবা নিৰ্দেশনাৰ শেষত কৰ্ম দক্ষতাৰ বিষয়ে অনুমান কৰা।
- মূল ভিত্তি প্ৰদান কৰে য'ত মূল পাঠৰ বা গ্ৰেডবোৰ ভালকৈ নিৰ্ণয় কৰিব পাৰে।
- তথ্যবোৰ অভিভাবকসকললৈ যোগান ধৰে আৰু প্ৰতিলিপি (Transcript) তৈয়াৰ কৰে।

ব্যক্তিগত বা দলীয় উভয়ৰে শিকনৰ উন্নতিক সমষ্টিগত মূল্যায়নে সংক্ষেপে প্ৰকাশ কৰে।

শ্ৰেণীকোঠাৰ নিৰ্দেশৰ বাবে দুয়ো প্ৰকাৰ মূল্যাঙ্কনেই হ'ল প্ৰয়োজনীয় আহিলা বা উপাদান। অৱশ্যে কিছু ক্ষেত্ৰত, সমষ্টিগত উদ্দেশ্যৰ বাবে লগ হোৱা সংবাদবোৰে কেতিয়াবা গঠনমূলক অৰ্থত উপকাৰ হয়। উদাহৰণ স্বৰূপে, এটা গোট অভীক্ষা (Unit Test)ৰ নম্বৰবোৰ শেষ গোটত একেলগে মূল্যায়ন কৰা হয়। সেই সময়ত, নম্বৰবোৰ পাঠ্যপুথিত বা নিৰ্দেশাত্মক কাৰ্য্যসূচীসমূহৰ উন্নতি প্ৰতিফলন ঘটায়। গতিকে, মূল্যায়নৰ দুয়োটা প্ৰকাৰেই শৈক্ষিক উন্নতিত নিৰ্দেশৰূপে গণ্য কৰা হয়।

১৩.৫ মূল্যাঙ্কনৰ সমস্যাসমূহ

বৰ্তমান শিক্ষা ব্যৱস্থাত যদিও মূল্যাঙ্কন এক এবাৰ নোৱাৰা অবিচ্ছেদ্য অঙ্গ, তথাপি চলিত মূল্যাঙ্কনৰ ব্যৱস্থাত নানা আঁসোৱাহ দেখিবলৈ পোৱা যায়। সেইবোৰ হ'ল—

- বৰ্তমান চলিত শিক্ষা ব্যৱস্থাত, মূল্যাঙ্কন শব্দটো অকল পৰীক্ষাৰ মাজতে সীমাবদ্ধ হৈ থাকে যাৰ মূল লক্ষ্য হ'ল বিদ্যালয় সংক্ৰান্তীয় বিষয়বোৰত ছাত্ৰ-ছাত্ৰীৰ উন্নতি পৰিমাপণ কৰা। গতিকে, মূল্যাঙ্কনক একেবাৰে সীমিত দিশত লোৱা হৈছে, কিন্তু বাস্তৱত মূল্যাঙ্কনৰ পৰিসৰ বহুত বহল।
- মূল্যাঙ্কন ব্যৱস্থাৰ বৰ্তমান চিত্ৰ হ'ল, ৰচনাধৰ্মী পৰীক্ষাই হল মূল্যাঙ্কনৰ মূল কৌশল কিন্তু ইয়াৰো যথেষ্ট আঁসোৱাহ আছে। যেনে— (ক) ই বিশ্বাসযোগ্য আৰু বৈধ নহয়, (খ) স্বভাৱতে ই সদায় বিষয়ধৰ্মী (Subjective) আৰু অস্বাস্থ্যকৰ প্ৰতিযোগিতাৰ সৃষ্টি কৰে, (গ) ই প্ৰশ্নৰ উত্তৰবোৰ মুখস্থ কৰাতহে গুৰুত্ব দিয়ে।
- চলিত মূল্যাঙ্কন স্বভা ৱত বস্তুনিষ্ঠ (Objective) নহয়। আচৰণগত উদ্দেশ্যবোৰ ঠিক মতে গঠন কৰা নহয়, লগতে পৰীক্ষা কৰাও নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ দৃঢ় আৰু কঠোৰ দিশৰ ওপৰত ভিত্তি কৰি উত্তীৰ্ণ আৰু অনুত্তীৰ্ণ অনুমান কৰা হয়।

- বৰ্তমানৰ মূল্যাঙ্কন পদ্ধতি অবিৰত আৰু শিক্ষককেন্দ্ৰিক নহয়। শৈক্ষিক বছৰ শেষতহে মূল্যায়ন কৰা হয়, কেৱল মাত্ৰ দৈনিক মূল্যায়নৰ ওপৰত নহয়।
- চলিত মূল্যাঙ্কন মাত্ৰ সংবাদকেন্দ্ৰিক বা মুখস্থকেন্দ্ৰিক হোৱা দেখা যায়। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰকৃত গুণাগুণ কোনো গুৰুত্ব দিয়া নহয়।
- বৰ্তমানৰ প্ৰচলিত মূল্যাঙ্কন পদ্ধতিত কোনো প্ৰতিকাৰ আৰু ভুল হ'লে তাক নিৰ্ণয় কৰা কোনো উপায়ৰ দিশ পোৱা নাযায়।
- চলিত মূল্যাঙ্কন পদ্ধতিয়ে মাথো ছাত্ৰ-ছাত্ৰীৰ শতকৰা উত্তীৰ্ণৰ ওপৰতহে গুৰুত্ব দিয়ে যিটোৱে শিক্ষকসকলৰ দক্ষতা নিৰ্ণয় কৰে।
- ছাত্ৰ-ছাত্ৰীৰ আত্ম মূল্যাঙ্কন পদ্ধতিয়ে বৰ্তমানৰ মূল্যাঙ্কন পদ্ধতিক সমূলি উৎসাহ নোযোগায়।

১৩.৬ ফলপ্ৰসূ মূল্যাঙ্কনৰ বাবে পৰামৰ্শ

প্ৰচলিত মূল্যাঙ্কন প্ৰক্ৰিয়াৰ সমস্যাবোৰ আলোচনা কৰি তলত সেইবোৰ সমস্যা সমাধানৰ বাবে কেইটামান পৰামৰ্শ আগবঢ়োৱা হ'ল—

- বৰ্তমানৰ পৰীক্ষাৰ মূল্যাঙ্কন পদ্ধতিৰ পৰিৱৰ্তে, এটা অবিৰত (Continuous) আৰু ব্যাপক (Comprehensive) মূল্যাঙ্কন পদ্ধতি গোটেই শিকন সময়ছোৱাত প্ৰযোজ্য হোৱা অতি প্ৰয়োজনীয়।
- আচৰণগত ক্ষেত্ৰত লক্ষ্য বা উদ্দেশ্যবোৰৰ ভালদৰে সংজ্ঞা দিয়া উচিত। উদ্দেশ্যসমূহে সকলো ক্ষেত্ৰ, যেনে— সংজ্ঞাত্মক বা প্ৰজ্ঞানাত্মক ক্ষেত্ৰ (Cognitive Domain), ভাৱাত্মক বা উপলব্ধিৰ ক্ষেত্ৰ (Affective Domain), মনোসঞ্চালক বা কৰ্মৰ ক্ষেত্ৰ (Psychomotor Domain)ক সাঙুলি লোৱা উচিত।
- বৰ্তমানৰ মূল্যাঙ্কন পদ্ধতিক সংশোধন কৰা উচিত যাতে ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত সমৰ্থতাখিনিক বিচাৰ কৰিব পৰা যায়।
- চলিত মূল্যাঙ্কন পদ্ধতিত ভুল হ'লে তাক শুধৰোৱা বা প্ৰতিকাৰ কৰা দিশসমূহ থকা উচিত। সময়ে সময়ে ছাত্ৰ-ছাত্ৰীসকলে পোৱা সমস্যাবোৰৰ সমাধান উলিয়াই ফলপ্ৰসূ সিদ্ধান্তৰ বাবে প্ৰতিকাৰৰ উপায়সমূহ মূল্যাঙ্কন পদ্ধতিৰ দ্বাৰা নিৰ্ধাৰণ কৰা উচিত।
- মূল্যাঙ্কনে সদায়ে শিক্ষণ-শিকন পদ্ধতিত আত্ম শিকন (Self Learning) কৌশলক উৎসাহ দিয়া উচিত। ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা আত্ম মূল্যাঙ্কন হোৱাত গুৰুত্ব দিব লাগে।
- ছাত্ৰ-ছাত্ৰীৰ শকতৰা উত্তীৰ্ণ হাৰৰ ওপৰত গুৰুত্ব নিদি পদ্ধতিগত, নিয়মীয়া, জটিল মূল্যাঙ্কনৰ ওপৰত গুৰুত্ব দিয়া উচিত যাতে মূল্যাঙ্কনৰ প্ৰকৃত ছবিখন পোৱা যায়।



জানি থোৱা ভাল

- মূল্যাঙ্কনৰ দুইবিধ প্ৰকাৰ আছে, গঠনোপযোগী আৰু সমষ্টিগত।
- গঠনোপযোগী মূল্যাঙ্কনে নিৰ্দেশাত্মক পদ্ধতিৰ প্ৰতি লক্ষ্য ৰাখে আৰু শিকন পদ্ধতি পৰিকল্পিতভাৱে হৈছে নে নাই তাক নিৰ্ধাৰণ কৰে।
- সমষ্টিগত মূল্যাঙ্কনৰদ্বাৰা এই নিৰ্দেশাত্মক পৰিধিৰ শেষত মূল্যায়ন কৰা হয়। ইয়াত শিকাৰুসকলে এটা পৰিধিৰ সম্পূৰ্ণ কৰি আন এটা নিৰ্দেশাত্মক পৰিধিলৈ যাব পাৰে নে নাই তাক নিৰ্ধাৰণ কৰে।
- প্ৰচলিত মূল্যাঙ্কনৰ বহু সমস্যাৰে জৰ্জৰিত যিটো ছাত্ৰ-ছাত্ৰীৰ শতকৰা উত্তীৰ্ণ হাৰৰ আৰু মুখস্থৰ ওপৰতহে গুৰুত্ব দিয়ে।
- অবিৰত আৰু ব্যাপক মূল্যাঙ্কন পদ্ধতি লোৱা উচিত যাতে শিকন সময়ছোৱাত লক্ষ্যবোৰ ভালদৰে আচৰণগত ক্ষেত্ৰবোৰৰ সৈতে জড়িত হৈ থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ গঠনোপযোগী আৰু সমষ্টিগত মূল্যাঙ্কন বুলিলে আপুনি কি বুজে?

.....

.....

.....

.....



চিন্তা-চৰ্চা কৰক ১৩.১

আপোনাৰ মতে কোনবিধ মূল্যাঙ্কন বেছি সত্যনিষ্ঠ আৰু বৈধ?

.....

.....

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মূল্যাঙ্কন হ'ল এবিধ আধুনিক বৈজ্ঞানিক ধাৰণা যিটোৰ অৰ্থ পৰিমাপণৰ অৰ্থতকৈ বহুত বেছি ব্যাপক। মূল্যাঙ্কনৰ অৰ্থ হ'ল কোনো এটা বস্তু বা ঘটনা তাৰ মানদণ্ড অনুযায়ী ফলাফল নিৰূপণ কৰা।

- মূল্যাঙ্কনৰ উদ্দেশ্যৰ দিশৰ পৰা ক'ব পৰা যায় যে এই পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত উন্নতিৰ বাবে কিছুমান অৱস্থাক পৰিচালনা কৰে। এই পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ শক্তিশালী আৰু দুৰ্বল দিশবোৰ চিনাক্তকৰণ কৰে আৰু সম্ভাব্য প্ৰতিকাৰৰ উপায়সমূহ উনুকিয়ায়।
- চমুকৈ মূল্যাঙ্কনৰ কাৰ্য্যাৱলীবোৰ হ'ল— শিকনৰ উদ্দেশ্যাৱলীসমূহৰ উন্নতি আয়তন বা বিস্তৃতি নিৰ্ধাৰণ কৰা, প্ৰতিকাৰৰ উপায়সমূহ যোগান ধৰা, যুক্তিগত সাক্ষী প্ৰদান কৰা যাতে ছাত্ৰ-ছাত্ৰীসকলে এক সুস্থ প্ৰত্যাৱৰ্তন লাভ কৰিব পাৰে।
- আহিলা-পাতি আৰু কৌশলবোৰ এনে কিছুমান উপায় যিবোৰৰ দ্বাৰা মূল্যাঙ্কন কৰা হয়।সকলোবোৰ কৌশলক বহল দৃষ্টিত দুই ভাগত ভাগ কৰা হয়— পৰিমাণগত আৰু গুণগত।
- মূল্যাঙ্কনৰ প্ৰকাৰ দুই ধৰণৰ— গঠনোপযোগী আৰু সমষ্টিগত। গঠনোপযোগী মূল্যাঙ্কনৰ দ্বাৰা নিৰ্দেশাত্মক পদ্ধতিক পৰিলক্ষিত কৰা হয় যিয়ে পৰিকল্পিতভাৱে শিকা হৈছে নে নাই, সেয়া নিৰীক্ষণ কৰে। আনহাতে, সমষ্টিগত মূল্যাঙ্কন নিৰ্দেশাত্মক পৰিধিৰ শেষত লোৱা হয়। ইয়াৰ দ্বাৰা শিকাৰুসকলে নিৰ্দেশৰ এটা পৰিধিৰ পৰা আন এটা পৰিধিলৈ যাব পাৰিব নে নাই তাক নিৰ্ধাৰণ কৰা হয়।
- চমুকৈ, বৰ্তমানৰ মূল্যাঙ্কন পদ্ধতিৰ বহুতো আঁসোৱাহ পোৱা যায় যে, ৰচনাধৰ্মী পৰীক্ষাৰ ব্যাপকতা, অবিৰত আৰু ব্যাপক পৰীক্ষাৰ অনুপস্থিতি, মুখস্থ আৰু সংবাদকেন্দ্ৰিক পৰীক্ষা পদ্ধতি, বস্তুনিষ্ঠ আৰু উদ্দেশ্যধৰ্মী পৰীক্ষাৰ অভাব, ইত্যাদি।
- ফলপ্ৰসূ মূল্যাঙ্কনৰ সম্ভাব্য উপদেশবোৰ থোৱতে তলত দিয়া ধৰণৰ— ই অবিৰত আৰু ব্যাপক, উদ্দেশ্যধৰ্মী হোৱা উচিত, আত্ম-মূল্যাঙ্কনক গুৰুত্ব দিয়া উচিত, উদ্দেশ্যবোৰ আচৰণধৰ্মী হোৱা উচিত আৰু নিয়মীয়া, জটিল, প্ৰণালীবদ্ধ মূল্যাঙ্কন হোৱা উচিত।



১৩.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Mathur, Dr. S. S. (1996). *Teacher And Secondary Education*. Agra: Vinod Pustak Mandir.
2) Singh, Arun Kumar (1997). *Tests, Measurements and Research Methods in Behavioural Sciences*. Patna: Bharati Bhawan.



১৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যাঙ্কন এটা পদ্ধতি যাৰদ্বাৰা শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলৰ সম্পূৰ্ণ

আচৰণৰ সৈতে পৰিচয় আৰু শিকন প্ৰক্ৰিয়াৰ ফলাফল জানিব পাৰে।

জেমছ এম. ব্ৰোফিল্ডৰ সূত্ৰ মতে, "মূল্যাঙ্কন হ'ল চিহ্নৰ পৰা ঘটনা লৈকে কৰা মূল্যায়ন, যাৰ দ্বাৰা ঘটনাসমূহৰ মূল্য বা যোগ্যতাখিনিক সামাজিক, সাংস্কৃতিক, বৈজ্ঞানিক দিশৰ পৰা চিহ্নিত কৰিব পাৰে।"

২ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যাঙ্কন পদ্ধতিৰ উদ্দেশ্য হ'ল— প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত বিকাশৰ বাবে একোটা অৱস্থাৰ সৃষ্টি কৰা, ছাত্ৰ-ছাত্ৰীৰ শক্তিশালী আৰু দুৰ্বল দিশবোৰ চিনাক্তকৰণ কৰা, ইত্যাদি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যাঙ্কনৰ কাৰ্য্যাৱলীবোৰ হ'ল— শিকনৰ উদ্দেশ্যাৱলীসমূহৰ উন্নতি আয়তন বা বিস্তৃতি নিৰ্ধাৰণ কৰা, প্ৰতিকাৰৰ উপায়সমূহ যোগান ধৰা, যুক্তিগত সাক্ষী প্ৰদান কৰা যাতে ছাত্ৰ-ছাত্ৰীসকলে এক সুস্থ প্ৰত্যাৱৰ্তন লাভ কৰিব পাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অৱস্থাৰ অভীক্ষাৰ (Situation Test) কেইটিমান আহিলা-পাতি হ'ল— প্ৰশ্নোত্তৰ (Questionnaires), চিনাক্তকৰণ সূচী (Check List), নিৰ্ধাৰণ মাপক (Rating Scale), সাক্ষাৎকাৰ (Inverview), ছোচিওমেট্ৰি (Sociometry) ইত্যাদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গঠনোপযোগী মূল্যাঙ্কনে নিৰ্দেশাত্মক পদ্ধতিক চোৱা-চিতা কৰে, শিকন পৰিকল্পিতভাৱে হৈছে নে নাই তাকে নিৰ্ধাৰণ কৰে। আনহাতে, সমষ্টিগত মূল্যাংকনে নিৰ্দেশৰ পৰিধি এটাৰ পৰা আনটো পৰিধিলৈ শিকাৰুসকলে যাব পাৰিছে নে নাই তাক নিৰ্ণয় কৰে।



১৩.১০ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিক্ষণ-শিকন প্ৰক্ৰিয়াত মূল্যাঙ্কনৰ অৰ্থ আৰু গুৰুত্বতাৰ সম্পৰ্কে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ মূল্যাঙ্কনৰ উদ্দেশ্য কি কি?

প্ৰশ্ন ৩ ঃ মূল্যাঙ্কনৰ পৰিসৰৰ সম্পৰ্কে লিখক ।

প্ৰশ্ন ৪ ঃ গঠনোপযোগী আৰু সমষ্টিগত মূল্যাঙ্কনৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মূল্যাঙ্কনৰ বিভিন্ন কৌশলবোৰৰ বিষয়ে লিখক ।

প্ৰশ্ন ২ ঃ গঠনোপযোগী আৰু সমষ্টিগত মূল্যাঙ্কনৰ মাজত থকা পাৰ্থক্যবোৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ বৰ্তমান মূল্যাঙ্কন পদ্ধতিয়ে সন্মুখীন হোৱা সমস্যাবোৰ কি কি? বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ বৰ্তমান অৱস্থাত ফলপ্ৰসূ মূল্যাঙ্কন পদ্ধতিৰ বাবে আপুনি কিছুমান প্ৰতিকাৰৰ উপায় আগবঢ়াওক।

*** ***** ***

অধ্যায় ১৪ ঃ অনুশিক্ষণ আৰু ইয়াৰ ব্যৱহাৰ

অধ্যায় গাঁথনি

14.1 উদ্দেশ্য

14.2 পৰিচয়

14.3 অনুশিক্ষণৰ অর্থ আৰু সংজ্ঞা

14.3.1 অনুশিক্ষণৰ বৈশিষ্ট্য আৰু উদ্দেশ্যসমূহ

14.3.2 অনুশিক্ষণ প্রক্রিয়াৰ পর্য্যায়সমূহ

14.3.3 অনুশিক্ষণ চক্র

14.3.4 অনুশিক্ষণৰ মূল নীতিসমূহ

14.3.5 অনুশিক্ষণৰ ব্যৱহাৰ

14.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

14.5 অধিক জানিবলৈ

14.6 অগ্রগতিৰ খতিয়ান

14.7 আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অনুশিক্ষণৰ অর্থ আৰু সংজ্ঞা চিনাক্ত কৰিব পাৰিব
- অনুশিক্ষণৰ বৈশিষ্ট্যসমূহ আৰু উদ্দেশ্যসমূহ চিনাক্ত কৰিবলৈ সমর্থ হ'ব
- অনুশিক্ষণৰ প্রক্রিয়াসমূহ, নীতিসমূহ আৰু ব্যৱহাৰ সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব।

১৪.২ পৰিচয়

আগৰ অধ্যায়বোৰত প্রযুক্তিবিদ্যাৰ বিভিন্ন দিশৰ ওপৰত আলোচনা কৰাৰ পিছত আমি এতিয়া এটা গুৰুত্বপূর্ণ বিষয় অনুশিক্ষণৰ বিষয়ে আলোচনা কৰিমহঁক। অধ্যায়টোত সামৰি লোৱা দিশবোৰ হ'ব অনুশিক্ষণৰ অর্থ, সংজ্ঞা, বৈশিষ্ট্যসমূহ, উদ্দেশ্যসমূহ, অনুশিক্ষণৰ পদ্ধতিসমূহ, নীতিসমূহ আৰু ইয়াৰ ব্যৱহাৰ। অনুশিক্ষণ হ'ল শিক্ষণ ব্যৱস্থাৰ এটা অতি নতুন অভিনৱ ধাৰণা যিয়ে নির্দিষ্ট উদ্দেশ্যমতে শিক্ষকসকলৰ আচৰণক সংশোধন কৰিবলৈ লয়। আগশাৰীৰ দেশবোৰৰ শ্রেণীকক্ষৰ শিক্ষাদানৰ ওপৰত হোৱা নতুন গৱেষণাই প্রমান কৰিছে যে শ্রেণীকক্ষৰ শিক্ষাদান উদ্দেশ্যপূর্ণভাৱে বিশ্লেষণ আৰু প্রয়োজন অনুসৰে সংশোধন কৰিব পৰা যায়। শিক্ষক-শিকাৰুৰ দক্ষতা আৰু কৌশল উন্নত কৰাৰ লগতে সেৱাত থকা শিক্ষকসকলৰ ক্ষেত্রত অনুশিক্ষণ প্রক্রিয়াৰ ব্যৱহাৰ কৰিব পৰা যায়।এনেবোৰ দিশৰ ক্ষেত্রত অনুশিক্ষণ একপ্রকাৰ গুৰুত্বপূর্ণ অভিনৱত্ব ধাৰণা।

১৪.৩ অনুশিক্ষণৰ অর্থ আৰু সংজ্ঞা

অনুশিক্ষণ হ'ল এবিধ প্রশিক্ষণ পদ্ধতি যিটোৰ লক্ষ্য নিৰ্দ্ধপিত হৈছে নিয়মীয়া শিক্ষাদান প্রক্রিয়াৰ জটিলতাসমূহ সৰল কৰি তোলাৰ বাবে। অনুশিক্ষণ হ'ল শিক্ষণৰ নিৰিখক্রম বা সংক্ষেপিত আৰ্হি। ইয়াত শিক্ষণৰ জটিল কর্মৰাজি সু-সংগঠিতভাৱে ভাঙি সৰল উপাদানলৈ অনা হয়। এটা মাত্র নির্দিষ্ট কৌশল অনুশিক্ষাৰ সময়ত বিকশিত কৰা হয়।

অনুশিক্ষণ হ'ল এক সংক্ষেপিত কৰা সাদৃশ্যমূলক শিক্ষণ যিটো শিক্ষকৰ প্রাক্সেৱা প্রশিক্ষণ আৰু আন্তঃসেৱা প্রশিক্ষণ দুয়োটাৰ বাবে সজাই তোলা হয়। এই ব্যৱস্থাটো সমগ্র বিশ্বতে আৰিষ্কাৰৰ পিছৰে পৰা ব্যবহাৰ হৈ আছে। ইয়াৰ আৰিষ্কাৰ হৈছিল 1950 চনত ষ্টেডফোর্ড বিশ্ববিদ্যালয়ত। এই শিক্ষণ ব্যৱস্থাটোৰ মূল উদ্দেশ্য হ'ল শিক্ষণৰ কৌশলৰ অনুশীলন সম্বন্ধে শিক্ষকসকলক সুবিধা প্রদান কৰা। শিক্ষকসকলে যেতিয়া পাঠ এটাৰ একক ধাৰণা সম্বন্ধে শিশুসকলক শিক্ষাদান দিবলৈ যায় তেতিয়া এই প্রক্রিয়াটো ব্যৱহাৰ কৰিব পাৰে।অনুশিক্ষণে বিষয় আৰু শিক্ষণ পদ্ধতিৰ বিকাশ সাধন কৰাৰ বাবে শিক্ষকক সহায় কৰে বিশেষকৈ প্রশ্নকৰণ, উদাহৰণৰ ব্যৱহাৰৰ দ্বাৰা পাঠটো অধিক আগ্রহপূর্ণ কৰি তোলাৰ বাবে সৰল কলাত্মক ধাৰণা,ফলপ্রসূ পুনৰপ্রক্ষেপণ কৌশল আৰু পাঠৰ উপস্থাপনৰ লগতে সামৰণি আদিৰ দৰে নির্দিষ্ট শিক্ষণ কৌশল ইত্যাদিৰ ক্ষেত্রত। অনুশিক্ষণ প্রশিক্ষণ আঁচনিৰ আধাৰ হ'ল তাৎক্ষণিকতা প্রতিপুষ্টিসাধন বা পুনৰ উৎপাদনৰ প্রচ্ছদ আৰু উৎসাহ প্রদান আৰু একেটা প্রশিক্ষণ সত্রতে পৰামর্শ দিয়া উন্নতিকৰণৰ যৌথতাৰ সৈতে অনুশীলনৰ সুবিধা প্রদান কৰা।

আগৰ সময়ছোৱাত অনুশিক্ষণৰ বাহিৰৰ আকৃতি অধিকভাবে আনুষ্ঠানিক আৰু জটিল আছিল। এখন অনুশিক্ষণ নিদানৰ শিক্ষণ আস্থানত 5টা বা 6 জন শিক্ষার্থীক পর্য্যায় অনুসৰে স্থান দিয়া হয়। শিক্ষকে প্রাৰম্ভণিতে 5ৰ পৰা 10 মিনিট সময় শিক্ষাদান দিয়ে আৰু তাৰ বাবে এটা পাঠৰ এটা উপাদান সামৰি লয়। এই কামখিনিৰি মূল্যায়ন এগৰাকী পর্য্যবেক্ষক বা বিশেষজ্ঞই মূল্যায়ন কৰে। শিক্ষকৰ পাঠটো পনৰ আলোচনাৰ বাবে চমু সময় থাকে আৰু তেতিয়া আনবোৰ দলক একে পাঠটোৰে শিক্ষাদান দিয়ে। পৰৱর্তী বছৰত সেই সত্রবোৰ ভিডিঅ' টেপত অন্তর্ভুক্ত কৰা হয়। ভিডিঅ' টেপৰ অন্তর্ভুক্ত পাঠবোৰ বিকল্প অনুশীলন হিচাপে পৰিগণিত হয়। ই শিক্ষকৰ সম্পাদন কার্য্য প্রদর্শনত সহায় কৰে। এনেদৰে অনুশিক্ষণৰ অর্থ নিৰ্দ্ধপিত হয়।

অনুশিক্ষণ ধাৰণাটোৰ ওপৰত বিভিন্নজনে বিভিন্ন ধৰণেৰে সংজ্ঞা দিয়া দেখা যায়। কেইটামান নির্বাচিত সংজ্ঞা ইয়াত উল্লেখ কৰা হ'ল—

- **এলেন ডি ডব্লিউ** [1966]ৰ মতে, "অনুশিক্ষণ হ'ল শ্রেণীকোঠাৰ আকৃতি আৰু সময় অনুযায়ী সংক্ষেপিত কৰা এক শিক্ষাদান প্রক্রিয়া।" ("Micro teaching is a scaled down teaching encounter in the class size.")
- **এলেন আৰু ইভ** (1968]ৰ মতে"অনুশিক্ষণ হ'ল এনে এক নিয়ন্ত্রিত অনুশীলন পদ্ধতি যি এটা নির্দিষ্ট শিক্ষণ আচৰণত মনোনিবেশ কৰে আৰু নিয়ন্ত্রিত পৰিবেশত ইয়াক

অনুশীলন কৰাটো সম্ভৱ কৰি তোলে।" ("Micro teaching is defined as a system of controlled practice that makes it possible to concentrate on specified teaching behaviour and to practice teaching under controlled condition." –Allen and Eve)

- **আৰ. এন. বুচ** (1968) ৰ মতে, "অনুশিক্ষণ হ'ল শিক্ষকৰ শিক্ষাৰ এনে এক কৌশল যাৰ মাধ্যমেৰে শিক্ষকসকলে পৰিকল্পিতভাৱে প্ৰস্তুত কৰা পাঠৰ যোগেদি সুনিৰ্দিষ্টভাৱে সংজ্ঞাবদ্ধ, নিৰ্দিষ্ট শিক্ষণ দক্ষতা সুনিৰ্ধাৰিত ক্ৰমত পাঁচৰ পৰা দহ মিনিট সময়ৰ আৰু অতি কমসংখ্যক শিক্ষাৰ্থীযুক্ত শ্ৰেণীত প্ৰয়োগ কৰে আৰু কোনো কোনো ক্ষেত্ৰত ইয়াৰ ফল ভিডিঅ'টেপৰ যোগেদি প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰে।" ("Micro teaching is a teacher education techniques which allows teaching skills to carefully prepared lessons in planned series five to ten minutes encounter with a small group of real students, often with an oportunity to observe the result on video tape." –R. N. Buch 1968.")
- **ক্লিফট আৰু তেওঁৰ সহযোগীসকলৰ** মতে, "শিক্ষাদানৰ নিৰ্দিষ্ট কৌশল অনুশীলনৰ বাবে নিৰ্বাচন কৰি শ্ৰেণীৰ সময় আৰু শ্ৰেণীৰ আকাৰৰ সংক্ষেপকৰণৰ যোগেদি শিক্ষণ পৰিৱেশক সৰল আৰু সুনিয়ন্ত্ৰিত কৰি শিক্ষক প্ৰশিক্ষণৰ যি ব্যৱস্থা কৰা হয় তাকে অনুশিক্ষণ বুলি কোৱা হয়।" ("Micro teaching is a teacher training programme which reduces the teaching situation to a simple and more controlled encounter achieved by limiting the practice teaching to a specific skill and reducing time and class size." –Clift J. C. and other 1976.)
- **বি. কে. পাচি আৰু ললিতাৰ** মতে, "অনুশিক্ষণ হ'ল এক প্ৰশিক্ষণৰ প্ৰয়োগ, যিটোত প্ৰশিক্ষাৰ্থী শিক্ষকসকলে কমসংখ্যক ছাত্ৰ-ছাত্ৰীক কম সময়ৰ বাবে নিৰ্দিষ্ট শিক্ষণ কৌশলৰ ব্যৱহাৰ কৰি এটা মাত্ৰ ধাৰণাৰ পাঠদান দিয়াৰ প্ৰয়োজন হয়।" ("It is a training technique which requires pupils teachers to teach a single concept using specified teaching skill to a small number of pupils in a short duration of time." –Passi B. K. and Lalita M.S. 1976.)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অনুশিক্ষণ মানে কি?

.....

.....

প্ৰশ্ন নং ২ ঃ অনুশিক্ষণৰ যি কোনো এটা সংজ্ঞা দিয়ক।

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ প্ৰত্যেক উক্তিৰ সত্য বা অসত্য নিৰ্ণয় কৰক—

ক) অনুশিক্ষণে সচৰাচৰ শ্ৰেণী শিক্ষণক সূচায়।

খ) অনুশিক্ষণত শ্ৰেণীকোঠাৰ আকাৰ সৰু কৰে।

গ) অনুশিক্ষণ সংক্ষেপিত কৰা এক শিক্ষাদান প্ৰক্ৰিয়া নহয়।

১৪.৩.১ অনুশিক্ষণৰ বৈশিষ্ট্য আৰু উদ্দেশ্যসমূহ

অনুশিক্ষণৰ ধাৰণা আৰু বিভিন্ন ধৰণৰ সংজ্ঞাসমূহৰ বিষয়ে উপলব্ধি হোৱাৰ পিছত আমি অনুশিক্ষণ যে এবিধ প্ৰশিক্ষণ প্ৰক্ৰিয়া আৰু ই নিয়মীয়া শিক্ষণ প্ৰক্ৰিয়াৰ জটিলতাসমূহ আঁতৰাই সৰলতা আনে সেই বিষয়ে জানিবলৈ সক্ষম হ'লোঁ। ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহৰ আধাৰত তলত দিয়া বৈশিষ্ট্যসমূহ নিৰ্ণয় কৰিব পৰা যায়—

বৈশিষ্ট্যসমূহ ঃ

- অনুশিক্ষণ হ'ল শিক্ষক প্ৰশিক্ষণ ক্ষেত্ৰখনৰ লগত সম্বন্ধিত এক নব্য উদ্ভাৱন।
- অনুশিক্ষণ হ'ল এক প্ৰশিক্ষণ কৌশল, ই শিক্ষণ কৌশল নহয়।
- ই হ'ল এক সংক্ষেপিত কৰা শিক্ষণ,
  - যিয়ে শ্ৰেণীৰ আকাৰ 5ৰ পৰা 10 জন শিক্ষাৰ্থীলৈ সীমিত কৰে।
  - শ্ৰেণীৰ সময় 5ৰ পৰা 10 মিনিটলৈ সীমিত কৰে।
  - পাঠটোৰ আকাৰ সৰু কৰি কম সময় লগায়।
  - শিক্ষণৰ কৌশলো সীমিত কৰে।
- ই প্ৰতিপুষ্টি সাধন বা পুণৰ উৎপাদনৰ অধিক সুবিধা প্ৰদান কৰে।
- অনুশিক্ষণে এটা সময়ত এবিধ কৌশল নিৰ্বাচন কৰাত সুবিধা প্ৰদান কৰে আৰু সংক্ষেপিত ধাৰণাৰ মাধ্যমত অনুশীলনৰ ব্যৱস্থা কৰায়,তাৰ পিছতহে একে ধৰণেৰে অন্য এটা কৌশল নিৰ্বাচন কৰে।
- অনুশিক্ষণে নিৰ্দিষ্ট কৌশল এটা অনুশীলন কৰাত উচ্চ হাৰত অনুমতি প্ৰদান কৰে।
- অনুশিক্ষণত ভিডিঅ' টেপ আৰু চমু দূৰত্বৰ দূৰদৰ্শনৰ ব্যৱহাৰে পৰ্য্যবেক্ষণ বহু বেছি উদ্দেশ্যমুখী কৰি তোলে।
- অনুশিক্ষণ হ'ল প্ৰশিক্ষণৰ বাবে লোৱা এক বিশ্লেষণাত্মক দৃষ্টিভঙ্গী।

অনুশিক্ষণৰ উদ্দেশ্যসমূহ ঃ

- অনুশিক্ষণে তলত উল্লেখ কৰা উদ্দেশ্যসমূহ পোৱাৰ বাবে নিৰ্দেশনা দিয়ে।

- নিয়ন্ত্রিত অৱস্থাত শিক্ষক প্রশিক্ষার্থীসকলক শিক্ষণৰ কৌশলসমূহ শিকিবলৈ সমর্থৱান কৰি তোলে।
- ই শিক্ষক প্রশিক্ষার্থীসকলৰ মনত শিক্ষাদানত বিশ্বাসী হোৱাৰ ধাৰণা বিকশিত কৰায় আৰু শিক্ষার্থীৰ সৰু দল এটাৰ সৈতে কিছুমান শিক্ষণ কৌশলৰ দক্ষতা উপলব্ধি কৰায়।
- ই শিক্ষক প্রশিক্ষার্থীসকলক প্রাক্‌সেৱা পর্য্যায়ত শিক্ষণৰ দক্ষতাপূর্ণ কৌশল আয়ত্ত কৰাৰ বাবে প্রশিক্ষণ দিয়ে।
- ই শিক্ষক প্রশিক্ষার্থীসকলক শ্রেণীকোঠাৰ জটিলতাসমূহ সক্ষেপ কৰাৰ প্রশিক্ষণ আগবঢ়ায়।
- ই শিক্ষক প্রশিক্ষার্থীসকলক আচৰণৰ সংশোধন কৰাৰ বাবে তাৎক্ষণিকভাৱে মূল্যায়ন কৰাৰ ব্যৱস্থা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অনুশিক্ষণৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ অনুশিক্ষণৰ যি কোনো দুটা উদ্দেশ্য বাছি উলিয়াওক।

.....

.....

.....



চিন্তা-চর্চা কৰক ১৪.১

"অনুশিক্ষণ হ'ল প্রকৃত শিক্ষা, কিন্তু ইয়াক শিক্ষকসকলৰ মাজত শিক্ষণ কৌশল বিকাশ কৰাৰ বাবে ব্যৱহাৰ কৰা হয়।" উক্তিটো আলোচনা কৰক আৰু আপোনাৰ মতামত দিয়ক।

.....

.....

.....

১৪.৩.২ অনুশিক্ষণ প্রক্রিয়াৰ পর্য্যায়সমূহ

অনুশিক্ষণ প্রক্রিয়া তলত উল্লেখ কৰা পর্য্যায়সমূহৰ লগত জড়িত।

- **পৰিচিতিমূলক (Orientation)** নতুন কৌশল হিচাপে অনুশিক্ষণৰ, যেনে— অনুশিক্ষণৰ ধাৰণা, অনুশিক্ষণ ব্যৱহাৰৰ ৰেহৰূপ, অনুশিক্ষণৰ পদ্ধতি, অনুশিক্ষণ কৌশল আহৰণৰ প্ৰয়োজনীয়তা আৰু স্থাপন অৱস্থা আদিৰ বিষয়ে শিক্ষক শিক্ষার্থীসকলক অনুশিক্ষণৰ তত্ত্বভিত্তিক জ্ঞান দিয়া উচিত।
- **শিক্ষণ কৌশলৰ আলোচনা (Discussion of teaching skill)** এই পর্য্যায়টোত শিক্ষক শিক্ষার্থীসকলৰ জ্ঞান আৰু বোধ তলত দিয়া দিশবোৰৰ ক্ষেত্ৰত বিকশিত হ'ব—
  - উপাদান কৌশল সমূহলৈ শিক্ষণৰ বিশ্লেষণ।
  - শিক্ষণত যুক্তিযুক্ত আলোচনা আৰু শিক্ষণ কৌশল সমূহ।
  - শিক্ষণ আচৰণৰ অন্তর্ভুক্ত বিভিন্ন কৌশলসমূহৰ উপাদান সম্বন্ধে আলোচনা।
- **এটা নির্দিষ্ট কৌশল নির্বাচন (Selection of a particular teaching skill)** অনুশিক্ষণত এটা সময়ত এটা কৌশলহে ব্যৱহাৰ কৰা হয়। সেয়েহে অনুশিক্ষণৰ শ্ৰেণী বা সত্ৰৰ কাৰণে এটা কৌশল নির্বাচন কৰি ল'ব লাগে। নির্দিষ্টভাৱে নির্বাচন কৰিবলৈ লোৱা কৌশলটোৰ ক্ষেত্ৰত শিক্ষার্থী শিক্ষকসকলক পাঠৰ আৰ্হি অনুশীলনৰ পর্য্যবেক্ষণৰ বাবে অনুমতি প্ৰদান কৰা হয়।
- **এটা পাঠৰ আৰ্হি প্ৰদর্শন উপস্থাপন (Presentation of a model demonstration lesson)** শিক্ষক প্ৰশিক্ষকসকলে শিক্ষক প্ৰশিক্ষার্থীসকলৰ আগত প্ৰদর্শনৰ বাবে নির্বাচিত কৌশলটো ব্যৱহাৰ কৰে। এইটোক আৰ্হিকৰণ বুলি কোৱা হয়। প্ৰদর্শন কার্য্য কৌশলটোৰ ধৰণ আৰু সমলসমূহৰ ওপৰত ভিত্তি কৰি বিভিন্ন উপায়েৰে উপস্থাপন কৰিব পৰা যায়।
  - লিখিত আহিলাসমূহ, যেনে— হাতপুথি, নির্দেশনা বা সহায়ক পুথি, সচিত্ৰ ব্যাখ্যা ইত্যাদিবোৰ যোগান ধৰা।
  - ভিডিঅ' টেপৰ সহায়ত কথাছবি প্ৰদর্শন কৰা।
  - প্ৰশিক্ষার্থীসকলক শ্ৰৱণ টেপ শুনাৰ প্ৰতি আগ্ৰহান্বিত কৰা।
  - শিক্ষক প্ৰশিক্ষক বা এগৰাকী বিশেষজ্ঞৰদ্বাৰা প্ৰদর্শনৰ ব্যৱস্থা কৰা।
- **আৰ্হি পাঠৰ পর্য্যবেক্ষণ (Observation of the model lesson)** আৰ্হি পাঠটোত পর্য্যবেক্ষণ কৰিবলৈ শিক্ষক প্ৰশিক্ষার্থীসকলৰ মাজত বিশেষভাৱে প্ৰস্তুত কৰা এখন পর্য্যবেক্ষণ তালিকা ভগাই দিয়া হয় যাতে তেওঁলোকে সুন্দৰভাৱে পাঠটো পর্য্যবেক্ষণ কৰিব পাৰে।
- **অনুপাঠ পৰিকল্পনা প্ৰস্তুত কৰণ (Preparation of Micro-lesson plan)** অনুপাঠ পৰিকল্পনা প্ৰস্তুতকৰণৰ বাবে শিক্ষক প্ৰশিক্ষার্থীসকলে নির্বাচিত কৌশলটো ব্যৱহাৰৰ কাৰণে প্ৰকৃত ধাৰণা এটা নির্বাচন কৰিবলগীয়া হয়। শিক্ষক প্ৰশিক্ষার্থীসকলে

অনুপাঠ পৰিকল্পনাটো প্ৰস্তুতকৰণৰ বাবে শিক্ষক প্ৰশিক্ষকৰ পৰা প্ৰয়োজনীয় নির্দেশনা ল'ব পাৰে।

- **অনুশিক্ষণ স্থাপনৰ সৃষ্টিকৰণ (Creation of a Micro-teaching setting)** অনুশিক্ষণৰ কাৰণে উন্নত স্থাপনৰ ধাৰণা, স্থাপনৰ বিকাশ 'ৰাষ্ট্ৰীয় শিক্ষা গবেষণা আৰু প্ৰশিক্ষণ পৰিষদ' (NCERT)য়ে তলত দিয়া ধৰণে কৰিছে—
  - শিক্ষার্থীৰ সংখ্যা — 5–10
  - শিক্ষার্থীৰ ধৰণ — প্ৰকৃত শিক্ষার্থী বা সহবন্ধু
  - তদাৰকৰ ধৰণ — শিক্ষক প্ৰশিক্ষক বা সহবন্ধু
  - অনুশিক্ষণ চক্ৰৰ সময় — 36 মিনিট

  সময় তলত দিয়া ধৰণেৰে বিভক্ত কৰা হয়—
  - শিক্ষক সত্ৰ — 6 মিনিট
  - প্ৰত্যাৱৰ্তন বা পুণৰ উৎপাদন সত্ৰ — 6 মিনিট
  - পুনৰ পৰিকল্পিত সত্ৰ — 6 মিনিট
  - পুনৰ শিক্ষণ সত্ৰ — 6 মিনিট
  - পর্য্যবেক্ষণ সত্ৰ — 6 মিনিট
  - পুনৰ প্ৰত্যাৱৰ্তন বা পুনৰ উৎপাদন সত্ৰ — 6 মিনিট


  মুঠ সময় Â 36 মিনিট

- **কৌশলৰ অনুশীলন (Practice of the skill)** এই পর্য্যায়টোত শিক্ষক প্ৰশিক্ষকে অনুপাঠটো অনুশ্ৰেণীত 5–10 গৰাকী শিক্ষার্থী বা সহবন্ধুক শিক্ষাদান দিয়ে। শিক্ষণ সত্ৰটো শিক্ষক প্ৰশিক্ষক আৰু সহবন্ধুৱে পর্য্যবেক্ষণ তালিকাৰ সহায়ত তদাৰক কৰে। সম্ভৱপৰ হ'লে শিক্ষণ সত্ৰটো ভিডিঅ' টেপৰে সংৰক্ষণ কৰিব পৰা যায়।
- **প্ৰত্যাৱৰ্তন বা পুণৰুৎপাদন ব্যৱস্থাকৰণ (Providing feedback)** এই পর্য্যায়ত শিক্ষক প্ৰশিক্ষার্থীসকলে তৎক্ষণাত শিক্ষাদানৰ সম্পাদনখিনি ঘূৰাই আনিব পাৰে। এই ক্ষেত্ৰত শিক্ষক প্ৰশিক্ষক আৰু সহবন্ধু বা ব্যৱহাৰ কৰা টেপ বা সংযোগী পৰিভ্ৰমিত দূৰদর্শনে ভূমিকা ল'ব পাৰে।
- **পুণৰ পৰিকল্পনাকৰণ (Replanning)** শিক্ষক প্ৰশিক্ষার্থীসকলে বিভিন্ন সমলৰ পৰা পোৱা প্ৰত্যাৱৰ্তন বা পুনৰুৎপাদনৰ পৰিপ্ৰেক্ষিতত অনুপাঠটো পুনৰ পৰিকল্পনা কৰিব পাৰে। অনুশিক্ষণ চক্ৰটোৰ পুনৰ পৰিকল্পনাকৰণৰ বাবে নির্ধাৰিত মুঠ সময় হ'ল 12 মিনিট।
- **পুনৰ শিক্ষণ (Re-Teaching)** শিক্ষক প্ৰশিক্ষার্থীসকলে পুণৰ পৰিকল্পিত পাঠটোৰ আধাৰত নির্বাচিত কৌশল ব্যৱহাৰ কৰি 6 মিনিট সময়ৰ কাৰণে পুণৰ শিক্ষণ কৰিব পাৰে।

➢ **পুনৰ প্ৰতিপুষ্টি সাধনৰ ব্যৱস্থাকৰণ (Providing re-feedback)** শিক্ষক প্ৰশিক্ষাৰ্থীসকলক পৰ্য্যবেক্ষণ তালিকাৰ সহায়ত পুনৰ পৰিকল্পিত পাঠৰ সম্পাদনৰ ওপৰত পুণঃপ্ৰত্যাৱৰ্তন সাধনৰ ব্যৱস্থা কৰা হয়।

১৪.৩.৩ অনুশিক্ষণ চক্ৰ

অনুশিক্ষণ চক্ৰটোৱে তলত উল্লেখ কৰা পৰ্য্যায়সমূহ সামৰি লয়। যেনে— পৰিকল্পনা, শিক্ষাদান, প্ৰত্যাৱৰ্তন বা পুনৰ উৎপাদন, পুনৰ পৰিকল্পনা, পুনৰ শিক্ষণ আৰু পুনৰুৎপাদন। তলত ছবিৰ সহায়ত অনুশিক্ষণ চক্ৰটো দেখুওৱা হ'ল।



অনুশিক্ষণ চক্ৰ



জানি থোৱা ভাল

অনুশিক্ষণ প্ৰক্ৰিয়াটোৱে সামৰি লোৱা পৰ্য্যায়বোৰ হ'ল— পৰিচিতিমূলক শিক্ষণ কৌশলৰ আলোচনা, নিৰ্দিষ্ট শিক্ষণ কৌশল নিৰ্বাচন, পাঠৰ আৰ্হি প্ৰদৰ্শন, আৰ্হিপাঠৰ পৰ্য্যবেক্ষণ, অনুপাঠ পৰিকল্পনা ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ অনুশিক্ষণত জড়িত হৈ থকা সাধাৰণ কাৰ্য্যপ্ৰণালীবোৰ উল্লেখ কৰক।

.....

.....

.....



চিন্তা-চৰ্চা কৰক ১৪.২

অনুপাঠৰ পৰ্য্যায়বোৰ কি কি? আপোনাৰ মতে শিক্ষণ কৌশলত জড়িত এটা আঁচনিৰ পৰামৰ্শ দিয়ক।

.....

.....

.....

১৪.৩.৪ অনুশিক্ষণৰ মূল নীতিসমূহ

অনুশিক্ষণ তলত উল্লেখ কৰা নীতিসমূহৰ ওপৰত আধাৰিত, সেইবোৰ হ'ল—

- **ব্যক্তিমুখী প্ৰশিক্ষণৰ নীতি (Principle of individualised training)** অনুশিক্ষণ পদ্ধতিত যেতিয়ালৈ শিক্ষকও প্ৰশিক্ষাৰ্থীয়ে এটা কৌশল আয়ত্ত কৰাৰ দক্ষতা অৰ্জন কৰিব নোৱাৰে তেতিয়ালৈ প্ৰশিক্ষণ দি থকা হয়।
- **ব্যক্তিমুখী মনযোগৰ নীতি (Principle of individualised attention)** অনুশিক্ষণ প্ৰক্ৰিয়াত প্ৰত্যেকগৰাকী শিক্ষাৰ্থীক পৰ্য্যবেক্ষকে ব্যক্তিগতভাৱে মনোযোগ দিবলগীয়া হয়। শিক্ষণত দেখা দিয়া আঁসোৱাহসমূহ দেখুৱাই দিয়া হয় আৰু সেইবোৰ উন্নত কৰাৰ বাবে পৰামৰ্শ দিয়া হয়।
- **সীমিত সূচীৰ নীতি (Principle of limited content)** অনুশিক্ষণৰ বাবে এটা মাত্ৰ ধাৰণা লোৱা হয়। এই ব্যৱস্থাটোৱে শিক্ষক প্ৰশিক্ষাৰ্থী গৰাকীক সীমিত সূচীৰ মাধ্যমত সহজ আৰু বিশ্বাসযোগ্যভাৱে শিক্ষাদানত সহায় কৰে।
- **অনুশীলনৰ নীতি (Principle of practice)** অনুশিক্ষণত শিক্ষক প্ৰশিক্ষাৰ্থী গৰাকীয়ে কিছুসংখ্যক অনুশীলন সত্ৰ অনুষ্ঠিত কৰে। এনে অনুশীলনবোৰ একেলগে এটা কৌশলৰ মাধ্যমত প্ৰকল্পিত হয়। এই প্ৰক্ৰিয়াটোৱে নিৰ্দিষ্ট এটা কৌশল আয়ত্ত কৰাত প্ৰশিক্ষাৰ্থীগৰাকীক সহায় কৰে।
- **তৎকালীন প্ৰত্যাৱৰ্তন (Immediate feed back)** এটা নিৰ্দিষ্ট কৌশল ব্যৱহাৰ কৰি পাঠটো 6 মিনিট শিকোৱাৰ পিছত শিক্ষক প্ৰশিক্ষাৰ্থী গৰাকীক শিক্ষক প্ৰশিক্ষকে বা সহবন্ধুসকলে তৎকালীনভাৱে প্ৰত্যাৱৰ্তন কৰিবলৈ দিয়ে। এই ক্ষেত্ৰত ভিডিঅ' টেপ বা সংযোগী দূৰদৰ্শনো ব্যৱহাৰ কৰিব পৰা যায়। এই ব্যৱস্থাটোৱে প্ৰশিক্ষাৰ্থী গৰাকীক তেওঁৰ ত্ৰুটিবোৰ জনাত সহায় কৰে আৰু লগে লগে তাক উন্নত কৰাত অৱিহণা যোগায়।
- **পৰীক্ষাৰ নীতি (Principle of Examination)** অনুশিক্ষণত পৰ্যবেক্ষক আৰু শিক্ষক প্ৰশিক্ষাৰ্থীয়ে পৰীক্ষণ সম্পাদন কৰাৰ বাবে নিয়ন্ত্ৰিত অৱস্থাত শিক্ষণ কৌশলসমূহ প্ৰয়োগ কৰে। এনে ব্যৱস্থাই শ্ৰেণীকক্ষৰ শিক্ষাৰ্থীৰ সংখ্যা, পাঠটোৰ

সময়, পাঠটোৰ সূচী ইত্যাদিবোৰ নিয়ন্ত্রিত হোৱাত সহায় কৰে।

১৪.৩.৫ অনুশিক্ষণৰ ব্যৱহাৰ

অনুশিক্ষণক বিভিন্ন উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা যায়। যেনে—

- **শিক্ষকৰ আচৰণ সংশোধনৰ ক্ষেত্রত (Modification of teacher behaviour)** শিক্ষকসকলৰ আচৰণ সংশোধন কৰিবলৈ অনুশিক্ষণক ফলদায়ক আহিলা হিচাপে ব্যৱহাৰ কৰিব পৰা যায়।
- **শিক্ষাদানৰ কৌশলৰ জ্ঞান (Knowledge of teaching skills)** অনুশিক্ষণৰ ব্যৱহাৰৰ দ্বাৰা শিক্ষাদানৰ কৌশলৰ জ্ঞান আৰু অনুশীলন দিব পৰা যায়।
- **শিক্ষণ কৌশলসমূহৰ বিকাশ সাধন (Developing teaching skills)** অনুশিক্ষণৰ অভিজ্ঞতাসমূহে নির্দিষ্ট শিক্ষণ কৌশলৰ বিকাশ সাধন কৰে, সেইবোৰ হ'ল— পুনৰ প্রয়োগ কৌশল, ব্যাখ্যাকৰণ কৌশল, কৃষ্ণফলি ব্যৱহাৰৰ কৌশল, শ্রৱণ-দর্শন আহিলাৰ ব্যৱহাৰৰ বাবে কৌশল, শ্রেণী পৰিচালনা কৰাৰ বাবে কৌশল ইত্যাদি।
- **শিক্ষাদানৰ দক্ষতাৰ বিকাশ সাধন (Developing teaching efficiency)** অনুশিক্ষণক শিক্ষাদানৰ দক্ষতাৰ বিকাশ সাধনৰ কাৰণে ব্যৱহাৰ কৰিব পাৰি। বিশেষকৈ শিক্ষকৰ প্রাক্‌সেৱা প্রশিক্ষণ আৰু আন্তঃসেৱা প্রশিক্ষণ কার্য্যসূচীত ব্যৱহাৰ হোৱা দেখা যায়।
- **শিক্ষাদানৰ অনুশীলনৰ উন্নতিসাধন (Improving teaching practice)** এই কৌশলবিধ শিক্ষণৰ অনুশীলন উন্নত কৰিবলৈ কৰা এক প্রশিক্ষণ। ইয়াৰ দ্বাৰা উন্নত মানৰ আৰু ফলদায়ক শিক্ষকসকলক প্রস্তুত কৰিব পৰা যায়।
- **ব্যক্তিগত প্রশিক্ষণ (Individual Training)** অনুশিক্ষণৰ দ্বাৰা কৰা শিক্ষক প্রশিক্ষণ ব্যক্তিমুখীকৰণহৈ পৰে। প্রত্যেকগৰাকী প্রশিক্ষার্থীয়ে তেওঁলোকৰ দক্ষতা তথা সমর্থতা অনুসৰে কৌশলসমূহ বিকশিত কৰিব পাৰে।
- **শিক্ষণ অনুশীলন নিয়মীয়াকৰণ (Regulating teaching practice)** এই কৌশলটোৱে শিক্ষণ অনুশীলন ব্যৱস্থাটোক নিয়মীয়াকৰণ কৰে আৰু নিয়ন্ত্রণ বৃদ্ধিৰ অনুমতি প্রদান কৰে।
- **প্রকৃত শিক্ষাদান (Real teaching)** অনুশিক্ষণ হ'ল প্রকৃত শিক্ষণ। প্রকৃত শ্রেণীকোঠাৰ অৱস্থাৰ ভিতৰৰ ই এটা ব্যৱস্থা হ'ব লাগে।
- **জটিলতা কমাই ৰাখে (Reducing complexities)** অনুশিক্ষণে শ্রেণীকোঠাৰ সাধাৰণ শিক্ষাদানক, শ্রেণীৰ আকাৰ, শিক্ষণৰ গতিধাৰাৰ সূচী আৰু সময়ৰ পৰিসৰ আদিৰ দৰে দিশবোৰ কমাই ৰাখি জটিলতা নোহোৱা কৰে।
- **শিক্ষণত প্রতিফলন ঘটায় (Focus on teaching)** অনুশিক্ষণে শিক্ষণ আচৰণ

প্ৰয়োজনীয় নিৰ্দেশনাৰে উন্নত আৰু সংশোধন কৰিবলৈ মনেযোগ প্ৰতিফলন কৰে।

- **এজনৰ নিজস্ব শিক্ষণ সম্পাদন বিশ্লেষণ কৰি থাকে (Analysing ones own teaching performance)** এই শিক্ষণ হ'ল কম খৰচৰ ব্যৱস্থা আৰু ভিডিঅ' টেপৰ ব্যৱহাৰে প্ৰশিক্ষাৰ্থীৰ নিজস্ব শিক্ষণ সম্পাদন বিশ্লেষণ কৰাৰ সুবিধা প্ৰদান কৰে।



জানি থোৱা ভাল

অনুশিক্ষণ আধাৰিত হয় তলত উল্লেখ কৰা নীতিবোৰৰ ওপৰত, যেনে—

- ব্যক্তিমুখী প্ৰশিক্ষণৰ নীতি
- সীমিত সূচীৰ নীতি
- অনুশীলনৰ নীতি ইত্যাদি

অনুশিক্ষণক বিভিন্ন উদ্দেশ্যত বহু ধৰণে ব্যৱহাৰ কৰিব পৰা যায়, যেনে—

- শিক্ষকৰ আচৰণ সংশোধনৰ ক্ষেত্ৰত
- শিক্ষণৰ কৌশলসমূহ উন্নতকৰণৰ ক্ষেত্ৰত
- শিক্ষাদানৰ দক্ষতা উন্নতিকৰণ, ইত্যাদি



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ অনুশিক্ষণৰ যিকোনো চাৰিটা নীতি উল্লেখ কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ অনুশিক্ষণৰ পাঁচবিধ ব্যৱহাৰ উল্লেখ কৰা।

.....

.....

.....

.....



চিন্তা-চৰ্চা কৰক ১৪.৩

অনুশিক্ষণৰ নীতিবোৰে কেনেধৰণে শিক্ষকৰ ফলদায়কতাৰ উন্নতি সাধনত সহায় কৰে? আপোনাৰ নিজস্ব মতামত দিয়ক।

.....

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অনুশিক্ষণ হ'ল এক প্রশিক্ষণ প্রক্রিয়া যিয়ে নিয়মীয়া শিক্ষণ প্রক্রিয়াৰ জটিলতাসমূহ সৰল কৰি তোলাৰ লক্ষ্য নির্দ্ধাৰণ কৰে।
- অনুশিক্ষণ হ'ল শিক্ষণৰ সময় অনুযায়ী পর্য্যায়গত আৰ্হি।
- অনুশিক্ষণ প্রক্রিয়াটো বিশেষভাৱে উদ্দেশ্যপূর্ণ।
- অনুশিক্ষণ হ'ল শিক্ষকসকলৰ আচৰণসমূহ নিয়ন্ত্রিত পদ্ধতি ইত্যাদিৰে বিকাশসাধন কৰিবলৈ শিক্ষক প্রশিক্ষার্থীসকলে কৰা এক প্রচেষ্টা।
- অনুশিক্ষণ পৰিচিতিমূলক, শিক্ষণ কৌশলৰ আলোচনা ইত্যাদিৰ দৰে পর্য্যায়সমূহৰ লগত জড়িত।
- অনুশিক্ষণ কিছুমান নীতিৰ ওপৰত আধাৰিত হয়, যেনে— ব্যক্তিগতকৰণ প্রশিক্ষণৰ নীতি, সীমিত সূচীৰ নীতি ইত্যাদি।
- অনুশিক্ষণক বহুবোৰ উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা যায়, যেনে—- শিক্ষকৰ আচৰণ সংশোধনৰ ক্ষেত্রত, শিক্ষাদানৰ কৌশলসমূহৰ জ্ঞানৰ ক্ষেত্রত ইত্যাদি।



১৪.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] ডেকা, বীৰেন্দ্র ঃ *শিক্ষাদান পদ্ধতি শিক্ষণ অভ্যাস আৰু পাঠ পৰিকল্পনা*; গুৱাহাটী ঃ অশোক বুক ষ্টল।

ইংৰাজী গ্রন্থ ঃ

1) Kochar, S. K. (Reprinted 1975): *Methods and Techniques of Teaching*. New Delhi: Sterling Publishers Pvt. Ltd.



১৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অনুশিক্ষণ হ'ল এক নিয়ন্ত্রিত অনুশীলন যিয়ে শিক্ষক প্রশিক্ষার্থীসকলৰ প্রশিক্ষণ কার্য্যসূচীত শিক্ষণ আচৰণ নিবদ্ধ কৰিবলৈ সমর্থৱান হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ এলেন ডি. ডব্লিটৰ মতে (1966] "অনুশিক্ষণ হ'ল শ্রেণীকোঠাৰ আকৃতি আৰু সময় অনুযায়ী সংক্ষেপিত কৰা এক শিক্ষাদান প্রক্রিয়া।" ("Micro teaching is a scaled down teaching encounter in the class size.")

৩ নং প্রশ্নৰ উত্তৰ ঃ ক) অসত্য, খ) সত্য, গ) অসত্য

৪ নং প্রশ্নৰ উত্তৰ ঃ
- অনুশিক্ষণ হ'ল শিক্ষকৰ শিক্ষাৰ ক্ষেত্রখনত সম্বন্ধিতভাৱে অহা নতুন অভিনৱতা।
- অনুশিক্ষণ হ'ল এক প্রশিক্ষণৰ কৌশল আৰু ই শিক্ষণৰ কৌশল নহয়।
- ই হ'ল এক সময় অনুযায়ী সংক্ষেপিত কৰা শিক্ষাদান।
- ই উপযুক্ত প্রত্যাৱর্তন সাধনৰ ব্যৱস্থা কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ
- শিক্ষক প্রশিক্ষার্থীসকলক কম সংখ্যক শিক্ষার্থীৰ দল এটাৰ সৈতে কিছুমান শিক্ষণ কৌশলৰ ওপৰত পৰিপক্কতা অনাৰ বাবে শিক্ষাদানত বিশ্বাস বিকশিত কৰা।
- শিক্ষক প্রশিক্ষার্থীসকলক শ্রেণীকোঠাৰ অৱস্থাৰ জটিলতা কমাই প্রশিক্ষণৰ ব্যৱস্থা কৰা।

৬ নং প্রশ্নৰ উত্তৰ ঃ অনুশিক্ষণে পৰিচিতিমূলক শিক্ষণৰ কৌশলসমূহৰ আলোচনা, নির্দিষ্ট শিক্ষণ কৌশল নির্বাচন, পাঠৰ আৰ্হি প্রদর্শন উপস্থাপন, আৰ্হি পাঠ পর্য্যবেক্ষণ আদিৰ দৰে পর্য্যায়বোৰৰ লগত জড়িত হৈ থাকে।

৭ নং প্রশ্নৰ উত্তৰ ঃ
- ব্যক্তিমুখীকৰণ পাঠ আদিৰ নীতি
- সীমিত সূচীৰ নীতি
- অনুশীলনৰ নীতি ইত্যাদি
- তৎকালীন প্রত্যাৱর্তন সাধনৰ নীতি

৮ নং প্রশ্নৰ উত্তৰ ঃ
- শিক্ষকৰ আচৰণ সংশোধন
- শিক্ষাদানৰ কৌশলৰ জ্ঞান
- শিক্ষণ কৌশলসমূহৰ বিকাশ সাধন
- শিক্ষাদানৰ সামর্থতাৰ বিকাশ সাধন
- শিক্ষাদানৰ অনুশীলনৰ উন্নতি কৰণ।



১৪.৭ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অনুশিক্ষণ কি? অনুশিক্ষণ চক্ৰটোৰ বিষয়ে স্বচ্ছভাৱে ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক—

ক) অনুশিক্ষণৰ নীতিসমূহ

খ) অনুশিক্ষণৰ ব্যৱহাৰ

খ) ৰচনাধৰ্মী প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অনুশিক্ষণৰ সংজ্ঞা নিৰ্ণয় কৰক? ইয়াৰ উদ্দেশ্য আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অনুশিক্ষণত জড়িত হৈ থকা সাধাৰণ পদ্ধতিসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ কম্পিউটাৰ সহায়ক নির্দেশনা আৰু ইয়াৰ ব্যৱহাৰ

অধ্যায় গাঁথনি

15.1 উদ্দেশ্য

15.2 পৰিচয়

15.3 কম্পিউটাৰ সহায়ক নির্দেশনাৰ অর্থ আৰু সংজ্ঞা

15.3.1 কম্পিউটাৰ সহায়ক নির্দেশনাৰ মূল অৱধাৰণাসমূহ

15.3.2 কম্পিউটাৰ সহায়ক নির্দেশনাৰ ধৰণ বা প্রকাৰসমূহ

15.3.3 কম্পিউটাৰ সহায়ক নির্দেশনাৰ ব্যৱহাৰ

15.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

15.5 অধিক জানিবলৈ

15.6 অগ্রগতিৰ খতিয়ান

15.7 আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কম্পিউটাৰ সহায়ক নির্দেশনাৰ অর্থ আৰু সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- কম্পিউটাৰ সহায়ক নির্দেশনাৰ মূল ধাৰণা সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব
- কম্পিউটাৰ সহায়ক নির্দেশনাৰ ভাগবোৰৰ সম্বন্ধে বর্ণনা কৰিব পাৰিব
- কম্পিউটাৰ সহায়ক নির্দেশনাৰ ব্যৱহাৰ সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব।

১৫.২ পৰিচয়

কম্পিউটাৰ হ'ল মানৱ জাতিৰ বাবে বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ এবিধ অতি গুৰুত্বপূর্ণ তথা অভিনৱ অৱদান। ই মানুহৰ জীৱনধাৰাৰ প্রতিটো খোজত অভিনৱত্ব আনি দিবলৈ সক্ষম হৈছে। আমাৰ জীৱনধাৰাৰ এনে এটা দিশ নাই যিটোত কম্পিউটাৰৰ ব্যৱহাৰে স্পর্শ কৰা নাই। শিক্ষাৰ ক্ষেত্রখনৰ ব্যৱস্থাপনাৰ লগতে আনবোৰ দিশতো ইয়াৰ ব্যৱহাৰ সাফল্যমণ্ডিত হৈছে। ইয়াৰ ব্যৱহাৰে শিক্ষা দান আৰু শিক্ষা আহৰণ প্রক্রিয়াটো সহজ কৰি তুলিছে। 1986 চনৰ ৰাষ্ট্রীয় নীতিয়ে অধিকভাৰে কম্পিউটাৰ প্রয়োগত গুৰুত্ব আৰোপ কৰিছিল। কম্পিউটাৰৰ সহায়ত যি নির্দেশনাৰ কাম-কাজ সম্পাদন কৰা হয় সেই কামখিনিক সাধাৰণভাৰে কম্পিউটাৰ সহায়ক নির্দেশনা বুলি কোৱা হয়। এই অধ্যায়টোত আমি বিস্তৃতভাৰে কম্পিউটাৰ সহায়ক নির্দেশনাৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰিবলৈ চেষ্টা কৰিমহ'ক।

১৫.৩ কম্পিউটাৰ সহায়ক নির্দেশনাৰ অর্থ আৰু সংজ্ঞা

আধুনিক প্রযুক্তিবিদ্যাই শিক্ষাদান আৰু আহৰণ প্রক্রিয়াৰ ক্ষেত্রখনত কম্পিউটাৰৰ ব্যৱহাৰ

সাফল্যমণ্ডিত কৰি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। কম্পিউটাৰ সহায়ক নির্দেশনা হ'ল কম্পিউটাৰ যন্ত্রটোৰ ব্যৱহাৰৰ মাধ্যমেৰে নির্দেশনা আগবঢ়োৱা। ই হ'ল শিক্ষণ যন্ত্রটোক ব্যৱহাৰ কৰাৰ ক্ষেত্রত মাত্র এক আগতীয়া পদক্ষেপ। নির্দেশনা প্রক্রিয়াটো আত্মনির্দেশনা হিচাপে যিমানখিনি পাৰি ব্যক্তিগত ধাৰণাৰে প্রস্তুত কৰি তুলিব লাগে। আঁচনিকৃত পাঠ্যপুথিৰ ব্যৱহাৰৰ দুটা সম্ভাব্য পদক্ষেপ পিছত থাকে। কম্পিউটাৰৰ স্থান শিক্ষণ যন্ত্রৰ ব্যৱহাৰৰ আগত বুলি ধৰা হয়। শিক্ষণ যন্ত্রই যিখিনি কাম কৰিবলৈ সক্ষম হয় তাতকৈ বহুগুণে বেছি কাম কম্পিউটাৰে কৰিব পাৰে। ই একে সময়তে বহুবোৰ ব্যক্তিগত শিকাৰুক সামৰি ল'ব পাৰে, কাৰণ ইয়াৰ দক্ষতা অপৰিসীম। সেই কাৰণে কম্পিউটাৰ সহায়ক নির্দেশনাক শিক্ষণ যন্ত্রতকৈ নতুন ধৰণৰ আৰু বিকশিত ধাৰণা বুলি অভিহিত কৰা হয়। আনকি আঁচনিকৃত শিক্ষণকেন্দ্রিক নির্দেশনাত্মক প্রযুক্তিবিদ্যাতকৈও ইয়াৰ গুৰুত্ব অধিক। শিক্ষার্থী-সকলৰ নামভর্তিকৰণৰ সময়ত বা অন্তর্ভুক্তি পর্য্যায়ত কম্পিউটাৰ ব্যৱহাৰ কৰি শিক্ষার্থীসকলৰ জ্ঞান নির্ণয় কৰিব পাৰি। কম্পিউটাৰে শিক্ষার্থীসকলৰ দক্ষতা অনুসাৰে শ্রেণীভুক্ত কৰিব পাৰে। কম্পিউটাৰে শিক্ষার্থীসকল আৰু শিকিবলৈ বিচৰা বিষয়বস্তুৰ মাজত তেওঁলোকৰ পোনপটীয়াকৈ পাৰস্পৰিক ক্রিয়া সম্পাদন কৰিব পাৰে। কম্পিউটাৰে শিকাৰুসকলৰ কর্ম সম্পাদনৰ আধাৰত পুনৰুৎপাদন সম্ভৱ কৰি তুলিব পাৰে। কম্পিউটাৰ সহায়ক নির্দেশনা হ'ল একপ্রকাৰ আঁচনিকৃত শিক্ষণ আহিলাৰ সম্প্রসাৰণ আৰু নির্দেশনাৰ ব্যক্তিমুখী পদ্ধতি।

কম্পিউটাৰ সহায়ক নির্দেশনাৰ সংজ্ঞাসমূহ—

- হিলগার্ড আৰু বোৱাৰৰ মতে, "কম্পিউটাৰ সহায়ক নির্দেশনাই বহুবোৰ ক্ষেত্র সামৰি লৈছে। ইয়াক অকল সৰল শিক্ষণ যন্ত্র হিচাপে অভিহিত কৰিব পৰা নাযায় বা ইয়াক আঁচনিকৃত শিক্ষণৰ ভাগ বা স্কিনাৰে প্রৱর্তন কৰা আঁচনিকৃত শিক্ষণ প্রক্রিয়া বুলি ধৰি ল'ব পৰা নাযায়।" ("Computer assisted instruction has now taken so many dimensions that it can no longer be considered as simple derivative of the teaching machine or the kind of programmed learning that Skinner introduced." –Hillgard and Bower, 1977.)
- আমি এইখিনিতে কম্পিউটাৰ সহায়ক নির্দেশনাৰ আন এটা সংজ্ঞা পৰীক্ষা কৰি চাব পাৰোঁ। ভাট্ট আৰু শর্মাৰ মতে, "কম্পিউটাৰ সহায়ক নির্দেশনা হ'ল শৈক্ষিক ফলশ্রুতি পোৱাৰ কাৰণে, শিক্ষার্থী, কম্পিউটাৰ নিয়ন্ত্রিতপ্রদর্শন আৰু প্রতিক্রিয়াঅন্তর্ভুক্তি আহিলাৰ মাজৰ পাৰস্পৰিক ক্রিয়া।" ("CAI is defined as an interaction between a student, a computer controlled display and a response entry device for the purpose of achieving educational outcomes." –Bhatt and Sarma, 1992.)

ভাট্ট আৰু শর্মাৰ ওপৰত উল্লেখ কৰা সংজ্ঞাটোৱে তলৰ দিশবোৰ পোহৰলৈ আনিছে—

- কম্পিউটাৰ সহায়ক নির্দেশনাত এগৰাকী শিক্ষার্থী আৰু কম্পিউটাৰৰ মাজত পাৰস্পৰিক ক্রিয়া উদ্ভৱ হয় যিটো সাধাৰণ শিক্ষাত টিউটোৰিয়েলৰ মাধ্যমত শিক্ষক আৰু শিক্ষার্থীৰ

মাজত সংঘটিত হয়।

- শিক্ষার্থীসকলক নির্দেশনামূলক আহিলা যোগানৰ ক্ষেত্রত কম্পিউটাৰ সমর্থবান হয়।
- ব্যক্তিগত শিক্ষার্থী আৰু কম্পিউটাৰ আহিলাৰ মাজত সংঘটিত হোৱা পাৰস্পৰিক ক্রিয়াই নির্দেশনাৰ উদ্দেশ্যসমূহ উপলব্ধি কৰাত সহায় কৰে।
- এনে ধৰণেৰে যেতিয়া কম্পিউটাৰ সহায়ক নির্দেশনাৰ ব্যৱহাৰিক দিশটোৰ সকলোখিনি ব্যাখ্যা কৰা হয় তেনে ক্ষেত্রত এই সংজ্ঞাটোৱে কম্পিউটাৰ সহায়ক নির্দেশনাৰ প্রকৃতি আৰু বৈশিষ্ট্যসমূহৰ এৰাই চলা দেখা যায়। এই সংজ্ঞাটো সংশোধন কৰিব পৰা যায় আৰু ক'ব পাৰি যে কম্পিউটাৰ সহায়ক নির্দেশনা হ'ল— "নির্দেশনাৰ মাধ্যম হিচাপে ব্যক্তিগত শিকাৰুক সহায় কৰিবলৈ, ইস্পিত নির্দেশনামূলক উদ্দেশ্যসমূহত উপনীত হোৱাৰ ক্ষেত্রত সহায় কৰাৰ বাবে শিকাৰু আৰু কম্পিউটাৰ আহিলাৰ মাজত উদ্ভৱ হোৱা উদ্দেশ্যমূলক পাৰস্পৰিক ক্রিয়াত থকা নিজস্ব সমর্থতা আৰু নির্দেশ।"



জানি থোৱা ভাল

- কম্পিউটাৰ সহায়ক নির্দেশনা হ'ল একপ্রকাৰ আঁচনিকৃত আহিলাৰ সম্প্রসাৰণ আৰু নিদের্শনাৰ ব্যক্তিমুখী পদ্ধতি।
- কম্পিউটাৰৰ সহায়ত যি নির্দেশকমূলক কার্য্যাৱলী কৰা হয় বা প্রস্তুত কৰা হয় তাক সাধাৰণতে কম্পিউটাৰ সহায়ক নির্দেশনা বা চমুকৈ C.A.I বুলি কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কম্পিউটাৰ সহায়ক নির্দেশনা কি? (20 টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ২ ঃ কম্পিউটাৰ সহায়ক নির্দেশনা ধাৰণাটোৰ এটা উপযুক্ত সংজ্ঞা দিয়ক।

.....

.....

.....

.....

১৫.৩.১ কম্পিউটাৰ সহায়ক নির্দেশনাৰ মূল অৱধাৰণাসমূহ

কম্পিউটাৰ সহায়ক নির্দেশনা হ'ল আত্মব্যক্তিমুখীকৰণৰ কাৰণে নির্দেশনা। ইয়াৰ কিছুমান মূল ধাৰণা আছে। সেইবোৰ হ'ল তলত দিয়া ধৰণৰ—

- **একে সময়তে বহুবোৰ শিকাৰুৰ বাবে নির্দেশনা (Instruction for a number of learners at a time) ঃ** কম্পিউটাৰ সহায়ক নির্দেশনাই একে সময়তে বহুবোৰ শিকাৰুক ব্যক্তিমুখীকৰণৰ মাধ্যমত সেৱা আগবঢ়াব পাৰে। এটা নির্দিষ্ট বিষয়ৰ ওপৰত এগৰাকী শিকাৰুক সামর্থ্য আৰু আগ্রহৰ প্রয়োজন, সেয়া তেওঁ কম্পিউটাৰৰ নির্দেশনাত্মক আহিলাৰ পৰা পাব পাৰে। যিয়েই নহওক ই এটা সুন্দৰ আঁচনিকৃত নির্দেশনা আৰু শিক্ষার্থীৰ বাবে অতি সুন্দৰ ব্যক্তিমুখীকৰণ পদ্ধতি। কম্পিউটাৰ সহায়ক নির্দেশনাৰ প্রথম অৱধাৰণা সন্নিৱিষ্ট হৈছে ইয়াৰ আত্মনির্দেশনাৰ গুণ আৰু সংখ্যা যোগানৰ ক্ষেত্রত। এই অৱধাৰণাটোৱে একে সময়তে বহুসংখ্যক ব্যক্তিগত শিকাৰুক উচ্চ পর্য্যায়ৰ ব্যক্তিমুখীকৰণ পদ্ধতিৰে নির্দেশনা আগবঢ়াবলৈ সমর্থবান হয়।
- **শিকাৰুসকলৰ সম্পাদনৰ স্বয়ংক্রিয় অন্তর্ভুক্তিকৰণ (Automatic recording of the learners performance) ঃ** উপস্থাপন কৰা নির্দেশনামূলক আহিলাৰ ওপৰত ব্যক্তিগত শিকাৰুৱে কেনেধৰণেৰে প্রতিক্রিয়া কৰে, তেওঁ জানিবলৈ বিচৰাখিনি আৰু অসুবিধাসমূহ কি কি, শিক্ষণৰ ফলশ্রুতি আদিৰ ক্ষেত্রত তেওঁৰ সম্পাদন কিমান, এনেধৰণৰ সকলোবোৰ দিশ উপযুক্তভাৱে আৰু নির্ভুলভাৱে কম্পিউটাৰৰদ্বাৰা কম্পিউটাৰ সহায়ক নির্দেশনা অন্তর্ভুক্তি কৰিব পৰা যায়। ই ব্যক্তিগত শিকাৰুৰ কাৰণে পৰিবর্তিত পৰিকল্পনাৰ প্রয়োজনীয় নির্দেশনা পোৱাত বহুখিনি সহায় কৰে। স্বয়ংক্রিয় অন্তর্ভুক্তিয়ে ব্যক্তিগত শিকাৰুগৰাকীৰ সময় মতে হোৱা তেনে ধৰণৰ বিকাশক কম্পিউটাৰ সহায়ক নির্দেশনাৰ দ্বিতীয় অৱধাৰণা বুলি কোৱা হয়।
- **পদ্ধতিসমূহ আৰু কৌশলসমূহৰ ব্যৱহাৰৰ ভিন্নতা ঃ** কম্পিউটাৰ সহায়ক নির্দেশনাই অনুমান কৰে যে প্রত্যেক গৰাকী শিকাৰুৱে মাত্র এটা পদ্ধতিৰ মাধ্যমত লাভৱান্বিত নহবও পাৰে। কাৰণ সকলোবোৰ বিষয় আৰু পাঠসূচীক একে ধৰণৰ পদ্ধতি আৰু কৌশলেৰে উপস্থাপন কৰিব পৰা নাযায়। সেয়েহে এইটো বিশ্বাস কৰিবপৰা যায় যে এটা নির্দিষ্ট বিষয়ৰ শিক্ষা দিয়াৰ বাবে বিভিন্ন ধৰণৰ পদ্ধতি আৰু দৃষ্টিভঙ্গী ল'ব লাগিব বা নির্দেশনামূলক আহিলাৰ প্রকৃতি আৰু শিকাৰুসকলৰ নিজস্ব আগ্রহ অনুসাৰে তেওঁলোকে নিজাববীয়াকৈ একোটা পদ্ধতি বাছি ল'ব পাৰিব।

কম্পিউটাৰ সহায়ক নির্দেশনাৰ তিনিটা প্রযুক্তি (Three Technologies of CAI) ঃ কম্পিউটাৰ সহায়ক নির্দেশনাত বহুবোৰ ব্যক্তিৰ যুটীয়া সহযোগ প্রয়োজন হয়। এই ক্ষেত্রত মানুহ আৰু সামগ্রী-সম্পদসমূহে অৱিহণা যোগায়। সাধাৰণতে কম্পিউটাৰ সহায়ক নির্দেশনাত তিনিবিধ প্রযুক্তিবিদ্যা জড়িত হৈ পৰে। সেইবোৰ হ'ল, কঠিনতাৰ অভিগমন (Hard ware), কোমলতাৰ অভিগমন (Soft ware) আৰু গতি

অভিগমন (Course ware)।

যন্ত্ৰ হিচাপে কম্পিউটাৰে কঠিনতা প্ৰতিনিধিত্ব কৰে। কম্পিউটাৰ সহায়ক নির্দেশনাত আমাক শিকন-শিক্ষণ অৱস্থাৰ বাবে প্ৰয়োগিক হোৱাকৈ উপযুক্ত কম্পিউটাৰৰ প্ৰয়োজন হয়। ইয়াক ব্যৱহাৰ কৰাৰ বাবে এগৰাকী দক্ষ কৌশলী ব্যক্তিৰ প্ৰয়োজন হয়, যিজনে ইয়াৰ পৰিচর্যা আৰু অভিনৱত্ব বাস্তৱমুখী কৰিব পাৰে (এই কামখিনি প্ৰশিক্ষণপ্ৰাপ্ত কোনো শিক্ষক, শিক্ষার্থী বা সহায়কে কৰিব পাৰে)। শিক্ষকৰ সৰল কম্পিউটাৰ সম্বন্ধে সাধাৰণ জ্ঞান থকাটো দৰকাৰ। তেতিয়াহে প্ৰক্ৰিয়াটো বাস্তৱমুখী হ'ব।

যন্ত্ৰ হিচাপে শিক্ষার্থীসকলক শিক্ষা দিয়াৰ ক্ষেত্ৰত কম্পিউটাৰে একো কৰিব নোৱাৰে যদি কম্পিউটাৰত সৰলতাৰ অভিগমন নাথাকে। যি আঁচনি বা কার্য্যক্ৰমে কম্পিউটাৰটোত ভাষাগত নির্দেশনা বহন কৰে তাকেই কম্পিউটাৰৰ সৰলতাৰ অভিগমন হিচাপে বুজা যায়। সেই কার্য্যক্ৰমবোৰ এগৰাকী দক্ষ ব্যক্তিয়ে তৈয়াৰ কৰে যিগৰাকীক কার্য্যক্ৰমকাৰক বুলি জনা যায়। কম্পিউটাৰ সহায়ক নির্দেশনাত যি সৰলতা অভিগমন ব্যৱহাৰ কৰা হয় তাৰ দুটা ভাগ থাকে— প্ৰয়োগ কোমলতা আৰু পদ্ধতি কোমলতা। প্ৰয়োগ কোমলতা বা সৰলতাই এনেবোৰ কার্য্যক্ৰম সামৰি লয় যিবোৰে ব্যৱহাৰকাৰীৰ বাবে সম্পূৰ্ণ কামৰ প্ৰয়োজনীয়তাৰ নির্দেশনা কঢ়িয়াই। যিয়েই নহওক কম্পিউটাৰৰ সমলসমূহ সংগঠিত কৰাৰ বাবে পদ্ধতিগত সৰলতাৰ প্ৰয়োজন হয়, কাৰণ প্ৰয়োগ কৰা কার্য্যক্ৰমখিনিত উল্লেখ থকা প্ৰয়োগ কর্ময়ে কঢ়িয়াই আনে।

গতি অভিগমন প্ৰযুক্তিবিদ্যা হ'ল নির্দেশনাৰ আধাৰ যিয়ে কম্পিউটাৰ সহায়ক নির্দেশনাৰ দ্বাৰা শিকাৰুক শিকায়। উদাহৰণ স্বৰূপে, এজন নৱম শ্ৰেণীৰ ছাত্ৰই ৰসায়ন বিজ্ঞান বিষয়ৰ উপাদান,মিশ্ৰণ আৰু মিশ্ৰক পাঠকেইটা শিকিবলৈ বিচাৰিলে।এই ক্ষেত্ৰত কম্পিউটাৰ যন্ত্ৰই কঠিনতাৰ ধাৰণাবে কোমলতাৰ অভিগমন আৰু পদ্ধতিগত কার্য্যক্ৰমৰ বিষয়টো কার্য্য কৰণার্থে সেৱা আগবঢ়োৱাৰ বাবে প্ৰয়োজনবোধ কৰে। সেই কার্য্যক্ৰমখিনি প্ৰস্তুত কৰিব এগৰাকী কোমলতাৰ অভিগমনৰ কার্য্যকাৰকে, যিগৰাকী কোমলতা প্ৰযুক্তিবিদ্যাৰ বিশেষজ্ঞ। কিন্তু সেই কোমলতাৰ আহিলা প্ৰস্তুত কৰাৰ বাবে তেওঁক লাগিব এগৰাকী সেৱা আগবঢ়াবপৰা গতি অভিগমন প্ৰযুক্তিবিদ্যাৰ বিশেষজ্ঞ। এনে ধৰণৰ প্ৰযুক্তিবিদ্যাৰ শিক্ষা দিয়াৰ বাবে এটা দল গঠন হ'ব যিটোত থাকিব—

1) এগৰাকী বিষয় বিশেষজ্ঞ,
2) এগৰাকী নির্দেশনা প্ৰযুক্তিবিদ,
3) এগৰাকী শ্ৰৱণ-দর্শন আহিলাৰ প্ৰস্তুতকৰণ আৰু ব্যৱহাৰৰ বিশেষজ্ঞ ইত্যাদি।

গতি অভিগমন প্ৰযুক্তিবিদ্যা প্ৰস্তুত হয় নির্দেশনামূলক আহিলা আৰু নির্দেশনা পদ্ধতি আদিৰ ধাৰণাৰে। কোমলতাৰ অভিগমনৰ প্ৰযুক্তিবিদসকলে কম্পিউটাৰ যন্ত্ৰ ব্যৱহাৰ কৰাৰ বাবে কোমলতাৰ কার্য্যক্ৰমণিকা ভাষান্তৰ কৰে।

এনে ধৰণে তিনিওবিধ প্ৰযুক্তিবিদ্যা আৰু ইয়াৰ লগত জড়িত ব্যক্তিসকলে

কম্পিউটাৰ সহায়ক নির্দেশনাই সংঘটিত কৰা নির্দেশনামূলক কার্য্যাৱলীসমূহ প্ৰস্তুত কৰাৰ বাবে সমূহীয়াভাৱে দায়ী।



জানি থোৱা ভাল

কম্পিউটাৰ সহায়ক নির্দেশনাৰ মূল অৱধাৰণাসমূহ হ'ল—

- কম্পিউটাৰ সহায়ক নির্দেশনাই একে সময়তে হেজাৰ হেজাৰ শিকাৰুক ব্যক্তিমুখীকৰণ পদ্ধতিৰে সেৱা আগবঢ়াব পাৰে।
- কম্পিউটাৰ সহায়ক নির্দেশনাৰ দ্বিতীয়টো অৱধাৰণা হ'ল সময় মতে আৰু প্ৰকৃতভাৱে স্বয়ংক্ৰিয় নথিভুক্তকৰণ।
- এটা নির্দিষ্ট বিষয়ৰ নির্দেশনা দিয়াৰ বাবে বহু ভিন্নতা থকা পদ্ধতি আৰু দৃষ্টিভঙ্গী থকাটো দৰকাৰ বা শিকাৰুসকলৰ নিজস্ব আগ্ৰহ, সামৰ্থ আৰু নির্দেশনামূলক আহিলাৰ প্ৰকৃতি অনুসাৰে ব্যক্তিমুখী শিকাৰুবোৰে যিকোনো এটা নির্দিষ্ট পদ্ধতি বাছি ল'বলৈ সমৰ্থবান হ'ব।
- কম্পিউটাৰ সহায়ক নির্দেশনাত তিনি ধৰণৰ প্ৰযুক্তিবিদ্যা জড়িত হৈ পৰে। সেইবোৰ হ'ল— কঠিনতাৰ অভিগমন, কোমলতাৰ অভিগমন আৰু গতি অভিগমন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কম্পিউটাৰ সহায়ক নির্দেশনাৰ মূল অৱধাৰণাসমূহৰ বিষয়ে চমুকৈ উল্লেখ কৰক।

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ কম্পিউটাৰ সহায়ক নির্দেশনাৰ তিনিবিধ প্ৰযুক্তিবিদ্যাৰ বিষয়ে চমু ব্যাখ্যা কৰক। (60টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....



চিন্তা-চর্চা কৰক ১৫.১

"কম্পিউটাৰ সহায়ক নির্দেশনাৰ প্রয়োগ শিক্ষাৰ ক্ষেত্রখনত বহুলভাৱে হয়।" উক্তিটোৰ বিষয়ে মতামত আগবঢ়াওক।

.....

.....

.....

১৫.৩.২ কম্পিউটাৰ সহায়ক নির্দেশনাৰ ধৰণ বা প্রকাৰসমূহ

কম্পিউটাৰ সহায়ক নির্দেশনাত কম্পিউটাৰে পোনপটীয়াকৈ পাঠ প্রদান কৰি থাকোঁতে শিকাৰুৰ লগত পাৰস্পৰিক ক্রিয়া সম্পাদন কৰে। শিক্ষার্থীলৈ ই পোনপটীয়াকৈ নির্দেশনা আগবঢ়ায় আৰু তেওঁলোকক কম্পিউটাৰৰ সহায়ত পদ্ধতিৰ মাধ্যমেৰে আঁচনিকৃত পাঠটোৰ ওপৰত প্রতিক্রিয়া প্রদর্শন কৰিবলৈ অনুমতি প্রদান কৰে। এই ব্যৱস্থাটোৰ বহুবোৰ প্রকাৰ বা ধৰণ আছে। সেইবোৰ হ'ল—

- **খবৰজাতীয় কম্পিউটাৰ সহায়ক নির্দেশনা (Informational Computer Assisted Instruction)** ঃ এই প্রকাৰৰ কম্পিউটাৰ সহায়ক নির্দেশনাই শিকাৰুসকলক তেওঁলোকে প্রয়োজনবোধ কৰা খবৰ পোৱাত সহায় কৰি দিয়ে। ইয়াত কম্পিউটাৰটোৱে এগৰাকী অনুসন্ধান বিষয়াৰ দৰে সহায় আগবঢ়ায় আৰু শিক্ষার্থীসকলে অনুসন্ধান কৰা দিশটোৰ বিষয়ে জমা কৰি ৰখা স্থানৰ পৰা উত্তৰ দিয়ে। এইধৰণৰ কম্পিউটাৰ সহায়ক নির্দেশনাৰ প্রকৃত উদ্দেশ্য হ'ল ধাৰণা আৰু কৌশলসমূহ আয়ত্ত কৰাৰ বাবে প্রয়োজনীয় খবৰ যোগান ধৰা।
- **গৃহ শিক্ষক সম্বন্ধীয় কম্পিউটাৰ সহায়ক নির্দেশনা (Tutorial Mode)** ঃ এই ধৰণৰ কম্পিউটাৰ সহায়ক নির্দেশনাত কম্পিউটাৰটো প্রকৃত শিক্ষণত ব্রতী হয়। ইয়াত কম্পিউটাৰে গৃহ শিক্ষকৰ দৰে ফলদায়ক ভূমিকা গ্রহণ কৰি শিক্ষার্থীৰ লগত উপযুক্তভাৱে প্রতিক্রিয়া আৰু ভাষা প্রদান কৰে। গৃহ শিক্ষকৰ ধৰণত আঁচনিকৃত নির্দেশনাত এটা প্রশ্নক অনুসৰণ কৰি সৰু খণ্ডত খবৰ উপস্থাপন কৰা হয়। ঘৰুৱা শিক্ষকৰ দৰে আঁচনিবোৰ 'নিউটনৰ ল' অব্ মোচন'ৰ দৰে পাঠবোৰৰ নির্দেশনা দিয়াৰ বাবেই অকল প্রস্তুত কৰা নহয়। ইয়াক সংগঠিত কৰা হয় কার্য্যকৰীকৰণৰ বাবে আৰু যথেষ্ট সংখ্যক অনুশীলনৰ ব্যৱস্থা কৰিবলৈ। শিক্ষার্থীসকলৰ নিজস্ব সামর্থ আৰু প্রয়োজনীয়তা মতে তেওঁলোক বিকাশৰ পথত অগ্রসৰ হ'ব পাৰে। শিক্ষার্থীসকলৰ অসুবিধাৰ লগতে সম্পাদনৰ পদচিহ্ন পৰিলক্ষিত হয়। শিক্ষার্থীয়ে যদি কোনো সুন্দৰ ধাৰণাত অৱতীর্ণ হয় তেতিয়া কম্পিউটাৰ সহায়ক নির্দেশনাৰ আঁচনিয়ে নির্দেশনাৰ পৰৱর্তী পদক্ষেপৰ যোগান ধৰে। শিক্ষার্থীয়ে যদি নিশ্চিত

লক্ষ্যত উপনীত হ'বলৈ সক্ষম নহয় আঁচনিয়ে পুনৰ উপকৃত হোৱাৰ নির্দেশনাৰ ব্যৱস্থা কৰিব পাৰে।

- **শৈক্ষিক ক্রীড়াৰ ধৰণ (Educational Game Mode) ঃ** ইয়াত কর্মৰাজি নির্দেশনাত্মক হ'বও পাৰে বা নহ'বও পাৰে। কিন্তু ই অধিকভাৱে বিশ্রামজাতীয় উদ্দেশ্যত ব্যৱহাৰ হয়। তেনে ধৰণৰ কম্পিউটাৰ সহায়ক নির্দেশনাত শিকাৰুসকলক বিভিন্ন ধৰণৰ সুসংগঠিত কম্পিউটাৰ খেলৰ যোগান ধৰা হয়। এনে ধৰণৰ কম্পিউটাৰ খেলবোৰে কেৱল বৌদ্ধিক প্রত্যাহ্বানৰ যোগান ধৰে আৰু শিকাৰুসকলৰ জিজ্ঞাসু মনত উদ্দীপনা আনি দিয়ে। শিকাৰুসকলৰ মনত আগ্রহ জন্মাই সমল আহৰণত ই সেৱা আগবঢ়ায়। এনে খেলবোৰ শিকি থকা অৱস্থাত পুনৰ প্রদর্শন কৰাত ইয়াক সমল হিচাপে ব্যৱহাৰ কৰিব পৰা যায় বা শিকাৰুসকলক ই পুৰস্কৃত হোৱাৰ অনুভৱো আনি দিয়ে।
- **নির্দেশনাৰ সাদৃশ্যধৰণ (Simulation Type of Instruction) ঃ** এনে ধৰণৰ কম্পিউটাৰ সহায়ক নির্দেশনাই শিক্ষার্থীসকলক প্রশিক্ষণ দিয়াৰ ক্ষেত্রত সাদৃশ্যকৰণক কৌশল হিচাপে ব্যৱহাৰ কৰে। এই প্রকাৰ নির্দেশনাত্মক কর্মসূচীয়ে শিকাৰুসকলক অতি শক্তিশালী শিকন আহিলা যোগান ধৰে। সাৱধানতা অৱলম্বন কৰি প্রস্তুত কৰা আঁচনিসমূহে শিক্ষার্থীসকলক মুখামুখি হোৱাৰ ক্ষেত্রত সত্যনিষ্ঠ বা আদর্শগত পৰিৱেশ আনি দিয়ে। এই ক্ষেত্রত তেওঁলোকে সক্রিয় ভূমিকা ল'বলগীয়া হয় আৰু ফলাফল পোৱাৰ বাবে সিদ্ধান্তত আহিবলগীয়া হয়।
- **কম্পিউটাৰ সহায়ক নির্দেশনাৰ সমস্যা সমাধান প্রকাৰ (Problem Solving Mode of CAI) ঃ** এই প্রকাৰ কম্পিউটাৰ সহায়ক নির্দেশনাই সমস্যাটোৰ উত্তৰ পোৱাতকৈ উত্তৰ পোৱাৰ প্রক্রিয়াটোকহে পোহৰলৈ আনে। ইয়াত শিকাৰুসকলক পদ্ধতিগতভাৱে সমস্যা সমাধানৰ উপায় ভবাৰ বাবে আঁচনিৰ সৈতে উদগনি যোগোৱা হয়। শিকাৰুসকলক আঁচনিসমূহৰ বিষয়ে পূর্ণ পর্য্যায়ৰ উপায়ৰ লগতে উপদেশ দিয়া হয়। ইয়াত শিক্ষার্থীসকলে সমস্যাটোক সৰু সৰু ভাগ হিচাপে বিশ্লেষণ কৰি চাব পাৰে বা সিদ্ধান্তলৈ আহিব পাৰে আৰু সমস্যাটো সমাধানৰ পদ্ধতিগত প্রক্রিয়া নির্ণয় কৰিব পাৰে। সমস্যা সমাধানৰ নির্দেশনাত্মক আহিলাৰ এটা অতি ভাল পন্থা হ'ল চিহ্ন (Logo)। ই প্রক্রিয়াগত ভাষা আৰু জিন পিয়াজেটৰ (Jean Piaget) শিক্ষণসূত্রত আধাৰিত। এইবোৰৰ উপৰি আন বহুবোৰ আঁচনি বিভিন্ন ধৰণৰ শিক্ষার্থীৰ বাবে উপলব্ধ যিবোৰৰ মাধ্যমত শিক্ষার্থীসকলে তেওঁলোকৰ চিন্তাশক্তিক উন্নত পর্য্যায়লৈ নিব পাৰে আৰু সমস্যা সমাধানৰ সামর্থ্য আনিব পাৰে।
- **ব্যৱহাৰিক কর্মকেন্দ্রিক নির্দেশনা (Practical Work Oriented Instruction) ঃ** কম্পিউটাৰ সহায়ক নির্দেশনাত্মক কার্য্যসূচীয়ে বিজ্ঞানাগাৰ আৰু আন ব্যৱহাৰিক কর্মত গুৰুত্বপূর্ণ সহায় আগবঢ়াব পাৰে। এগৰাকী শিক্ষার্থীয়ে

ব্যৱহাৰিক শ্রেণীত অৱতীর্ণ হোৱাৰ আগতে বিজ্ঞানৰ পৰীক্ষাবোৰৰ বিষয়ে কম্পিউটাৰ সহায়ক নির্দেশনাৰ মাধ্যমত বহুখিনি জানিবলৈ সক্ষম হ'ব পাৰে, কাৰণ কম্পিউটাৰ কার্য্যসূচীত এনে ধৰণৰ পৰীক্ষা-নিৰীক্ষাৰ ব্যৱস্থা থাকে। সেয়েহে ক'ব পাৰি যে শিশুসকলৰপৰা বিদ্যালয়ৰ কার্য্যসূচীৰ সময়ছোৱাত অধিক সফলতা পাবলৈ হ'লে তেওঁলোকৰ কম্পিউটাৰ সন্দর্ভৰ জ্ঞান আগতীয়াকৈ থাকিব লাগিব।

- **শিক্ষার্থীসকলৰ শিক্ষণ বিষয়ৰ ব্যৱস্থাকৰণ (Managing the Learning Affairs of Students) ঃ** এই প্রকাৰৰ নির্দেশনাত্মক কার্য্যসূচীত কম্পিউটাৰ সহায়ক আঁচনিসমূহে শিক্ষার্থীসকলৰ শিক্ষণ বিষয় ব্যৱস্থাকৰণ আৰু চোৱাচিতা কৰাত মূল্যবান সহায় আগবঢ়ায়। ইয়াৰ মাধ্যমত শিক্ষা সন্দর্ভত ঘৰুৱা কামকাজৰ লগতে আত্ম-অধ্যয়ন, পুথিভঁৰালত অধ্যয়ন, দলীয় কর্ম, বিকাশ তালিকা প্রস্তুতকৰণ আদিৰ ক্ষেত্রতো শিক্ষক আৰু অভিভাৱকসকলে সহায় ল'ব পাৰে আৰু আঁচনি প্রস্তুত কৰিব পাৰে। গণিত, পৰিসংখ্যা বিজ্ঞান, আভিযান্ত্রিক শিক্ষা, উচ্চ গৱেষণা আদিৰ বাবে বিস্তৃত তথ্য স্থাপন কৰাৰ ক্ষেত্রত কম্পিউটাৰ সহায়ক নির্দেশনাই কম্পিউটাৰৰ মাধ্যমত বহুত বেছি কৰিব পাৰে। প্রতিবন্ধী শিশুসকল, যেনে— কলা, বোবা আদিৰ শিক্ষাৰ ক্ষেত্রত কম্পিউটাৰ সহায়ক নির্দেশনাই গুৰুত্বপূর্ণ ভূমিকা ল'বলৈ সক্ষম হৈছে। ইয়াৰ মাধ্যমেৰে প্রতিবন্ধীসকলক কম পৰিমাণে হ'লেও প্রয়োজনীয় শিক্ষণ অভিজ্ঞতা প্রদান কৰিব পৰা যায়। এনেবোৰ উপায়েৰে কম্পিউটাৰে বিশ্বৰ শিক্ষা জগতখনত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিবলৈ সক্ষম হৈছে আৰু সমগ্র শিক্ষা সন্দর্ভৰ দিশবোৰৰ ব্যৱস্থাপনা কৰিবলৈ লৈছে।
- **ব্যায়াম আৰু অনুশীলন কার্য্যসূচীসমূহ (Drill and Practice Programs) ঃ** এইপ্রকাৰৰ কম্পিউটাৰ সহায়ক নির্দেশনাই শিকাৰুসকলক বিভিন্ন ধৰণৰ ব্যায়াম আৰু অনুশীলন কার্য্যসূচীৰ মাধ্যমেৰে এটা নির্দিষ্ট বিষয়ৰ লগত জড়িত পাঠৰ শিকন সম্ভৰ কৰি তোলে। কম্পিউটাৰ সহায়ক নির্দেশনাৰ ব্যায়াম আৰু অনুশীলন কার্য্যসূচীয়ে অন্য উপায়ে শিকা দিশকো অধিকভাৱে কার্য্যকৰী কৰি তুলিব পাৰে। ই বিভিন্ন ধৰণৰ কৌশলসমূহক বিকশিত কৰাত সহায় কৰে। উদাহৰণ স্বৰূপে, পূৰণ কৰাৰ কৌশলৰ অনুশীলন কৰি থাকোঁতে কম্পিউটাৰে দূৰদর্শনৰ পর্দাত তলত উল্লেখ কৰা সৰল সমস্যাটো প্রদর্শন কৰিব পাৰে, যেনে—

৭ × ৮ = ...

শিশুৱে কি ব'র্ডত থকা নিউমাৰিক কিসমূহ মুদ্রিত কৰাৰ প্রতি আগ্রহ প্রদর্শন কৰিব লাগিব।। যদি উত্তৰটো অশুদ্ধ হয় কম্পিউটাৰে তৎক্ষণাত অশুদ্ধ শব্দটো প্রদর্শন কৰিব আৰু যদি উত্তৰটো শুদ্ধ হয় তেতিয়া অনুশীলন উপস্থাপন কৰাৰ বাবে অন্য সমস্যা আহিব। কম্পিউটাৰৰপৰা কেইছেকেণ্ডমানৰ ভিতৰতে প্রতিক্রিয়া আহিব; সেয়েহে শিশুটোৱে পুনৰ উৎপাদিত উত্তৰৰ বাবে বৈ থাকিব নালাগে। আনহাতে কম্পিউটাৰৰ

অপেক্ষা কৰাৰ বাবে প্ৰয়োজনীয় ধৈৰ্য আছে আৰু ই শিশুক নিজস্ব গতিত অগ্ৰসৰ হৈ যাবলৈ অনুমতি প্ৰদান কৰিব।



জানি থোৱা ভাল

কম্পিউটাৰ সহায়ক নিৰ্দেশনাৰ বহুবোৰ প্ৰকাৰ আছে। যেনে—

- তথ্য কম্পিউটাৰ সহায়ক নিৰ্দেশনা,
- ঘৰুৱা শিক্ষাদানৰ ধৰণ,
- শৈক্ষিক খেলৰ প্ৰকাৰ,
- নিৰ্দেশনাৰ সাদৃশ্য ধৰণ,
- কম্পিউটাৰ সহায়ক নিৰ্দেশনাৰ সমস্যা সমাধানৰ প্ৰকাৰ,
- ব্যৱহাৰিক কৰ্মভিত্তিক নিৰ্দেশনা,
- শিক্ষণৰ বিষয় ব্যৱস্থাকৰণ কৰি থকাৰ ধৰণ আৰু
- ব্যায়াম আৰু অনুশীলনৰ আঁচনি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ কম্পিউটাৰ সহায়ক নিৰ্দেশনাৰ যিকোনো দুবিধ প্ৰকাৰ উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৬ ঃ কম্পিউটাৰ সহায়ক নিৰ্দেশনাৰ মাধ্যমেৰে আগবঢ়োৱা শৈক্ষিক খেলভিত্তিক প্ৰকাৰৰ বিষয়ে চমুকৈ উল্লেখ কৰক।

.....

.....

.....

.....

.....

.....



চিন্তা-চৰ্চা কৰক ১৫.২

আমোদ বা বিশ্ৰামৰ কাৰণে কম্পিউটাৰক আমি কেনেকৈ ব্যৱহাৰ কৰিব পাৰোঁ?

.....

.....

.....

১৫.৩.৩ কম্পিউটাৰ সহায়ক নির্দেশনাৰ ব্যৱহাৰ

- কম্পিউটাৰ সহায়ক নির্দেশনাক সকলো ধৰণৰ শিক্ষাদান আৰু আহৰণ কার্য্যসূচীত ব্যৱহাৰ কৰিব পৰা যায়। কম্পিউটাৰ সহায়ক নির্দেশনাত যিকোনো বিষয়ৰ যিকোনো পাঠকে আঁচনিভুক্ত কৰিব পৰা যায়। পাঠৰ আহিলাবোৰ শব্দ, ছবি আৰু পৰীক্ষণৰ মাধ্যমত প্রতিনিধিত্ব কৰাই শিক্ষার্থীৰ আগত উপস্থাপন কৰিব পাৰি।
- কম্পিউটাৰ সহায়ক নির্দেশনাৰ মাধ্যমত নিজৰ ইচ্ছা অনুসাৰে এজনে শিকিব পাৰে; তৎক্ষণাত গ্রহণ কৰিব পাৰে আৰু নিজস্বভাৱে পুনৰ উৎপাদন কৰিবও পাৰে। ই হ'ল সম্পূর্ণৰূপে ব্যক্তিব্যঞ্জক বা ব্যক্তিমুখী।
- কম্পিউটাৰ সহায়ক নির্দেশনা বহুসংখ্যক শিক্ষার্থীৰ বাবে একেলগে সংগঠিত কৰিব পৰা যায় যিটো সাধাৰণ শিকন-শিক্ষণ প্রক্রিয়াৰ শ্রেণীকক্ষত কল্পনা কৰিব পৰা নাযায়।
- কম্পিউটাৰ সহায়ক নির্দেশনাত শিকাৰুৱে পাঠ্যক্রমত অৱতীর্ণ হৈ থকা অৱস্থাৰ সম্পাদন কার্য্য স্বয়ংক্রিয়ভাৱে নথিভুক্ত হৈ থাকে। শিক্ষকে শিকাৰুসকলৰ খৰতকীয়া মূল্যায়নৰ বাবে নথিভুক্তকৰণ প্রক্রিয়াই পুনৰুৎপাদনৰ সহায়ত সহায় আগবঢ়ায়। সংৰক্ষিত তথ্যবোৰৰ মাধ্যমত শিক্ষকে শিকাৰুসকলৰ ভৱিষ্যৎ শিক্ষণৰ কৌশল নির্বাচন কৰি ল'ব পাৰে।



১৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কম্পিউটাৰ সহায়ক নির্দেশনা হ'ল আঁচনিকৃত শিক্ষণৰ এক সম্প্রসাৰণ আৰু এক ব্যক্তিমুখীকৰণ পদ্ধতি।
- কম্পিউটাৰৰ সহায়ত নির্দেশনাৰ কর্ম আগুৱাই নিয়া বাবে এই প্রক্রিয়াক সাধাৰণতে কম্পিউটাৰ সহায়ক নির্দেশনা বুলি কোৱা হয়।
- কম্পিউটাৰ সহায়ক নির্দেশনাৰ মূল অৱধাৰণাসমূহ হ'ল— কম্পিউটাৰ সহায়ক নির্দেশনাই একে সময়তে হেজাৰ হেজাৰ শিকাৰুক ব্যক্তিমুখী প্রক্রিয়াৰ মাধ্যমত সেৱা আগবঢ়াব পাৰে। সময় মতে আৰু প্রকৃত স্বয়ংক্রিয় নথিভুক্তকৰণ হ'ল কম্পিউটাৰ সহায়ক নির্দেশনাৰ দ্বিতীয় অৱধাৰণা।
- কম্পিউটাৰ সহায়ক নির্দেশনাৰ লগত তিনিবিধ প্রযুক্তিবিদ্যা জড়িত হৈ থাকে। নামবোৰ হ'ল— কঠিনতাৰ অভিগমন, কোমলতাৰ অভিগমন আৰু গতিময় অভিগমন।
- কম্পিউটাৰ সহায়ক নির্দেশনাৰ কেইবাটাও প্রকাৰ আছে। সেইবোৰ হ'ল— খবৰ জাতীয় বা তথ্য সম্বন্ধীয় কম্পিউটাৰ সহায়ক নির্দেশনা, ঘৰুৱা শিক্ষক ধৰণ, শৈক্ষিক ক্রীড়াৰ

প্রকাৰ, ইত্যাদি।

- কম্পিউটাৰ সহায়ক নির্দেশনাক সকলো ধৰণৰ শিকন-শিক্ষণ আঁচনিসমূহত ব্যৱহাৰ কৰিব পৰা যায়।
- কম্পিউটাৰ সহায়ক নির্দেশনা ক্রমাগতভাৱে বহুসংখ্যক শিক্ষার্থীৰ ক্ষেত্রত প্রয়োগ কৰিব পৰা যায় যিটো সাধাৰণ শিকন-শিক্ষণ প্রক্রিয়াত কল্পনা কৰিব পৰা নাযায়।
- কম্পিউটাৰ সহায়ক নির্দেশনাত পাঠ্যক্রম চলি থকা অৱস্থাৰ শিকাৰুৰ সম্পাদন কার্য্য আৰু অভীক্ষাবোৰ স্বয়ংক্রিয়ভাৱে নথিভুক্তকৰণ হয়।



১৫.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] বৰুৱা, যতীন ঃ *শিক্ষা প্রযুক্তি বিজ্ঞানৰ অধ্যয়ন*; গুৱাহাটী ঃ অশোক বুক ষ্টল।

2] চলিহা, বেদকুমাৰ আৰু সোণোৱাল, পুৰঞ্জয় ঃ *শৈক্ষিক প্রযুক্তিবিদ্যা*; গোলাঘাট ঃ সৰস্বতী প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Aggarwal, J. C. (1997). *Essentials of Educational Technology: Teaching-Learning Innovations in Education*. New Delhi: Vikash Publishing House Pvt. Ltd.



১৫.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কম্পিউটাৰ সহায়ক নির্দেশনা হ'ল একধৰণৰ আঁচনিকৃত শিক্ষণ আহিলাৰ সম্প্রসাৰণ আৰু নির্দেশনাৰ এক ব্যক্তিমুখীকৰণ ব্যৱস্থা।

২ নং প্রশ্নৰ উত্তৰ ঃ হিলগার্ড আৰু বোৱাৰৰ মতে, "কম্পিউটাৰ সহায়ক নির্দেশনাই বহুবোৰ ক্ষেত্র সামৰি লৈছে। ইয়াক অকল সৰল শিক্ষণযন্ত্র হিচাপে অভিহিত কৰিব পৰা নাযায় বা ইয়াক আঁচনিকৃত শিক্ষণৰ ভাগ বা স্কিনাৰে প্রৱর্তন কৰা আঁচনিকৃত শিক্ষণ প্রক্রিয়া বুলি ধৰি ল'ব পৰা নাযায়।"

৩ নং প্রশ্নৰ উত্তৰ ঃ কম্পিউটাৰ সহায়ক নির্দেশনাৰ মূল অৱধাৰণাসমূহ হ'ল— কম্পিউটাৰ সহায়ক নির্দেশনাই একে সময়তে হেজাৰ হেজাৰ শিকাৰুক ব্যক্তিমুখীকৰণভাৱে সেৰা আগবঢ়াব পাৰে। কম্পিউটাৰ সহায়ক নির্দেশনাৰ দ্বিতীয়বিধ অৱধাৰণা হ'ল সময় মতে আৰু প্রকৃত স্বয়ংক্রিয় নথিভুক্তকৰণ ব্যৱস্থা।

৪ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণতে কম্পিউটাৰ সহায়ক নির্দেশনাৰ লগত তিনিবিধ প্রযুক্তিবিদ্যা

জড়িত হৈ থাকে। নামবোৰ হ'ল— কঠিনতাৰ অভিগমন, কোমলতাৰ অভিগমন আৰু গতি অভিগমন। যন্ত্ৰ হিচাপে কম্পিউটাৰে কঠিনতাৰ প্ৰতিনিধিত্ব কৰে। কম্পিউটাৰ সহায়ক নির্দেশনাত আমাক এটা উপযুক্ত কম্পিউটাৰৰ প্ৰয়োজন যিটো আমাৰ শিকন-শিক্ষণ প্ৰক্ৰিয়াত সহায়ক হয়। কোমলতাৰ অভিগমন কার্য্যক্ৰমত কম্পিউটাৰে ভাষাৰ নির্দেশনা বহন কৰে যিটোক কোমলতা বুলি কোৱা হয়। গতি অভিগমন প্ৰযুক্তিবিদ্যা হ'ল নির্দেশনাৰ আধাৰ যিটোৰে কম্পিউটাৰ সহায়ক নির্দেশনাৰ দ্বাৰা শিকাৰুক প্ৰদান কৰা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ খবৰ বা তথ্য কম্পিউটাৰ সহায়ক নির্দেশনা, ঘৰুৱা শিক্ষণ অৱধাৰণা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শৈক্ষিক খেল নির্দেশনাৰ ধৰণটো নির্দেশনাত্মক কৰিব পাৰি বা নোৱাৰি। কিন্তু ইয়াক বিশেষভাৱে ব্যৱহাৰ কৰা হয় আমোদ বা বিশ্ৰামজনক উদ্দেশ্যত। এই প্ৰকাৰৰ নির্দেশনাত কম্পিউটাৰে শিকাৰুসকলক নানা ধৰণৰ সুসংগঠিত কম্পিউটাৰ খেল যোগান ধৰে। এনে ধৰণৰ খেলবোৰৰ মূল উদ্দেশ্য হ'ল শিকাৰুসকলক বৌদ্ধিক প্ৰত্যাহ্বানৰ সুযোগ প্ৰদান কৰাৰ লগতে উৎসুক মনক উদ্দীপনা যোগোৱা আৰু শিকাৰুসকললৈ অভিৰোচনৰ সমল হিচাপে সেৱা আগবঢ়োৱা।



১৫.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (50 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ আমাৰ দৈনন্দিন জীৱনৰ কম্পিউটাৰ কিয় প্ৰয়োজন?

প্ৰশ্ন ২ ঃ 'কম্পিউটাৰ সহায়ক নির্দেশনাক আপুনি কিদৰে ব্যাখ্যা কৰিব?

প্ৰশ্ন ৩ ঃ কম্পিউটাৰ সহায়ক নির্দেশনাৰ সমস্যা সমাধানৰ পদ্ধতি বুলিলে আপুনি কি বুজে?

প্ৰশ্ন ৪ ঃ নির্দেশনাৰ সাদৃশ্য ধৰণ কৌশলৰ বিষয়ে চমুকৈ বর্ণনা কৰক।

প্ৰশ্ন ৫ ঃ গৃহ শিক্ষক সম্বন্ধীয় কম্পিউটাৰ সহায়ক নির্দেশনা বুলিলে কি বুজে?

খ) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'কম্পিউটাৰ সহায়কাৰী নির্দেশনা'ৰ এটা উপযুক্ত সংজ্ঞা দিয়ক আৰু শৈক্ষিক আহিলা হিচাপে ইয়াৰ ওপৰত এটি আভাস দিয়ক।

প্ৰশ্ন ২ ঃ কম্পিউটাৰ সহায়ক নির্দেশনাৰ ব্যায়াম আৰু অনুশীলনৰ কার্য্যসূচীসমূহৰ বিষয়ে আৰু ইয়াৰ শৈক্ষিক তাৎপর্য্যৰ বিষয়ে বর্ণনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (300–500টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কম্পিউটাৰ সহায়ক নির্দেশনাৰ প্ৰযুক্তিবিদ্যা তিনিটাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ কম্পিউটাৰ সহায়ক নির্দেশনাৰ ধৰণ বা প্ৰকাৰসমূহৰ বিষয়ে বহলাই আলোচনা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

1] গোস্বামী, ড^{0} ৰূপা আৰু গোস্বামী, ড^{0} দিপালী (2005)ঃ *শিক্ষা প্ৰযুক্তিবিদ্যা*, গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

2] চলিহা, বেদকুমাৰ আৰু সোণোৱাল, পুৰঞ্জয় ঃ *শৈক্ষিক প্ৰযুক্তিবিদ্যা*; গোলাঘাট ঃ সৰস্বতী প্ৰকাশন।

3] ডেকা, বীৰেন্দ্ৰ ঃ *শিক্ষাদান পদ্ধতি শিক্ষণ অভ্যাস আৰু পাঠ পৰিকল্পনা*; গুৱাহাটী ঃ অশোক বুক ষ্টল।

4] বৰুৱা, যতীন ঃ *শিক্ষা প্ৰযুক্তি বিজ্ঞানৰ অধ্যয়ন*; গুৱাহাটী ঃ অশোক বুক ষ্টল।

ইংৰাজী গ্ৰন্থ ঃ

1) Aggarwal, J. C. (1997). *Essentials of Educational Technology: Teaching-Learning Innovations in Education*. New Delhi: Vikash Publishing House Pvt. Ltd.

2) Aggarwal, J. C. (1996). *Principles Methods and Techniques of Teaching*. New Delhi: Vikash Publishing House Pvt. Ltd.

3) Aggarwal, J. C. (Fifth Edition, 2003). *Essentials of Educational Technology, Teaching-Learning*. Mumbai: Vikash Publishing House.

4) Awad, M. Ellas. *System Analysis and Design*. New Delhi: Golgotia Publications (P) Ltd.

5) Azarov, Yuri (1988). *Teaching-Calling and Skills*. Moscow: Progress Publishers.

6) Babu, A. Ram (Editions 2006). Micro-Teaching Vol.-I and Vol.-II Neel Kamal Publications, Pvt. Ltd.

7) Broadbent, D. E. (1958). *Perception and Communication.* New York: Pergamon Press.

8) Chadha, D. S. (2004). *Classroom Teaching*. A Mittal and Management Publishing.

9) Chauhan, S. S. (1981). *Innovations in Teaching-Learning*. New Delhi: Vikash Publishing House Pvt. Ltd.

10) Das Borbora, Dr. Rupa and Goswami, Dr. Deepali (2005). *Educational Technology*. Arun Prakashan.

11) Das, B. C. (1998). *Educational Technology.* New Delhi: Kalyani Publishers.
12) Goswami, Meena Kumari (2008). *Educational Technology*. Asian Books Pvt. Ltd.
13) Kochar, S. K. (Reprinted 1975). *Methods and Techniques of Teaching*. New Delhi: Sterling Publishers Pvt. Ltd.
14) Mangal, S. K. *Foundations of Educational Technology*. Ludhiana: Tandon Publications.
15) Mathur, Dr. S. S. (1996). *Teacher And Secondary Education*. Agra: Vinod Pustak Mandir.
16) Rao, Usha (2005). *Educational Technology*. Delhi: Isha Book.
17) Sampath, K. etal: *Introduction of Educational Technology*.
18) Sampath, K.; Panneerselvam, A.; Santhanam, S. *Introduction to Educational Technology*. Sterling Publisher Pvt. Ltd.
19) Saxena, N. R. Swarup, Dr. Oberoi S. C. *Technology of Teaching*. Meerut: Surya Publications, Near Government Inter College.
20) Sharma, Dr. A. R. (2005). *Educational Technology*. Agra: Vinod Pustak Mandir.
21) Singh, Arun Kumar (1997). *Tests, Measurements and Research Methods in Behavioural Sciences*. Patna: Bharati Bhawan.
22) Witch, W. A. & Chales, F. S. (1953). *Audio-Visual Materials: Their Nature and Use*. New York.

কাকতৰ নাম .....
পাঠ্যবিষয়ৰ সাঙ্কেতিক সংখ্যা .....

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্য্যালয়, হাউছফেড চৌহদ, গুৱাহাটী-৭৮১০০৬

পাঠ্যবিষয় সন্দৰ্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দৰ্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিকন সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক, আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেড পৰিসৰ, দিশপুৰ, গুৱাহাটী-৭৮১০০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

1) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? ☐☐☐

2) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দৰ্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক) ঃ

ক্ৰমাঙ্ক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় আৰু অসহমতো নহয়	অসহমত	দৃঢ়ভাৱে অসহমত
I)	পাঠ্যবিষয়ৰ স্ব-শিকন সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য্য কৰি লোৱা শিকন উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
II)	স্ব-শিকন সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
III)	অধ্যায় লেখকঁ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
IV)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
V)	অধ্যায়বোৰত কাৰ্য্যকলাপত ভাগ ল'ব পৰাকৈঁঅনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্য্যাপ্ত সুযোগ আছে					
VI)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্য্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
VII)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসঙ্গিক আৰু শেহতীয়া তথ্যভিত্তিক					
VIII)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
IX)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

1) আপোনাৰ মতে স্ব-শিকন সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে ?

.....

.....

2) স্ব-শিকন সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনে ধৰণৰ পৰিৱৰ্তনঁ উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে ?

.....

.....